# অসমৰ হীৰা সম্প্ৰদায়



শ্ৰীগুণেশ্বৰ দাস

**ASOMAR HIRA SAMPRADAI :** *Written by : Guneswar Das*, published by the Director, Assam Institute of Research for Tribals and Scheduled Castes, Jawaharnagar, Guwahati - 22.

Published by : Directorate of Assam Institute of Research for Tribals and Scheduled Castes, Jawaharnagar, Guwahati - 22.

First Edition : 2011

Price : Rs. 70.00

Printed at : Bohniman Printers
Guwahati

# সোঁৱৰণ

লিখনিৰ আদিতে হীৰা মৃৎ শিল্পৰ কাম কৰি ইহলীলা সম্বৰণ কৰা মোৰ পিতৃ-মাতৃ প্ৰয়াত ৰামেশ্বৰ দাস আৰু সুভদ্ৰা সাদ্যালৈ শ্ৰদ্ধাৰে সোঁৱৰণ কৰিলোঁ।

—লেখক

# PREFACE

The Assam Institute of Research for Tribals and Scheduled Castes, Guwahati under the aegis of Ministry of Tribal Affairs, Government of India, have been providing grants-in-aid to authors for publication of books written on different aspects of tribals and scheduled castes. The scheme is known as 'Grants-in-Aids for Literary works for Scheduled Castes and Scheduled Tribes.' The scheme receives very good response from different authors. In fact, it is difficult to accommodate all the authors under the scheme. As a part of this popular scheme, the book titled *"Asomar Hira Sampradai by Guneswar Das"* has been sponsored by the Institute for publication. It is expected that the readers will receive the book with pleasure. We look forward to comments and suggestions from the readers.

I am grateful to the Ministry of Tribal Affairs, Government of India and Welfare of Plain Tribes and Backward Classes Department, Government of Assam for providing financial assistance for implementation of the scheme.

I also offer my thanks to the officers and staff of this Directorate for their help and co-operation.

Finally, I like to thank M/s. Bohniman Printers, Guwahati for their help and co-operation in bringing out the book.

*(G.C. Kakati)*
Director,
Assam Institute of Research for
Tribals and Scheduled Castes,
Guwahati-22

# আগকথা

অসমৰ অনুসূচীত জাতিৰ অন্তৰ্ভুক্ত হীৰা সম্প্ৰদায়টোৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশবোৰৰ বিষয়ে গভীৰ আলোকপাত কৰাটো হল এই পুথিখনৰ মূল বিষয়বস্তু। এটা জনগোষ্ঠী বা সম্প্ৰদায়ৰ বিষয়ে লিখা কামটো অতি দায়িত্বপূৰ্ণ বুলি ভাবো। কিয়নো সম্প্ৰদায়টোৰ প্ৰকৃত ছবি এখন ডাঙি ধৰিব নোৱাৰিলে লিখনিৰ বাবে গৰিহনাৰ পাত্ৰ হব লাগে। কিন্তু জন্ম সূত্ৰে মই এজন হীৰা আৰু হীৰা সকলৰ সামাজিক বা-বতাহে মোকো স্পৰ্শ কৰিছে। এওঁলোকৰ নিজা ব্যৱসায় 'হীৰা মৃৎ শিল্প' টোৰ লগত মই বাল্য কালৰ পৰা কলেজ ইউনিভাৰচিটিৰ শিক্ষা গ্ৰহণ শেষ নোহোৱা পৰ্য্যন্ত প্ৰত্যক্ষ ভাৱে জড়িত হৈ আছিলো। এনেকি কিছু কাল হীৰা সকলৰ সামাজিক উন্নয়ণৰ বাবে এজন কৰ্ম কৰ্ত্তা হিচাবেও মই আত্ম নিয়োগ কৰিছিলো। সেয়েহে এই পুথিখন লিখাৰ বাবে সাহস কৰিলো।

হীৰা সকলৰ জাতীয় সন্মিলনীৰ সভাপতি প্ৰয়াত প্ৰাণেশ্বৰ দাস দেৱে আজি কিছু বছৰ আগতে মোক মৌখিক ভাৱে এটা পৰামৰ্শ দি কৈছিল যে নিজৰ সম্প্ৰদায়টোৰ জাতীয় কৰ্ম কৰ্ত্তা সকলে হীৰা সকলৰ বাবে বহুত কিবা কিবি কৰিবলৈ বাকী আছে যদিও ইতিমধ্যে হীৰা সমাজকৰ্মী সকলে যিখিনি উন্নয়ণ মূলক কাম কৰি গৈছে তাৰ এটা খতিয়ান হিচাবে এখন পুথিত লিপিবদ্ধ কৰিব পাৰিলে সমাজখনৰ বাবে মঙ্গলজনক হব। পাৰিলে তেনে পুথি এখন লিখি উলিওৱাৰ প্ৰয়োজন আছে। ইতিমধ্যে নিজৰ জাতিটোৰ বিষয়ে লিখনিৰ মাজেৰে উপস্থাপন কৰাৰ বাবে মোৰো আছিল এক হেপাহ। এনেবোৰ কাৰণত এই পুথিখন লিখাৰ বাবে ইচ্ছা কৰিলো। সমস্যা জৰ্জড়িত হীৰা সমাজখনক এই পুথিয়ে কিবা অৰিহণা যোগাব পাৰিলে মই নিশ্চয় আনন্দিত হম। সৰ্ব্ব সাধাৰণ লোকে পঢ়িব পৰাকৈ পুথিখন অসমীয়া ভাষাত লিখিলো।

ইং ১৯৯৫ চনৰ মাৰ্চ মাহত অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠানৰ গুৱাহাটীৰ জৱাহৰ নগৰস্থিত প্ৰতিষ্ঠানটোৱে 'CORE PROBLEMS OF THE SCHEDULED CASTES OF ASSAM' নামৰ যিখন পুথি প্ৰকাশ কৰিছিল তাত মই ইংৰাজীত লিখা 'THE HIRA POTTERY OF ASSAM FACING DIFFICULTIES IN IMPROVEMENT AND UPGRADATION' নামৰ প্ৰৱন্ধ এটাও প্ৰকাশ পাইছিল। সেই সময়তে উক্ত প্ৰতিষ্ঠানটোৰ এজন সন্মাণীয় গৱেষণা বিষয়াই মোক হীৰা সম্প্ৰদায়টোৰ বিষয়ে পাৰিলে এখন পূৰ্ণাংগ পুথি লিখাৰ বাবে মৌখিক দিহা পৰামৰ্শও দিছিল। কিন্তু নিৰ্দ্ধাৰিত সময়ত মোৰ সেইটো কাম সম্ভৱ হৈ নুঠিল। এইবেলি মই লিখি লোৱা এই পুথিখন প্ৰকাশ কৰাৰ বাবে উক্ত অসম জনজাতি আৰু অনুসূচীত জাতি গৱেষণা প্ৰতিষ্ঠানটোৰ ওচৰ চাপিছো আবেদনকাৰী হিচাবে। ছপা কৰি প্ৰকাশ কৰা কামত চৰকাৰী প্ৰতিষ্ঠানটোৱে সহায় কৰাত সমগ্ৰ হীৰা সম্প্ৰদায়টোও উপকৃত হব বুলি ভাবিলো।

হীৰা সকলৰ প্ৰকৃত ছবিখন ডাঙি ধৰাৰ বাবে বিভিন্ন তথ্য সংগ্ৰহ কৰি এই পুথিত সন্নিৱিষ্ট কৰাৰ হেতু চেষ্টাৰ ক্ৰুটি মই কৰা নাই। কিন্তু অনিচ্ছাকৃত ভাৱে কোনো তথ্যত আসোঁৱাহ থাকি গলে তাৰ শুধৰণীৰ দায়িত্ব অৰ্পণ কৰিলো বিশেষকৈ পঢ়ুৱৈ আৰু হীৰা লোক সকলৰ ওপৰত। আশা কৰো পঢ়ুৱৈ সমাজে পুথিখন সাদৰে গ্ৰহণ কৰিব। সন্নিৱিষ্ট তথ্যবোৰ পাৰ্য্যমাণে শুদ্ধ ভাৱে উপস্থাপন কৰিবলৈ চেষ্টা কৰিছো।

হীৰা সকলৰ ব্যৱসায়টো ভাৰতৰ বিভিন্ন ৰাজ্যত থকা মৃৎ শিল্পৰ ব্যৱসায়ৰ লগত তুলনা কৰি বিশ্লেষণ কৰা হৈছে। তাৰবাবে অন্যান্য ৰাজ্যৰ মৃৎ শিল্পী সম্পৰ্কীয় দুই চাৰিখন পুথিৰ আলমত কিছুমান তথ্য সংগ্ৰহ কৰিব লগা হৈছে। পৃথিৱীত মৃৎ শিল্পৰ বাবে ব্যৱহাৰ্য্য মাটি কোন সময়ত উদ্ধাৰ হৈছিল, কোন দেশে কি মাটি ব্যৱহাৰ কৰে, প্ৰাচীন সভ্যতাত মৃৎ পাত্ৰ আদিৰ উৎপাদন কাৰ্য্যত প্ৰধান পৃষ্ঠপোষক দেশবোৰ কোন ইত্যাদি কথাবোৰ অসমৰ হীৰা মৃৎ শিল্পৰ বিশ্লেষণত প্ৰাসঙ্গিক তথ্য হিচাবে ডাঙি ধৰা হৈছে যাতে হীৰা সকলৰ মৃৎ শিল্পটোক এটা বহল দৃষ্টিভঙ্গীৰে অনুধাৱন কৰিব পাৰি।

অসমৰ জিলা সমূহত হীৰা সকলৰ সমাজ সংস্কাৰ মূলক কাম কাজৰ ক্ষেত্ৰত অতীতত অনেক হীৰা সমাজকৰ্মীয়ে স্থানীয় সামাজিক সংগঠনৰ জড়িয়তে বিভিন্ন ব্যৱস্থাৱলী গ্ৰহণ কৰিছিল। তেওঁলোকে সভা সমিতি আদি অনুষ্ঠিত কৰি হীৰা সমাজৰ বাবে বিভিন্ন প্ৰস্তাৱ অথবা সিদ্ধান্ত গ্ৰহণ কৰি হীৰা লোক সকলৰ মাজত কটকটীয়া বান্ধোনৰ সৃষ্টি কৰি বিপথে পৰিচালিত নহবৰ বাবে যত্নপৰ হৈছিল আৰু সামাজিক ঐক্যতা গঢ়িবলৈ যত্নপৰ হোৱাৰ বাবে অসমৰ উজনি আৰু নামনিৰ সকলো হীৰাক আহ্বান কৰিছিল। গতিকে সেই সকল পুৰণি জাতীয় কৰ্মীক ইমানতে শ্ৰদ্ধাৰে সুঁৱৰিছো। পুৰণি হীৰাসমাজৰ সেই সকল কৰ্মকৰ্ত্তাৰ অনেক লোক বৰ্ত্তমান প্ৰয়াত। তেওঁলোকৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তবোৰৰ মাজত সোমাই আছে জাতীয় একতাৰ গোন্ধ। সমগ্ৰ ৰাজ্যৰ হীৰা সকলৰ উমৈহতীয়া মঞ্চ গঠন কৰাৰ ক্ষেত্ৰত উজনি আৰু নামনি অসমৰ আটাইকেইখন জিলাৰ অৰিহনা আছে বাবে সেই সকল নেতৃস্থানীয় হীৰাৰ প্ৰতি মই সশ্ৰদ্ধা প্ৰণাম জনালো।

# আগকথা

অসমৰ অনুসূচীত জাতিৰ অন্তৰ্ভুক্ত হীৰা সম্প্ৰদায়টোৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশবোৰৰ বিষয়ে গভীৰ আলোকপাত কৰাটো হল এই পুথিখনৰ মূল বিষয়বস্তু। এটা জনগোষ্ঠী বা সম্প্ৰদায়ৰ বিষয়ে লিখা কামটো অতি দায়িত্বপূৰ্ণ বুলি ভাবো। কিয়নো সম্প্ৰদায়টোৰ প্ৰকৃত ছবি এখন ডাঙি ধৰিব নোৱাৰিলে লিখনিৰ বাবে গৰিহনাৰ পাত্ৰ হব লাগে। কিন্তু জন্ম সূত্ৰে মই এজন হীৰা আৰু হীৰা সকলৰ সামাজিক বা-বতাহে মোকো স্পৰ্শ কৰিছে। এওঁলোকৰ নিজা ব্যৱসায় 'হীৰা মৃৎ শিল্প' টোৰ লগত মই বাল্য কালৰ পৰা কলেজ ইউনিভাৰচিটিৰ শিক্ষা গ্ৰহণ শেষ নোহোৱা পৰ্য্যন্ত প্ৰত্যক্ষ ভাৱে জড়িত হৈ আছিলো। এনেকি কিছু কাল হীৰা সকলৰ সামাজিক উন্নয়ণৰ বাবে এজন কৰ্ম কৰ্ত্তা হিচাবেও মই আত্ম নিয়োগ কৰিছিলো। সেয়েহে এই পুথিখন লিখাৰ বাবে সাহস কৰিলো।

হীৰা সকলৰ জাতীয় সন্মিলনীৰ সভাপতি প্ৰয়াত প্ৰাণেশ্বৰ দাস দেৱে আজি কিছু বছৰ আগতে মোক মৌখিক ভাৱে এটা পৰামৰ্শ দি কৈছিল যে নিজৰ সম্প্ৰদায়টোৰ জাতীয় কৰ্ম কৰ্ত্তা সকলে হীৰা সকলৰ বাবে বহুত কিবা কিবি কৰিবলৈ বাকী আছে যদিও ইতিমধ্যে হীৰা সমাজকৰ্মী সকলে যিখিনি উন্নয়ণ মূলক কাম কৰি গৈছে তাৰ এটা খতিয়ান হিচাবে এখন পুথিত লিপিবদ্ধ কৰিব পাৰিলে সমাজখনৰ বাবে মঙ্গলজনক হব। পাৰিলে তেনে পুথি এখন লিখি উলিওৱাৰ প্ৰয়োজন আছে। ইতিমধ্যে নিজৰ জাতিটোৰ বিষয়ে লিখনিৰ মাজেৰে উপস্থাপন কৰাৰ বাবে মোৰো আছিল এক হেপাহ। এনেবোৰ কাৰণত এই পুথিখন লিখাৰ বাবে ইচ্ছা কৰিলো। সমস্যা জৰ্জড়িত হীৰা সমাজখনক এই পুথিয়ে কিবা অৰিহণা যোগাব পাৰিলে মই নিশ্চয় আনন্দিত হম। সৰ্ব্ব সাধাৰণ লোকে পঢ়িব পৰাকৈ পুথিখন অসমীয়া ভাষাত লিখিলো।

ইং ১৯৯৫ চনৰ মাৰ্চ মাহত অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠানৰ গুৱাহাটীৰ জৱাহৰ নগৰস্থিত প্ৰতিষ্ঠানটোৱে 'CORE PROBLEMS OF THE SCHEDULED CASTES OF ASSAM' নামৰ যিখন পুথি প্ৰকাশ কৰিছিল তাত মই ইংৰাজীত লিখা 'THE HIRA POTTERY OF ASSAM FACING DIFFICULTIES IN IMPROVEMENT AND UPGRADATION' নামৰ প্ৰবন্ধ এটাও প্ৰকাশ পাইছিল। সেই সময়তে উক্ত প্ৰতিষ্ঠানটোৰ এজন সন্মাণীয় গৱেষণা বিষয়াই মোক হীৰা সম্প্ৰদায়টোৰ বিষয়ে পাৰিলে এখন পূৰ্ণাংগ পুথি লিখাৰ বাবে মৌখিক দিহা পৰামৰ্শও দিছিল। কিন্তু নিৰ্দ্ধাৰিত সময়ত মোৰ সেইটো কাম সম্ভৱ হৈ নুঠিল। এইবেলি মই লিখি লোৱা এই পুথিখন প্ৰকাশ কৰাৰ বাবে উক্ত অসম জনজাতি আৰু অনুসূচীত জাতি গৱেষণা প্ৰতিষ্ঠানটোৰ ওচৰ চাপিছো আবেদনকাৰী হিচাবে। ছপা কৰি প্ৰকাশ কৰা কামত চৰকাৰী প্ৰতিষ্ঠানটোৱে সহায় কৰাত সমগ্ৰ হীৰা সম্প্ৰদায়টোও উপকৃত হব বুলি ভাবিলো।

হীৰা সকলৰ প্ৰকৃত ছবিখন ডাঙি ধৰাৰ বাবে বিভিন্ন তথ্য সংগ্ৰহ কৰি এই পুথিত সন্নিৱিষ্ট কৰাৰ হেতু চেষ্টাৰ ত্ৰুটি মই কৰা নাই। কিন্তু অনিচ্ছাকৃত ভাৱে কোনো তথ্যত আসোঁৱাহ থাকি গলে তাৰ শুধৰণীৰ দায়িত্ব অৰ্পণ কৰিলো বিশেষকৈ পঢ়ুৱৈ আৰু হীৰা লোক সকলৰ ওপৰত। আশা কৰো পঢ়ুৱৈ সমাজে পুথিখন সাদৰে গ্ৰহণ কৰিব। সন্নিৱিষ্ট তথ্যবোৰ পাৰ্য্যমাণে শুদ্ধ ভাৱে উপস্থাপন কৰিবলৈ চেষ্টা কৰিছো।

হীৰা সকলৰ ব্যৱসায়টো ভাৰতৰ বিভিন্ন ৰাজ্যত থকা মৃৎ শিল্পৰ ব্যৱসায়ৰ লগত তুলনা কৰি বিশ্লেষণ কৰা হৈছে। তাৰবাবে অন্যান্য ৰাজ্যৰ মৃৎ শিল্পী সম্পৰ্কীয় দুই চাৰিখন পুথিৰ আলমত কিছুমান তথ্য সংগ্ৰহ কৰিব লগা হৈছে। পৃথিৱীত মৃৎ শিল্পৰ বাবে ব্যৱহাৰ্য্য মাটি কোন সময়ত উদ্ধাৰ হৈছিল, কোন দেশে কি মাটি ব্যৱহাৰ কৰে, প্ৰাচীন সভ্যতাত মৃৎ পাত্ৰ আদিৰ উৎপাদন কাৰ্য্যত প্ৰধান পৃষ্ঠপোষক দেশবোৰ কোন ইত্যাদি কথাবোৰ অসমৰ হীৰা মৃৎ শিল্পৰ বিশ্লেষণত প্ৰাসঙ্গিক তথ্য হিচাবে ডাঙি ধৰা হৈছে যাতে হীৰা সকলৰ মৃৎ শিল্পটোক এটা বহল দৃষ্টিভঙ্গীৰে অনুধাৱন কৰিব পাৰি।

অসমৰ জিলা সমূহত হীৰা সকলৰ সমাজ সংস্কাৰ মূলক কাম কাজৰ ক্ষেত্ৰত অতীতত অনেক হীৰা সমাজকৰ্মীয়ে স্থানীয় সামাজিক সংগঠনৰ জড়িয়তে বিভিন্ন ব্যৱস্থাৱলী গ্ৰহণ কৰিছিল। তেওঁলোকে সভা সমিতি আদি অনুষ্ঠিত কৰি হীৰা সমাজৰ বাবে বিভিন্ন প্ৰস্তাৱ অথবা সিদ্ধান্ত গ্ৰহণ কৰি হীৰা লোক সকলৰ মাজত কটকটীয়া বান্ধোনৰ সৃষ্টি কৰি বিপথে পৰিচালিত নহবৰ বাবে যত্নপৰ হৈছিল আৰু সামাজিক ঐক্যতা গঢ়িবলৈ যত্নপৰ হোৱাৰ বাবে অসমৰ উজনি আৰু নামনিৰ সকলো হীৰাক আহ্বান কৰিছিল। গতিকে সেই সকল পুৰণি জাতীয় কৰ্মীক ইমানতে শ্ৰদ্ধাৰে সুঁৱৰিছো। পুৰণি হীৰাসমাজৰ সেই সকল কৰ্মকৰ্ত্তাৰ অনেক লোক বৰ্ত্তমান প্ৰয়াত। তেওঁলোকৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তবোৰৰ মাজত সোমাই আছে জাতীয় একতাৰ গোন্ধ। সমগ্ৰ ৰাজ্যৰ হীৰা সকলৰ উমৈহতীয়া মঞ্চ গঠন কৰাৰ ক্ষেত্ৰত উজনি আৰু নামনি অসমৰ আটাইকেইখন জিলাৰ অৰিহনা আছে বাবে সেই সকল নেতৃস্থানীয় হীৰাৰ প্ৰতি মই সশ্ৰদ্ধা প্ৰণাম জনালো।

"সদৌ অসম হীৰা সন্মিলনী'ৰ আটাইকেইখন জিলাৰ জিলা সমিতিয়ে অসমৰ হীৰা গাওঁবোৰৰ নাম তথ্য সংগ্ৰহ কৰাত মোক সহায় কৰিছে। হীৰা সন্মিলনীৰ কেন্দ্ৰীয় কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ সদস্য আৰু বিষয় ববীয়া সকলেও কিছুমান তথ্যৰ যোগান ধৰাত মই এই পুথিখন লিখাৰ সমল গোটোৱাত সহায়ক হৈছে। সেয়েহে জাতীয় সন্মিলনীৰ এই সকল কৰ্ম কৰ্ত্তাৰ ওচৰতো মই চিৰকৃতজ্ঞ।

যদি পঢ়ুৱৈ সমাজ আৰু অসমৰ হীৰা সম্প্ৰদায়ৰ লোক সকলে এই পুথিখন সাদৰে আকোঁৱালি লয় তেনেহলে মোৰ এই লেখনিৰ শ্ৰমৰ সাৰ্থক হব।

ইতি —
শ্ৰীগুণেশ্বৰ দাস
(লেখক)

স্থায়ী ঠিকনা — গাওঁ ঃ- বৰবাৰী (নখৰা চুপা)
পোঃ অঃ টিহু,
জিলা - নলবাৰী (অসম)
পিন - ৭৮১৩৭১
ফোন নং - ৮৮২২৭৯২৪২৯

# কৃতজ্ঞতা স্বীকাৰ

'অসমৰ হীৰা সম্প্ৰদায়' পুথিখন ছপাই প্ৰকাশ কৰাৰ আগমূহূৰ্ত্তত ইয়াৰ পাণ্ডুলিপিটো গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত চম্পক লাল বৈশ্য দেৱে বিতং ভাবে পৰীক্ষা নিৰীক্ষা কৰি পুথিখনৰ বিষয় বস্তুৰ অংশবিশেষৰ সংশোধনী আৰু শুধৰনীমূলক পৰামৰ্শ দি মোলৈ যি অৰিহণা আগবঢ়ালে তাৰবাবে মই তেখেতৰ ওচৰত চিৰ কৃতজ্ঞ ও ঋণী হৈ থাকিলো।

গুৱাহাটীৰ জৱাহৰ নগৰস্থিত জনজাতি আৰু অনুসূচীত জাতি গৱেষণা প্ৰতিষ্ঠানৰ ভাৰপ্ৰাপ্ত সঞ্চালক মাননীয় শ্ৰীযুত গণেশ চন্দ্ৰ কাকতি মহোদয়ে উক্ত গৱেষণা প্ৰতিষ্ঠানৰ জড়িয়তে চৰকাৰী আৰ্থিক সাহায্যৰে এই পুথিখন প্ৰকাশ কৰি মোক যিমান খিনি উপকৃত কৰিলে, তাতোকৈ বেছি উপকৃত কৰিলে সামাজিক আৰু আৰ্থিক ভাবে দুৰ্ব্বল হীৰা সমাজ খনক। সেয়েহে মই মাননীয় ভাৰপ্ৰাপ্ত সঞ্চালক মহোদয়ৰ ওচৰত মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো। তেখেত মোৰ চিৰ নমস্য হৈ থাকিব।

লগতে গৱেষণা প্ৰতিষ্ঠানৰে সক্ৰিয় কৰ্মী শ্ৰীযুত যোগেন চৌধুৰী ডাঙৰীয়াই যাৱতীয় কাম কাজখিনি সহৃদয়তাৰে কৰি যিকন সহায় কৰিছে তাৰবাবে মই তেখেতলৈও কৃতজ্ঞতা যাঁচিলো।

এখেত সকল মোৰ বাবে চিৰ স্মৰণীয় হৈ ৰব।

ধন্যবাদেৰে
**শ্ৰীগুণেশ্বৰ দাস**
(লেখক)

# সূচীপত্ৰ


বিষয়......... পৃষ্ঠা নং

১। হীৰা সম্প্ৰদায়ৰ পৰিচয় আৰু সামাজিক অৱস্থান ............ ১১
২। হীৰা সকলৰ অৰ্থনৈতিক অৱস্থা ............ ২০
৩। হীৰা সকলৰ বসতি আৰু জনসংখ্যা ............ ২৩
৪। অসমৰ হীৰা সম্প্ৰদায়ৰ গাওঁৰ তথ্য ............ ২৫
৫। কেঁচামাল বোকামাটিৰ ব্যৱহাৰ আৰু মৃৎ শিল্পৰ সূচনাৰ চমু আভাস ............ ২৭
৬। মৃৎ শিল্পত ব্যৱহাৰ যোগ্য বোকামাটিৰ শ্ৰেণী বিভাগ ............ ৩৬
৭। হীৰা সকলৰ মৃৎ শিল্পৰ কেঁচামাল আৰু ইয়াৰ উৎসবোৰ ............ ৪০
৮। মৃৎ শিল্পৰ উৎপাদনৰ প্ৰক্ৰিয়া ............ ৪৪
৯। হীৰা মৃৎ শিল্পত উৎপাদিত সামগ্ৰী সমূহৰ চমু বিৱৰণ ............ ৫২
১০। মৃৎ শিল্পৰ প্ৰাচীন সামগ্ৰীবোৰৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা ............ ৫৯
১১। হীৰা সকলৰ সাম্প্ৰতিক জ্বলন্ত সমস্যাবোৰ ............ ৬৩
১২। হীৰা মৃৎ শিল্পৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰী ভূমিকা ............ ৬৭
১৩। সামাজিক সংগঠন 'সদৌ অসম হীৰা সন্মিলনী'ৰ জন্ম ............ ৭৭
১৪। সামৰণি ............ ৮১


*********

# হীৰা সম্প্ৰদায়ৰ পৰিচয় আৰু সামাজিক অৱস্থান

অসম ৰাজ্যত বসবাস কৰা অনুসূচীত জাতিৰ অন্তৰ্ভূক্ত ১৬ টা সম্প্ৰদায়ৰ ভিতৰত হীৰা সম্প্ৰদায়টো তৃতীয় স্থানত থকা এটা সম্প্ৰদায়। এই সম্প্ৰদায়ৰ লোক সকলৰ প্ৰধান জীৱিকাৰ পথ মৃৎ শিল্প। সেয়েহে হীৰা সকলক 'হীৰা মৃৎ শিল্পী' হিচাবে অভিহিত কৰা হৈছে। বংশ পৰম্পৰাগত ভাবেই হীৰা সকল মৃৎ শিল্পৰ লগত জড়িত। কিন্তু মৃৎ শিল্পী হলেও এওঁলোকে মৃন্ময় মূৰ্ত্তি তৈয়াৰ কৰা কাম নকৰে। দৈনন্দিন জীৱনত সৰ্ব্ব সাধাৰণ লোকে ব্যৱহাৰ কৰা বিভিন্ন পাত্ৰ আৰু শিশু সকলৰ বাবে প্ৰয়োজনীয় খেলৰ সামগ্ৰী আদিহে এওঁলোকে হীৰা মাটিৰে উৎপাদন কৰে। সামাজিক ক্ষেত্ৰত অসমৰ হীৰা সকলৰ ভাৰতৰ অন্যান্য মৃৎ শিল্পী সকলৰ লগত কেনে সম্পৰ্ক আছে তাক চমুকৈ উল্লেখ কৰিব খুজিছো। ভাৰতৰ অন্যান্য মৃৎ শিল্পী সকলৰ সমাজ ব্যৱস্থা কেনে ধৰণৰ, ইয়াকে জানিবলৈ ভাৰতৰ কেইখন মান ৰাজ্যলৈ গৈ ব্যক্তিগত ভাৱে ঘূৰি পকি পৰ্য্যবেক্ষণ কৰি যি দেখিছো তাৰ চমু আভাস এনে ধৰণৰ —

সামগ্ৰিক ভাৱে ভাৰতৰ মাটিৰ পাত্ৰ তৈয়াৰ কৰা লোক সকলক সাধাৰণ ভাষাত কুমাৰ বা কুম্ভাৰ বোলা হয়। মূল সংস্কৃত শব্দ 'কুম্ভ'ৰ অৰ্থ হল ভাণ্ড বা পাত্ৰ। সেয়েহে পাত্ৰ তৈয়াৰ কৰা লোক সকলেই হ'ল কুম্ভকাৰ। বেছিভাগ ৰাজ্যত এই শিল্পী সকলক কুম্ভকাৰ বা কুমাৰ বোলা হয়। অৱশ্যে ৰাজ্য ভেদে এই শব্দৰ অলপ অপভ্ৰংশ হৈ বেলেগ বেলেগে নামাকৰণ হৈছে এই মৃৎ শিল্পী সকলৰ। অসমতো কুমাৰ সম্প্ৰদায় আছে। কিন্তু হীৰা সম্প্ৰদায়টো কুমাৰ সকলতকৈ এটা পৃথক সম্প্ৰদায়। আপাত দৃষ্টিত হীৰা আৰু কুমাৰ সকলৰ কৰ্ম বা ব্যৱসায় যদিও একে, হীৰা সম্প্ৰদায়টো হীৰা দেৱীৰ বংশৰ পৰা উৎপত্তি হোৱা আৰু হীৰা মাটি নামৰ এক বিশেষ গুণ সম্পন্ন মাটি ব্যৱহাৰ কৰা সম্প্ৰদায়। অসমত হীৰা সম্প্ৰদায়টোৱে কুমাৰ সকলতকৈ বিশেষ বৈশিষ্ট্য পূৰ্ণ স্থান দখল কৰি আছে।

পশ্চিমবঙ্গত মৃত্তিকা শিল্পী সকলক কুমাৰ বুলিয়েই মতা হয়। দক্ষিণ ভাৰতৰ তামিল সকলে মৃৎ শিল্পী সকলক কুশৱাণ বুলি কয়। তেনেদৰে মালয়ালম সকলে কুয়াৰৱাণ, কাণাড়ী সকলে, কুম্বাৰা, তুলু সকলে কুশেভ আৰু তেলেগু সকলে কুম্মাৰা বুলি অভিহিত কৰে মৃৎ শিল্পী সকলক। উল্লেখ্য যে উক্ত সকলোবোৰ সম্প্ৰদায় হিন্দু ধৰ্মৰ। কিন্তু এওঁলোকৰ সামাজিক স্থান নিম্ন স্তৰৰ। সাধাৰণ শুদ্ৰৰ শ্ৰেণীত মৃৎ শিল্পী সকল অন্তৰ্ভূক্ত। কিন্তু ৰাজ্য ভেদে আকৌ এই সম্প্ৰদায়বোৰৰ মাজতো উচ্চ-নীচ সম্প্ৰদায় আছে। অৰ্থাৎ মৃৎ শিল্পী সকলৰ সামাজিক স্থান ভিন

ভিন্ন। কোনো এখন ৰাজ্যত যদি এওঁলোকক সাধাৰণ শুদ্ৰ বুলি গণ্য কৰা হয়, আন ৰাজ্যত আকৌ এওঁলোকক নীচতম হিচাবে বিবেচনা কৰা হয়। বিহাৰ আৰু অসমত এই সকল মৃৎ শিল্পী সম্প্ৰদায়ৰ সামাজিক স্থান অতি নিম্ন। বিহাৰ ৰাজ্যৰ টুৰ্কাহা আৰু অসমৰ হীৰা সম্প্ৰদায়টো অতি নীচ শ্ৰেণীৰ সম্প্ৰদায় হিচাবে বিবেচিত। কনৌজৰ মৃৎ শিল্পী সকলক গোৱালা আৰু নাপিত সকলৰ সমপৰ্য্যায়ৰ বুলি ধৰা হয়। তেনেদৰে মধ্য প্ৰদেশৰ চাঙ্গাৰিয়া আৰু উৰিষ্যাৰ তেলেগু মৃৎ শিল্পী সকলক চুইপাৰ শ্ৰেণীৰ সমপৰ্য্যায়ৰ বুলি গণ্য কৰা হয়। দক্ষিণ চেন্নাই আৰু কেৰেলাৰ কুশাৱাণ নামৰ মৃৎ শিল্পী সম্প্ৰদায়টোক সাধাৰণ শুদ্ৰ হিচাবে গণ্য কৰা হয়। পঞ্জাৱত মৃৎ শিল্পী সকলক সোণাৰী লোক সকলতকৈ নিম্ন খাপৰ বুলি গণ্য কৰা দেখা যায়।

অসমৰ হীৰালোক সকলক কলিতা, কেওট, কোঁচ ইত্যাদি সম্প্ৰদায়বোৰতকৈ নিম্ন খাপৰ অথবা নীচ সম্প্ৰদায় হিচাবে বিবেচনা কৰা হয়। চৰকাৰী সমীক্ষা মতেই হীৰা সকল নিম্ন পৰ্য্যায়ৰ সম্প্ৰদায় বুলি প্ৰকাশ। The District Gazetteer of Kamrup (B.C. Allen. - 1905) ত উল্লেখ কৰা হৈছিল এইদৰে "নদীয়াল, ডোম, জালিয়া কৈৱৰ্ত্ত, কৈৱৰ্ত্ত, নমঃশুদ্ৰ, চণ্ডাল, হীৰা আৰু বৃত্তিয়াল বণিয়া এই সম্প্ৰদায় কেইটা হিন্দু সমাজত অতি নীচ হিচাবে পৰিগণিত।" ৰাজস্থানৰ গুজৰাট অঞ্চলত বসবাস কৰা পাত্ৰ উৎপাদনকাৰী মৃৎ শিল্পী সকলক নাপিত আৰু ধোবাতকৈ উচ্চ শ্ৰেণীৰ জাতি হিচাবে গণ্য কৰে। হিমাচল প্ৰদেশৰ স্থানীয় মৃৎ শিল্পী সকলে দাবী কৰে যে তেওঁলোক মহাৰ জাতিতকৈ শ্ৰেষ্ঠ। এইদৰে ভাৰতৰ বিভিন্ন প্ৰান্তৰ মৃৎ শিল্পী সকলৰ সামাজিক স্থান ভিন ভিন দেখা যায়।

অসমৰ হীৰা সম্প্ৰদায়টো সোণাৰী, ধোবা, কৈৱৰ্ত্ত, মেতৰ, মুচী আদি সম্প্ৰদায়ৰ সমপৰ্য্যায়ৰ হিচাবে বিবেচিত। হীৰা সম্প্ৰদায়টোৰ সামাজিক স্থান যিয়েই নহওক পোনতে এওঁলোকৰ পৰিচয়টো জানি লোৱা হওক। হীৰা সম্প্ৰদায়ৰ বংশ পৰিচয় সন্দৰ্ভত কেইটামান কিংবদন্তীৰ উপৰি কেইজনমান বিশিষ্ট পণ্ডিতে লিখি থৈ যোৱা পুথিত সন্নিবিষ্ট বিৱৰণৰ পৰা এওঁলোকৰ বংশ পৰিচয় ভালদৰে জানিব পৰা যায়। পণ্ডিত সকলৰ ভিতৰত ড° অমৃত লাল শৰ্মা আৰু সিদ্ধেশ্বৰ শিৰোমণি প্ৰনিধানযোগ্য। ড° অমৃত লাল শৰ্মাই 'সত্য সন্ধান' নামৰ পুথিখন লিখি তাত হীৰা জাতিৰ বংশ পৰিচয় তথ্য সহকাৰে বৰ্ণনা দিছিল। তাৰোপৰি ১৩৮৩ শকত (১৪৬১ ইং চনত) সিদ্ধেশ্বৰ শিৰোমণিয়ে 'প্ৰাচীন হিন্দু পৰিচয়' নামৰ পুথি এখন ৰচনা কৰিছিল আৰু এই পুথিত হীৰা সকলৰ ইতিহাস বহল ভাৱে বৰ্ণনা কৰিছিল। উক্ত দুয়োজন লেখকৰ লিখনি অনুসৰি অসমৰ হীৰা সম্প্ৰদায়টো হীৰা দেৱী নামৰ



এগৰাকী বিধৱা ব্ৰাহ্মণীৰ পৰা সৃষ্টি হৈছে। গতিকে ওপৰোক্ত দুয়োখন পুথি পঢ়িলে হীৰা সম্প্ৰদায়ৰ ইতিহাস ভালদৰে জানিব পৰি। উল্লেখিত হীৰা সম্প্ৰদায়ৰ ইতিহাসৰ ক্ষেত্ৰত কাৰো দ্বিমত দেখা নাই।

হীৰা সম্প্ৰদায়ৰ বংশধৰ হীৰা দেৱীৰ কাহিনী আছিল এনে ধৰণৰ। প্ৰাচীন কালৰ পৰাই কামৰূপ জিলাৰ মা কামাখ্যা দেৱীৰ মন্দিৰৰ প্ৰতি ভাৰতৰ সকলো লোকৰে আকৰ্ষণ আছিল আৰু এতিয়াও আছে। হিন্দু সকলে প্ৰতিবছৰে এবাৰকৈ হলেও কামাখ্যা দেৱীৰ মন্দিৰ দৰ্শন কৰাটো একোটা পৰম্পৰা। সুদূৰ অতীতত আজি কালিৰ দৰে যাতায়তৰ সুচলতা নাছিল বাবে তীৰ্থযাত্ৰী সকলে ভাৰতৰ বিভিন্ন ঠাইৰ পৰা বহুদিন ধৰি খোজ কাঢ়ি আহিছিল কামৰূপৰ নীলাচল পাহাৰৰ কামাখ্যা ধামলৈ। মাহ ডেৰ মাহ খোজকাঢ়ি হলেও কামাখ্যা মন্দিৰলৈ আহি ভিৰ কৰিছিল অনেক তীৰ্থ যাত্ৰীয়ে। তেনেদৰেই উৰিষ্যা ৰাজ্যৰ পৰা আহিছিল এদল তীৰ্থযাত্ৰী। উৰিষ্যাৰ কটক জিলাৰ হৰিপুৰ গাওঁৰ পৰা অহা এই দলটোৰ লগত আহিছিল এহাল স্বামী স্ত্ৰী। গিৰিয়েক মহেন্দ্ৰ মহাপাত্ৰ আৰু ঘৈণীয়েক হীৰা দেৱী। এওঁলোক আছিল বশিষ্ট গোত্ৰৰ। দুয়ো স্বামী স্ত্ৰীয়ে কামাখ্যা মন্দিৰ দৰ্শন কৰিলে। কিন্তু তেওঁলোকে ঘৰলৈ উলটি নগল। কাৰণ মহেন্দ্ৰ মহাপাত্ৰ ৰোগ জনিত কাৰণত শাৰীৰিক ভাৱে দুৰ্ব্বল আছিল। গতিকে নিজ ৰাজ্যলৈ তেওঁলোকে ঘূৰি নগৈ নীলাচল পাহাৰৰে এচুকত বসবাস কৰি থাকিল। কিছুকাল কটোৱাৰ পিছত তেওঁলোকৰ কাত্যায়ণ মহাপাত্ৰ আৰু গোপাল মহাপাত্ৰ নামৰ দুজন লৰা সন্তান জন্মিল। ইয়াৰ পিছত মহেন্দ্ৰ মহাপাত্ৰ ঢুকাল আৰু হীৰা দেৱী বিধৱা হল। বিধৱা হীৰা দেৱীয়ে ইঘৰে সিঘৰে খুজি মাগি লৰা দুটাক পোহপাল দিব লগা হল। বিধৱা ব্ৰাহ্মণীৰ দিন নাযায় ৰাতি নুপুৱায় অৱস্থা হল। তেওঁ কিছুবছৰ ধৰি নীলাচল পাহাৰৰে ৰতি কান্ত শৰ্মা নামৰ এজন লোকৰ ঘৰত আশ্ৰয় লৈ থাকিছিল। কিন্তু ৰতি শৰ্মাৰ মৃত্যু হোৱাত থকা ঠাইৰ বাবেই হীৰা দেৱীৰ সমস্যা হল। পেটৰ ভাতৰ লগতে থকাৰ বাবে জুপুৰি ঘৰ এটাৰো প্ৰয়োজন হল হীৰা দেৱীৰ। তেওঁৰ মনৰ দুখ কুলাই পাচিয়ে নধৰা হল। খাদ্য আৰু আশ্ৰয়ৰ কথা ভাবি ভাবি এদিন তেওঁ ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ পাণ্ডু ঘাটৰ এটা শিলৰ ওপৰত বহি পৰিল। বহি থাকোতে হঠাতে তেওঁৰ চকুত পৰিল উজ্জ্বল মাটিৰ চপৰা এটা। মাটিৰ চপৰাটো হাতত তুলি লৈ তেওঁ বাসস্থানলৈ উভতি গল। ঘৰত মাটিৰ চপৰাটো ভাঙি মিহি গুড়ি কৰিলে আৰু তাত পানী মিহলাই হাতেৰে পিটিকি পিটিকি চাই গম পালে যে - এই মাটিখিনিৰ গুণ অন্য মাটিৰ তুলনাত বহু বেলেগ। মাটিখিনি অতি আঠায়ুক্ত। কুমাৰ মাটি অথবা অন্য আঠালেতীয়া মাটিতকৈ ই উৎকৃষ্ট। হাতেৰে টিপি টিপি

বোকা কৰি লোৱা মাটিখিনিৰে তেওঁ কেইটামান পাত্ৰ তৈয়াৰ কৰি জুইত পুৰি দেখিলে যে পোৱাৰ পিচত মাটিৰ পাত্ৰ কেইটা অতি কঠিন হৈছে। তাকে দেখি হীৰা দেৱীয়ে পাণ্ডু ঘাটলৈ গৈ সেই ঠাইৰ পৰা আকৌ সেইবিধ মাটি আনি তাৰে বিভিন্ন আকৃতিৰ সামগ্ৰী তৈয়াৰ কৰাৰ কৌশল আয়ত্ব কৰিলে। নিয়মিত ভাৱে এনেকৈ মাটিৰ বাচন বৰ্ত্তন তৈয়াৰ কৰি জুইত পুৰি সেইবোৰ ওচৰৰ নগৰ চহৰত বিক্ৰী কৰি ধন ঘটিবলৈ ধৰিলে। সেয়েহে এই কামটোকে হীৰা দেৱীয়ে জীৱিকাৰ পথ হিচাবে বাচি ললে। ব্ৰহ্মপুত্ৰ নৈৰ দাঁতিত পোৱা এইবিধ বিশেষ আঠাযুক্ত আৰু গুণ সম্পন্ন মাটি হীৰা দেৱীৰ নামানুসৰি 'হীৰা মাটি' হল।

হাতেৰে মাটিৰ বাচন বৰ্ত্তন তৈয়াৰ কৰা কামটো হীৰা দেৱীয়ে নিজৰ লৰা দুটাকো শিকালে আৰু লৰা দুটাইও একাগ্ৰতাৰে এই কামটো জীৱিকাৰ পথ হিচাবে বাচি ললে। নীলাচল পাহাৰত হীৰাদেৱীৰ পৰিয়ালটো 'হীৰা' হিচাবে পৰিচিত হৈ পৰিল। হীৰাদেৱীৰ মৃত্যুৰ পিছতো তেওঁৰ লৰা দুজনে এই ব্যৱসায়কে কৰি থাকিল। কিন্তু লৰা দুটাক নীলাচল পাহাৰৰ ব্ৰাহ্মণৰ সমাজ খনে ব্ৰাহ্মণ হিচাবে স্বীকৃতি নিদিলে। ইয়াৰ কাৰণ হল - (১) ব্ৰাহ্মণ কুলৰ লোক হলেও তেওঁলোকে মাটিৰ বাচন তৈয়াৰ কৰি জীৱিকা নিৰ্ব্বাহ কৰাৰ বাবে হিন্দু ধৰ্মৰ মতে তেওঁলোকৰ জাতিস্খলন হৈছিল। (২) দৰিদ্ৰতাৰ কবলত পৰি মহাপাত্ৰ পৰিয়ালটোৰ দুয়ো ভাই ককাইয়ে বৈদিক ৰীতি অনুসৰি পিন্ধিব লগা লগুণ পিন্ধিব নোৱাৰিলে। (৩) আন এটা অথন্তৰ মিলিছিল কাত্যায়ণ আৰু গোপালৰ। নীলাচল পাহাৰৰ বাসিন্দা কৃষ্ণ কান্ত শৰ্মা নামৰ এজন লোকৰ ছোৱালী পাৰ্ব্বতী দেৱীক কাত্যায়ণে প্ৰেমত পৰি বিয়া কৰাইছিল। কিন্তু সেইখন বিয়াক ব্ৰাহ্মণ সমাজ খনে সামাজিক বিয়া হিচাবে মানি নললে। অকল সেয়াই নহয়, নীলাচল পাহাৰৰ সেই সমাজ খনে তেওঁলোকক অকথ্য ভাষাৰে গালি শপণি পাৰি নিন্দা আৰু ঘৃণাৰ চকুৰে চাব ধৰা হল। দুয়ো ভাই ককাইয়ে সমাজৰ পৰা আঁতৰত থাকি বসবাস কৰাৰ উদ্দেশ্যে নীলাচল পাহাৰ পৰিত্যাগ কৰি অন্য ঠাইলৈ গুচি যাবলৈ বাধ্য হল।

ডাঙৰ ভাই কাত্যায়নে নিজৰ স্ত্ৰী আৰু ভায়েকক লগত লৈ গোৱালপাৰা জিলাৰ বহতি নৈৰ পাৰৰ এখন ঠাইত স্থায়ী ভাবে বসবাস কৰিবলৈ ললে। বহতিত পাৰ্ব্বতীৰ গৰ্ভত কাত্যায়ণ মহাপাত্ৰৰ পাচ জন লৰা আৰু এজনী ছোৱালীৰ জন্ম হয়। লৰা কেইটাৰ নাম আছিল — ৰঘুপতি, জয়হৰি, হৰিহৰ, দীনবন্ধু আৰু কমলহৰি। ছোৱালী জনীৰ নাম আছিল নীতি দেৱী। এওঁলোকৰ বিয়া বাৰু হৈ যোৱাৰ পিছত যিবোৰ সতি সন্ততি জন্ম পাইছিল, সেই সকলৰ পৰা পুনৰ বংশ বৃদ্ধি হৈ অসমৰ হীৰা সম্প্ৰদায়টো সৃষ্টি হোৱা বুলি উল্লেখিত পণ্ডিত সকলে মত



ডাঙি ধৰে। এনেকি এই প্ৰবাদটোক সমগ্ৰ অসমৰ হীৰা লোক সকলে বিনা দ্বিধাই মানি লৈছে।

হীৰা সকলে অতীতৰ পৰাই হীৰা মাটিৰ বাচন বৰ্ত্তন তৈয়াৰ কৰি নিজৰ জীৱিকা চলাই অহাৰ লগতে অসমত এটা থলুৱা কৃষ্টি ৰক্ষা কৰি আহিছে। অসমৰ প্ৰাচীন সভ্যতাৰ চানেকি হিচাবে খনন কাৰ্য্যত উদ্ধাৰ হোৱা মাটিৰ সামগ্ৰীবোৰে হীৰা মৃৎ শিল্পী সকলৰ শিল্প কৌশলৰো নমুনা ডাঙি ধৰে। কুমাৰ ভাস্কৰ বৰ্মাৰ পৰা আদি কৰি পৰৱৰ্ত্তী ৰজা মহাৰজা সকলৰ ৰাজত্ব কালত যিমানবোৰ মৃৎ শিল্পৰ উৎপাদন ব্যৱহাৰ কৰা হৈছিল সেইবোৰ সাম্প্ৰতিক খনন কাৰ্য্যতো উদ্ধাৰ হৈ আছে।

বৃত্তিগত হিচাবে হীৰা সকলে উপাধিও 'হীৰা' লিখিছিল অতীত কালত। তাৰ পিছত বহু বছৰ ধৰি বহুত হীৰা লোকে নামনি অসমত কুমাৰ উপাধিও লিখিছিল। কিন্তু কালক্ৰমত হীৰা সকলৰ বহুতে অন্যান্য উপাধি লিখিবলৈ ধৰিলে। গতিকে সম্প্ৰতি হীৰা সম্প্ৰদায়ৰ লোক সকলৰ মাজত হীৰা, কুমাৰ, পাঠক, দলৈ, বৰা, ভঁৰালী, ঠাকুৰীয়া, মেধি, হাজৰিকা, নায়ক, দাস আৰু কাকতি উপাধিৰো প্ৰচলন হৈছে। তাৰোপৰি গায়ণ, বায়ণ, ওস্তাদ আদি উপাধিও কিছুমাণে লিখে। চৰকাৰী চাকৰি আদিত নিয়োজিত হীৰা লোকে গাওঁবুঢ়া আদি উপাধিও লিখিবলৈ লৈছে। নাম গোৱা পাঠক দলত থকা হীৰা এজনে পাঠক উপাধিৰে বিভূষিত হয়। কিন্তু তাৰপিছত তেওঁলোকৰ সতি সন্ততি সকলেও সেই পাঠক উপাধিকে লিখিবলৈ ধৰে। এনেদৰে বৰ্ত্তমানে হীৰা সম্প্ৰদায়ৰ লোকৰ উপাধি বিভিন্ন হৈ পৰিল আৰু উপাধিৰে বহু হীৰা লোকক হীৰা বুলি চিনিব নোৱাৰা হৈছে। বৈদিক আৰ্য্য সমাজে সমাজ বা ৰাষ্ট্ৰৰ কামকাজবোৰ সুপৰিকল্পিত ভাৱে পৰিচালনা কৰাৰ স্বাৰ্থত যদিও ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শুদ্ৰ হিচাবে ৪ টা শ্ৰেণীতহে জনসাধাৰণক বিভক্ত কৰিছিল সমাজ ব্যৱস্থাৰ বাবে, পৰৱৰ্ত্তী পৰ্য্যায়ত শুদ্ৰ সকলৰ মাজতে আকৌ ডাঙৰ জাতি সৰু জাতি হিচাবে বহু কেইটা শ্ৰেণীৰ সৃষ্টি হল। ফলস্বৰূপে হিন্দু সকলৰ মাজত কেইটামান সম্প্ৰদায়ৰ লোকক নীচ শ্ৰেণী বা কুলৰ বুলি উচ্চ বৰ্ণৰ লোক সকলে ঘিণ কৰা হল। হীৰা সকলো এই নীচ কুলৰ বুলি বিবেচিত হল আৰু সামাজিক ক্ষেত্ৰত বিভিন্ন ধৰণে বাচ বিচাৰ মানি চলিব লগা হল এই সম্প্ৰদায়টোৰে। উচ্চ বৰ্ণ বা শ্ৰেণীৰ লোক সকলে হীৰা সকলৰ লগত সমাজত একেলগে নবহে, হীৰাৰ লগত একে স্কুলত নপঢ়ে, হীৰাৰ হাতে একো খোৱা বস্তু গ্ৰহণ নকৰে আৰু সামাজিক, অৰ্থনৈতিক বা ধৰ্মীয় উৎসৱ আদিত এই সম্প্ৰদায়ৰ লোকক সদায় অৱহেলা আৰু ঘৃণাৰ চকুৰে চোৱা হল। সেয়েহে সকলো ক্ষেত্ৰত হীৰা সকল

বহুগুণে পিছ পৰি থাকিল।

১৮৭২ ইং চনৰ পৰা অসমত চৰকাৰী কাৰ্য্যালয়ত জাতিগত তথ্য বোৰ ৰেকৰ্ড হবলৈ ধৰিলে। উচ্চতা আৰু নীচতাৰ ভিত্তিত হোৱা সামাজিক ৰেকৰ্ডত অসমৰ উচ্চ আৰু নীচ সম্প্ৰদায়বোৰ চিনাক্ত হব ধৰিলে। সেই ৰেকৰ্ড অনুসৰি প্ৰমাণ পোৱা গৈছে যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ হিন্দু সমাজত থকা বৃত্তিয়াল বণিয়া, কৈৱৰ্ত্ত, নমঃশুদ্ৰ আৰু হীৰা সম্প্ৰদায়ৰ লোকক উচ্চ বৰ্ণৰ হিন্দুৱে ঘিণ কৰে। তেনেদৰে সুৰমা উপত্যকাতো পাত্নী, মালী, সূত্ৰধৰ আৰু নমঃশুদ্ৰ সকলক উচ্চ বৰ্ণৰ হিন্দুৱে নীচ বুলি গণ্য কৰে। District Gazetteer of Kamrup (B.C. Allen-1905) ত উল্লেখ কৰা আছে যে নদীয়াল, ডোম, কৈৱৰ্ত্ত, জালিয়া, নমঃশুদ্ৰ, চণ্ডাল, হীৰা আৰু বৃত্তিয়াল বণিয়াক তেওঁলোকে কৰা নিম্ন খাপৰ বা লেতেৰা বৃত্তি কৰাৰ বাবে নীচ বুলি গণ্য কৰা হয়। কিন্তু কবলৈ গলে হিন্দু বৰ্ণ বিভাজনেহে তেওঁলোকক এনেবোৰ কাম কৰিবলৈ বাধ্য কৰাইছে। ১৮৩৫ ইং চনৰ আগলৈ হীৰা সম্প্ৰদায়ৰ ছাত্ৰ ছাত্ৰীয়ে স্কুলত নামভৰ্ত্তি কৰাটোও নিষেধ আছিল।

১৯৩১ ইং চনৰ লোকপিয়লৰ সময়ৰ Census Superintandent C.S. Mullan ICS মহোদয়ে এই নিম্ন খাপৰ সম্প্ৰদায় কেইটাক 'Hindu Exterior Castes' অৰ্থাৎ হিন্দুৰ বহিৰ্ভূত জাতি বুলি অভিহিত কৰিছে। অন্য অৰ্থত স্বাধীনতা লাভৰ আগতে এই সম্প্ৰদায়বোৰক হিন্দু বুলি বিবেচনা কৰা নাছিল। এনেবোৰ জাতিগত চৰকাৰী বৈষম্যতাৰ ফলস্বৰূপেই এনেকি স্বাধীনতাৰ পিছতো হীৰা সকল আজিও চৰম অৱহেলিত আৰু ঘৃণীত হৈছে গোড়া উচ্চ বৰ্ণৰ লোকৰ দ্বাৰা। সামাজিক আৰু ধৰ্মীয় ক্ষেত্ৰত হীৰা সকল আজিও অস্পৃশ্য বা নীচ জাতি হৈয়েই থাকিল। তাৰ প্ৰভাৱ পৰিল এওঁলোকৰ অৰ্থনীতিতো।

হিন্দু উচ্চবৰ্ণৰ বুদ্ধিমান, শিক্ষিত আৰু বলৱান সকলে শিক্ষা আৰু জ্ঞানক একচেতীয়া কৰি লৈ ধৰ্মৰ নামত 'অস্পৃশ্যতা' শব্দটো সোমাই দি হীৰা সম্প্ৰদায় আৰু অন্যান্য অনুসূচীত সম্প্ৰদায়বোৰক ধৰ্মসুখ, শিক্ষাসুখ, সমাজ সঙ্গ সুখ আৰু সম্পদ সুখ আদিৰ পৰা বঞ্চিত কৰি থাকিল যুগ যুগ ধৰি।

ভাৰতবৰ্ষত থকা অতি নিম্ন খাপৰ ৪০০ টা সম্প্ৰদায়ৰ ভিতৰত হীৰা সম্প্ৰদায়ও এটা। হিন্দুৰ মঠ মন্দিৰত হীৰা সকলে যিহেতু প্ৰৱেশৰ অধিকাৰ নাপায় সিহেতু এওঁলোকে নিজ সম্প্ৰদায়ৰ কিছুমান পৰিয়াল লগ লাগি পৃথক ভাবে গাওঁ পাতি বসবাস কৰিবলৈ ললে আৰু হীৰা সমাজৰ বাবে পৃথক নামঘৰ আদি স্থাপন কৰি দেৱ দেৱীৰ পূজা অৰ্চ্চনা কৰিবলৈ ধৰিলে বহু যুগ আগৰ পৰাই। গতিকে হীৰা সম্প্ৰদায়ৰ লোক সকলক অসমৰ বিভিন্ন জিলাৰ চুকে কোণে গাওঁ আৰু



চুবুৰী পাতি থকা দেখা যায়।

অসম আৰু ইয়াৰ চুবুৰীয়া ৰাজ্য কেইখনত সৰ্ব্বমুঠ ১০ টা প্ৰধান জনগোষ্ঠী আছে। যেনে — অষ্ট এচিয়াটিক, বড়ো, দ্ৰাবিড়, ইন্দো বাৰ্মী, ইন্দো তিব্বতীয়, কুকি-লুচাই আৰু মৈথী, চীনকুকি, নগাকুকি, শ্বাণটাই আৰু ইন্দো আৰ্য্য। ইন্দো আৰ্য্য নামৰ প্ৰধান জনগোষ্ঠীটোৰ মাজত ব্ৰাহ্মণ, কায়স্থ, গণক, কলিতা, হীৰা, কুমাৰ আৰু নাপিত সকল অন্তৰ্ভুক্ত। গতিকে হীৰা সকল ইন্দো আৰ্য্য। পোচাক পৰিচ্ছদ, খাদ্যাভ্যাস, কলা কৃষ্টি, সামাজিকতা আৰু ভাষাৰ ক্ষেত্ৰত হীৰা সকলে ইন্দো আৰ্য্যৰ বৈশিষ্ট্য ডাঙি ধৰে। (প্ৰসঙ্গ পুথি - উৎপল শইকীয়া ৰচিত 'উত্তৰ-পূৱ ভাৰতৰ সমাজ')।

হীৰা সকলৰ পূজা অৰ্চ্চনা আৰু মৃতকৰ সকাম আদিত উচ্চ বৰ্ণৰ পুৰোহিত সকলে অংশ গ্ৰহণ নকৰে। এই ৰীতি অতীতৰ পৰা আজি পৰ্য্যন্ত চলি আহিছে। যি সকল পুৰোহিতে হীৰাৰ পূজা পাৰ্ব্বন বা সকামত সহযোগ কৰে সেই সকল পুৰোহিতৰ হাতে পাগে উচ্চ বৰ্ণৰ পুৰোহিতে আহাৰ গ্ৰহণ নকৰে। গতিকে হীৰা সমাজৰ বাবে সুকীয়া পুৰোহিত আছে। এই সকল হীৰাৰ পুৰোহিতে সদা সৰ্ব্বদা হীৰা সমাজৰ লগতে সম্পৰ্ক ৰাখি চলে। হীৰাৰ পুৰোহিত সকল হীৰা সমাজৰ সুখ দুখৰ সমভাগী। হীৰা সমাজৰ সামগ্ৰিক উন্নয়ণৰ কাম কাজতো এই সকল পুৰোহিত সদায় জড়িত হৈ থাকে। এনেকি হীৰা ৰাইজৰ সভা সমিতি, অনুষ্ঠান প্ৰতিষ্ঠান আদিতো হীৰাৰ পুৰোহিত সকলে অংশ গ্ৰহণ কৰে আৰু বিভিন্ন সুপৰামৰ্শ দিয়ে।

হীৰাৰ পুৰোহিতৰ সংখ্যা নিচেই কম। কেবাখন হীৰা গাওঁৰ মাজত একোজন নিৰ্দ্ধাৰিত পুৰোহিত থাকে। এই সকল পুৰোহিতে নিজৰ পৰিয়ালৰ ভৰণ পোষণৰ বাবে হীৰা সমাজবোৰৰ ওপৰতে নিৰ্ভৰশীল হব লগা হয় উপাৰ্জনৰ বাবে। সেয়েহে অতীতৰ পৰাই এটা নিয়ম হীৰা সকলে পালন কৰা দেখা যায়। হীৰা সকলে নিজৰ পুৰোহিত জনক বছৰেকত অন্ততঃ এবাৰকৈ দেখা সাক্ষাৎ কৰি নিজৰ সামৰ্থ্য অনুসৰি দুই এপদ বস্ত্ৰ আৰু অৰ্থ দান কৰে। তাৰবাবে পুৰোহিত সকলেও ৬ মাহ বা বছৰৰ মূৰত হীৰা গাওঁ সমূহত ফুৰিবলৈ যায় আৰু হীৰা সকলক দৰ্শন দিয়ে। ইয়াক 'শিষ্য ফুৰা' বুলি কোৱা হয়। শিষ্য সকলৰ ঘৰত দেখা দিলে পুৰোহিত জনক দেৱতা জ্ঞান কৰা হয়। পুৰোহিতে শিষ্য ফুৰিলে শিষ্য সকলৰ কিছুমানে তেওঁক আহাৰ গ্ৰহণ কৰায়। তাৰবাবে পুৰোহিতে নিজে ৰন্ধা বঢ়া কৰে আৰু সেই পাগৰ ভাত শিষ্য সকলে খাই বৰ সুখ পায়।

অনুন্নত শ্ৰেণীৰ হীৰা সমাজখনৰ উমৈহতীয়া সমস্যাবোৰৰ সমাধান কল্পে

বহুগুণে পিছ পৰি থাকিল।

১৮৭২ ইং চনৰ পৰা অসমত চৰকাৰী কাৰ্য্যালয়ত জাতিগত তথ্য বোৰ ৰেকৰ্ড হবলৈ ধৰিলে। উচ্চতা আৰু নীচতাৰ ভিত্তিত হোৱা সামাজিক ৰেকৰ্ডত অসমৰ উচ্চ আৰু নীচ সম্প্ৰদায়বোৰ চিনাক্ত হব ধৰিলে। সেই ৰেকৰ্ড অনুসৰি প্ৰমাণ পোৱা গৈছে যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ হিন্দু সমাজত থকা বৃত্তিয়াল বণিয়া, কৈৱৰ্ত্ত, নমঃশুদ্ৰ আৰু হীৰা সম্প্ৰদায়ৰ লোকক উচ্চ বৰ্ণৰ হিন্দুৱে ঘিণ কৰে। তেনেদৰে সুৰমা উপত্যকাতো পাত্নী, মালী, সূত্ৰধৰ আৰু নমঃশুদ্ৰ সকলক উচ্চ বৰ্ণৰ হিন্দুৱে নীচ বুলি গণ্য কৰে। District Gazetteer of Kamrup (B.C. Allen-1905) ত উল্লেখ কৰা আছে যে নদীয়াল, ডোম, কৈৱৰ্ত্ত, জালিয়া, নমঃশুদ্ৰ, চণ্ডাল, হীৰা আৰু বৃত্তিয়াল বণিয়াক তেওঁলোকে কৰা নিম্ন খাপৰ বা লেতেৰা বৃত্তি কৰাৰ বাবে নীচ বুলি গণ্য কৰা হয়। কিন্তু কবলৈ গলে হিন্দু বৰ্ণ বিভাজনেহে তেওঁলোকক এনেবোৰ কাম কৰিবলৈ বাধ্য কৰাইছে। ১৮৩৫ ইং চনৰ আগলৈ হীৰা সম্প্ৰদায়ৰ ছাত্ৰ ছাত্ৰীয়ে স্কুলত নামভৰ্ত্তি কৰাটোও নিষেধ আছিল।

১৯৩১ ইং চনৰ লোকপিয়লৰ সময়ৰ Census Superintandent C.S. Mullan ICS মহোদয়ে এই নিম্ন খাপৰ সম্প্ৰদায় কেইটাক 'Hindu Exterior Castes' অৰ্থাৎ হিন্দুৰ বহিৰ্ভূত জাতি বুলি অভিহিত কৰিছে। অন্য অৰ্থত স্বাধীনতা লাভৰ আগতে এই সম্প্ৰদায়বোৰক হিন্দু বুলি বিবেচনা কৰা নাছিল। এনেবোৰ জাতিগত চৰকাৰী বৈষম্যতাৰ ফলস্বৰূপেই এনেকি স্বাধীনতাৰ পিছতো হীৰা সকল আজিও চৰম অৱহেলিত আৰু ঘৃণীত হৈছে গোড়া উচ্চ বৰ্ণৰ লোকৰ দ্বাৰা। সামাজিক আৰু ধৰ্মীয় ক্ষেত্ৰত হীৰা সকল আজিও অস্পৃশ্য বা নীচ জাতি হৈয়েই থাকিল। তাৰ প্ৰভাৱ পৰিল এওঁলোকৰ অৰ্থনীতিতো।

হিন্দু উচ্চবৰ্ণৰ বুদ্ধিমান, শিক্ষিত আৰু বলৱান সকলে শিক্ষা আৰু জ্ঞানক একচেতীয়া কৰি লৈ ধৰ্মৰ নামত 'অস্পৃশ্যতা' শব্দটো সোমাই দি হীৰা সম্প্ৰদায় আৰু অন্যান্য অনুসূচীত সম্প্ৰদায়বোৰক ধৰ্মসুখ, শিক্ষাসুখ, সমাজ সঙ্গ সুখ আৰু সম্পদ সুখ আদিৰ পৰা বঞ্চিত কৰি থাকিল যুগ যুগ ধৰি।

ভাৰতবৰ্ষত থকা অতি নিম্ন খাপৰ ৪০০ টা সম্প্ৰদায়ৰ ভিতৰত হীৰা সম্প্ৰদায়ও এটা। হিন্দুৰ মঠ মন্দিৰত হীৰা সকলে যিহেতু প্ৰৱেশৰ অধিকাৰ নাপায় সিহেতু এওঁলোকে নিজ সম্প্ৰদায়ৰ কিছুমান পৰিয়াল লগ লাগি পৃথক ভাবে গাওঁ পাতি বসবাস কৰিবলৈ ললে আৰু হীৰা সমাজৰ বাবে পৃথক নামঘৰ আদি স্থাপন কৰি দেৱ দেৱীৰ পূজা অৰ্চ্চনা কৰিবলৈ ধৰিলে বহু যুগ আগৰ পৰাই। গতিকে হীৰা সম্প্ৰদায়ৰ লোক সকলক অসমৰ বিভিন্ন জিলাৰ চুকে কোণে গাওঁ আৰু



চুবুৰী পাতি থকা দেখা যায়।

অসম আৰু ইয়াৰ চুবুৰীয়া ৰাজ্য কেইখনত সৰ্ব্বমুঠ ১০ টা প্ৰধান জনগোষ্ঠী আছে। যেনে — অষ্ট্ৰ এচিয়াটিক, বড়ো, দ্ৰাবিড়, ইন্দো বাৰ্মী, ইন্দো তিব্বতীয়, কুকি-লুচাই আৰু মৈথী, চীনকুকি, নগাকুকি, শ্বাণটাই আৰু ইন্দো আৰ্য্য। ইন্দো আৰ্য্য নামৰ প্ৰধান জনগোষ্ঠীটোৰ মাজত ব্ৰাহ্মণ, কায়স্থ, গণক, কলিতা, হীৰা, কুমাৰ আৰু নাপিত সকল অন্তৰ্ভুক্ত। গতিকে হীৰা সকল ইন্দো আৰ্য্য। পোচাক পৰিচ্ছদ, খাদ্যাভ্যাস, কলা কৃষ্টি, সামাজিকতা আৰু ভাষাৰ ক্ষেত্ৰত হীৰা সকলে ইন্দো আৰ্য্যৰ বৈশিষ্ট্য ডাঙি ধৰে। (প্ৰসঙ্গ পুথি - উৎপল শইকীয়া ৰচিত 'উত্তৰ-পূৱ ভাৰতৰ সমাজ')।

হীৰা সকলৰ পূজা অৰ্চ্চনা আৰু মৃতকৰ সকাম আদিত উচ্চ বৰ্ণৰ পুৰোহিত সকলে অংশ গ্ৰহণ নকৰে। এই ৰীতি অতীতৰ পৰা আজি পৰ্য্যন্ত চলি আহিছে। যি সকল পুৰোহিতে হীৰাৰ পূজা পাৰ্ব্বন বা সকামত সহযোগ কৰে সেই সকল পুৰোহিতৰ হাতে পাগে উচ্চ বৰ্ণৰ পুৰোহিতে আহাৰ গ্ৰহণ নকৰে। গতিকে হীৰা সমাজৰ বাবে সুকীয়া পুৰোহিত আছে। এই সকল হীৰাৰ পুৰোহিতে সদা সৰ্ব্বদা হীৰা সমাজৰ লগতে সম্পৰ্ক ৰাখি চলে। হীৰাৰ পুৰোহিত সকল হীৰা সমাজৰ সুখ দুখৰ সমভাগী। হীৰা সমাজৰ সামগ্ৰিক উন্নয়ণৰ কাম কাজতো এই সকল পুৰোহিত সদায় জড়িত হৈ থাকে। এনেকি হীৰা ৰাইজৰ সভা সমিতি, অনুষ্ঠান প্ৰতিষ্ঠান আদিতো হীৰাৰ পুৰোহিত সকলে অংশ গ্ৰহণ কৰে আৰু বিভিন্ন সুপৰামৰ্শ দিয়ে।

হীৰাৰ পুৰোহিতৰ সংখ্যা নিচেই কম। কেবাখন হীৰা গাওঁৰ মাজত একোজন নিৰ্দ্ধাৰিত পুৰোহিত থাকে। এই সকল পুৰোহিতে নিজৰ পৰিয়ালৰ ভৰণ পোষণৰ বাবে হীৰা সমাজবোৰৰ ওপৰতে নিৰ্ভৰশীল হব লগা হয় উপাৰ্জনৰ বাবে। সেয়েহে অতীতৰ পৰাই এটা নিয়ম হীৰা সকলে পালন কৰা দেখা যায়। হীৰা সকলে নিজৰ পুৰোহিত জনক বছৰেকত অন্ততঃ এবাৰকৈ দেখা সাক্ষাৎ কৰি নিজৰ সামৰ্থ্য অনুসৰি দুই এপদ বস্ত্ৰ আৰু অৰ্থ দান কৰে। তাৰবাবে পুৰোহিত সকলেও ৬ মাহ বা বছৰৰ মূৰত হীৰা গাওঁ সমূহত ফুৰিবলৈ যায় আৰু হীৰা সকলক দৰ্শন দিয়ে। ইয়াক 'শিষ্য ফুৰা' বুলি কোৱা হয়। শিষ্য সকলৰ ঘৰত দেখা দিলে পুৰোহিত জনক দেৱতা জ্ঞান কৰা হয়। পুৰোহিতে শিষ্য ফুৰিলে শিষ্য সকলৰ কিছুমানে তেওঁক আহাৰ গ্ৰহণ কৰায়। তাৰবাবে পুৰোহিতে নিজে ৰন্ধা বঢ়া কৰে আৰু সেই পাগৰ ভাত শিষ্য সকলে খাই বৰ সুখ পায়।

অনুন্নত শ্ৰেণীৰ হীৰা সমাজখনৰ উমৈহতীয়া সমস্যাবোৰৰ সমাধান কল্পে

যিবোৰ ৰাইজ মেল বহে বা সভা সমিতি বহে সেইবোৰতো পুৰোহিতে উপস্থিত থাকি নানা দিহা পৰামৰ্শ দিয়া দেখা যায়। হীৰা সমাজৰ বিভিন্ন সমিতিত এই সকল পুৰোহিতকো সভ্য হিচাবে অন্তৰ্ভুক্ত কৰা হয়। এনেদৰে হীৰা সমাজৰ লগত জড়িত হৈ থাকি পুৰোহিত সকলেও সুখ অনুভৱ কৰে।

হীৰা সম্প্ৰদায়ৰ লৰা বা ছোৱালীৰ বিয়া বাৰু পাতিলে এই বিয়া সম্পূৰ্ণ বৈদিক পদ্ধতিৰে হোৱা নিয়ম আৰু স্বজাতিৰ পুৰোহিতেই এই বিয়াত পুৰোহিতালি কৰে। হীৰাই বৈবাহিক সম্বন্ধ স্থাপন কৰে সাধাৰণতে হীৰা আৰু নমঃশুদ্ৰ (চৰাল) সম্প্ৰদায়ৰ লোকৰ লগত। অতীতত এই নিয়ম বাহাল আছিল যদিও বৰ্ত্তমানে বৈবাহিক সম্বন্ধৰ ক্ষেত্ৰত জাতি বা সম্প্ৰদায়ৰ বাধা বাধকতা নোহোৱা হৈ পৰিছে। কিন্তু এইক্ষেত্ৰত এটা কথা ইয়াত উল্লেখ কৰিব লগা হয় যে — কুমাৰ সম্প্ৰদায়ৰ লৰা ছোৱালীৰ লগত হীৰাৰ লৰা ছোৱালীৰ বিয়া বাৰু নহয়। ইয়াৰ কাৰণ এটা আছে। কুমাৰ সকলে মাটিৰ পাত্ৰবোৰ চকা বা চাকত তৈয়াৰ কৰে। মাটিৰ পাত্ৰ এটা চকাৰ ওপৰত সম্পূৰ্ণ হৈ উঠিলে পাত্ৰটোৰ তলিত এখন ছুৰীৰে কাটি চাকৰ পৰা নমাই মাটিত থয়। এই কাৰ্য্যটোক হীৰা সকলে নাড়ী কটা বুলি কয়। ধৰ্মান্ধতাৰ কবলত পৰি হীৰা সকলে এই নাড়ী কটা কুমাৰ সকলক নাড়ী কটা চুৱাত নিমজ্জিত হৈ থকা বুলি বিশ্বাস কৰে। গতিকে এই অন্ধ বিশ্বাসৰ বাবে হীৰাৰ লৰাই কুমাৰৰ ছোৱালীক বিয়া নকৰে। অৱশ্যে আজিকালি বিয়া বাৰুৰ ক্ষেত্ৰত এনেবোৰ নীতি নিয়ম নমনা হৈ পৰিল। বৰ্ত্তমানে হীৰা সকলে বিয়া বাৰুৰ ক্ষেত্ৰত সাম্প্ৰদায়িক বাধা নিষেধবোৰ শিথিল কৰি লৈছে। অনেক হীৰাই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত অৰ্থনৈতিক দিশটোলৈ লক্ষ্য ৰাখি আজিকালি নিজেও চকা ব্যৱহাৰ কৰি কুমাৰ সকলৰ দৰে মাটিৰ বাচন তৈয়াৰ কৰিবলৈ ধৰিছে। কিয়নো চকাত তৈয়াৰ কৰিলে মাটিৰ পাত্ৰ কম সময়ৰ ভিতৰতে বহুত উৎপাদন কৰিব পাৰি। গতিকে সামাজিক ক্ষেত্ৰতো হীৰা কুমাৰৰ পাৰ্থক্যৰ দূৰত্ব কমি আহিবলৈ ধৰিছে।

হিন্দু সকলে পালন কৰা আটাইবোৰ উৎসৱ, পূজা পাৰ্বণ আদি হীৰা সকলেও পালন কৰে। বৈদিক নিয়মানুসৰি এইবোৰ পালন কৰোতে ব্ৰাহ্মণ বা পুৰোহিত ব্যৱহাৰ কৰে। বিভিন্ন দেৱ দেৱীৰ পূজা অৰ্চ্চনা কৰাটো হীৰা সকলৰ বৈশিষ্ট্য। কিন্তু এইখিনিতে এটা কথা আজি কিছু বছৰ আগৰ পৰা মন কৰিব লগা হৈছে। সেয়া হল সাম্প্ৰতিক অসমত গা কৰি উঠা একশৰণ নাম ধৰ্ম। বৰ্ত্তমান এক শ্ৰেণীৰ হীৰালোকে একশৰণ নামধৰ্মৰ পন্থাত অন্তৰ্ভুক্ত হৈ কোনো মূৰ্ত্তি পূজা বা দেৱ দেৱীৰ পূজা নমনা হৈছে। ব্ৰাহ্মণ বা পুৰোহিত ব্যৱহাৰ কৰি এই সকল হীৰা লোকে কোনো দেৱ দেৱীৰ পূজা নকৰে। এনেকি মৃতকৰ সৎকাৰ কাৰ্য্যতো ব্ৰাহ্মণ



নিযুক্ত কৰি সকাম বোৰ সমাপ্ত নকৰি একশৰণ নামধৰ্মৰ নিয়ম অনুসৰি এনেবোৰ কাৰ্য্য সমাপন কৰা দেখা গৈছে। এচাম হীৰাত বাহিৰে বহুলাংশই পূৰ্ব্বৰ ৰীতি অনুসৰি বৈদিক নিয়মানুসৰি শৰাধ আদি কাৰ্য্যবোৰ কৰি আছে। এনেকৈ ধৰ্মীয় কাৰ্য্যবোৰত কিছু পৰিবৰ্ত্তনে দেখা দিয়াত হীৰা সকলৰ ধৰ্মীয় অনুষ্ঠান প্ৰতিষ্ঠান বোৰত কিছু পৰিমাণে হলেও ঐক্যতাত ব্যাঘাট জন্মিছে। পুৰনি নামঘৰবোৰ দ্বিবিভক্ত হোৱাৰো উপক্ৰম হবলৈ ধৰিছে।

হীৰা সমাজৰ মাজত এটা সামাজিক অনুষ্ঠান আছে। ই হল এটা বিশেষ ধৰণৰ শিল্প কেন্দ্ৰীক উৎসৱ। সেয়া হল 'পুতুলী বিয়া'। হীৰা মৃৎ শিল্পটোৰ লগত সঙ্গতি ৰাখি নামনি অসমৰ অবিভক্ত কামৰূপ আৰু বৰপেটা জিলাৰ হীৰা গাওঁত হীৰা সকলে এই উৎসৱটো পাতে। এই উৎসৱটো হীৰা সকলৰ সুকীয়া উৎসৱ। এই উৎসৱ বহাগ মাহৰ প্ৰথম তাৰিখৰ পৰা সাত তাৰিখ পৰ্য্যন্ত চলে। উৎসৱটো পালনৰ আগতে হীৰা সকলে গাওঁৰ আটাইতকৈ শ্ৰেষ্ঠা শিল্পী (হীৰেণী) গৰাকীৰ দ্বাৰা হীৰা মাটিৰ এটা দৰা আৰু এটা কইনা তৈয়াৰ কৰায়। তাৰ পিছত উৎসৱৰ সময়ত হীৰা গাওঁখনৰ মানুহবোৰ দুটা দলত ভাগ হৈ এটা দল দৰাৰ পক্ষ আৰু আনটো দল কইনাৰ পক্ষ হয়। দৰাৰ পক্ষটোৱে কইনাৰ পক্ষৰ কোনো এঘৰৰ চোতালত কইনাক পুৰোহিতৰ সহযোগত মানুহৰ দৰে বিয়া কৰাই আনে। অৰ্থাৎ বিবাহৰ বাবে কইনা জনীক মানৱ কইনাৰ দৰে ন সাজ পিন্ধাই মানুহৰ বিয়াৰ দৰেই ৰভা সাজে। গাওঁখনৰ আটাইতকৈ বৃদ্ধ আৰু বৃদ্ধাই দৰা আৰু কইনাৰ মা দেউতা হয়। এই বিয়ালৈ আন গাওঁৰ মানুহকো নিমন্ত্ৰণ কৰা হয় আৰু নিমন্ত্ৰিত সকলক জলপাণেৰে আপ্যায়ণ কৰা হয়। কবলৈ গলে এই পুতুলী বিয়া এখনতো মানুহৰ বিয়াৰ সমান খৰছ হয়। ই এটা আমোদজনক অনুষ্ঠান। অৱশ্যে আজিকালি এই উৎসৱৰ উলাহ নোহোৱা হৈছে। কাৰণ দৰা কইনাৰ পোছাক, নিমন্ত্ৰিত লোকৰ অভ্যৰ্থনা আৰু পুৰোহিত বা ৰভা আদিৰ বাবে বহু টকাৰ প্ৰয়োজন হৈ পৰে। অৰ্থনৈতিক সমস্যাৰ বাবে এনে পুতুলী বিয়া আজিকালি পূৰ্ব্বৰ দৰে পালন কৰা নহয়।

সামগ্ৰিক ভাৱে হীৰা সকল হিন্দু। হিন্দু ধৰ্মত প্ৰচলিত দেৱ-দেৱীৰ পূজা অৰ্চ্চনা আদি হীৰা সকলেও কৰে।

*******

# হীৰা সকলৰ অৰ্থনৈতিক অৱস্থা

কোনো এটা জাতি বা গোষ্ঠীৰ অৰ্থনৈতিক অৱস্থা নিৰ্ভৰ কৰে সেই গোষ্ঠীটোৰ নিজস্ব ব্যৱসায়, বাণিজ্য, ভু-সম্পদ আৰু চৰকাৰী চাকৰি বাকৰি ইত্যাদিৰ ওপৰত। ইয়াৰ ব্যতিক্ৰম হলে অৰ্থনৈতিক দিশত কোনো পধ্যেই আগবাঢ়িব নোৱাৰে। হীৰা সম্প্ৰদায়ৰ লোক সকল অৰ্থনৈতিক দিশত অতি পিছপৰা। এওঁলোকৰ প্ৰধান ব্যৱসায় হল মৃৎ শিল্প। হীৰা মাটিৰ বাচন বৰ্ত্তন হাতেৰে তৈয়াৰ কৰি সেইবোৰ বিক্ৰী কৰি যিকণ ধন ঘটে সেই খিনি পৰিয়ালৰ ভৰণ পোষণৰ বাবেই পৰ্য্যাপ্ত নহয়। অৱশ্যে বিনিময় প্ৰথাৰ যুগত উৎপাদিত সামগ্ৰীবোৰ বিভিন্ন শস্যৰ লগত বিনিময় কৰি কিছু লাভবান হৈছিল। পৰিয়ালটোৰ বাবে প্ৰয়োজনীয় শস্য যেনে — ধান, মাহ, সৰিয়হ, মটৰ, আলু, পাচলি আদি হীৰা সকলে সহজতে সংগ্ৰহ কৰি লব পাৰিছিল প্ৰচলিত বিনিময় প্ৰথাৰ সময়ত। কিন্তু সাম্প্ৰতিক যুগত ঘৰত উৎপাদন কৰা মাটিৰ বাচন বা সা-সজুঁলিবোৰ বজাৰত বিক্ৰী কৰাৰ বাহিৰে অন্য ব্যৱস্থা নাই। বজাৰত বিক্ৰী কৰি পোৱা ধনেৰে পৰিয়ালৰ সদস্য সকলৰ খোৱা খাদ্য খিনিকে যোগাৰ কৰিব নোৱাৰে। পোছাক পৰিচ্ছদ, স্বাস্থ্য আৰু শিক্ষাৰ কথা ভাবিবকে নোৱাৰা অৱস্থা। তাৰোপৰি বজাৰত আজিকালি এলুমিনিয়াম, লো, ষ্টিল আদি ধাতৱ বাচন বৰ্ত্তনবোৰ উভৈনদী হৈ ওলোৱাত মাটিৰ বাচন, সা-সজুঁলিবোৰ বিক্ৰী নোহোৱা হবলৈ ধৰিছে। সুলভ মূল্যত পোৱা প্লাষ্টিকৰ সা সজুঁলি মুকলি বজাৰত ওলোৱাৰ বাবেও হীৰা সকলৰ মাটিৰ বাচনৰ ব্যৱসায়ত মাধমাৰ পৰিল। গতিকে অতি পুৰণি কালৰ পৰা চলি অহা নিজা ব্যৱসায় হীৰা বৃত্তিটোৰ মৃতপ্ৰায় অৱস্থা হৈছেহি। অতি নিম্ন মানৰ আয় উপাৰ্জন হোৱা এই হীৰা মাটিৰ ব্যৱসায়েৰে হীৰা সকল অৰ্থনৈতিক দিশত দিনক দিনে পিছ পৰি গৈ আছে।

হীৰা মাটিৰ ব্যৱসায় বাদ দি আন কোনো বাণিজ্যত আত্মনিয়োগ কৰাৰ বাবেও হীৰা সকলক অক্ষম বুলি কলে ভুল নহব। কিয়নো যিকোনো বেপাৰ বাণিজ্য কৰিবলৈ শকত নহলেও মধ্যম পৰিমাণৰ মূলধনৰ প্ৰয়োজন। সুদূৰ অতীতৰ পৰা হীৰা বৃত্তি কৰি এই ব্যৱসায়ৰ যোগেদি হীৰা লোকে ধন সঞ্চয় কৰি লব পৰা নাই। নিজৰ ব্যৱসায়টোৰ যোগেদি কোনো ৰকম পেট প্ৰৱৰ্ত্তাইহে আছে। বাণিজ্যত আত্মনিয়োগ কৰিবলৈ হলেও তেওঁলোকে মূলধনৰ অভাৱত আগবাঢ়িব নোৱাৰা হৈছে। বাণিজ্যিক বেঙ্ক আদিৰ কাষ চাপিলেও বহুত হীৰা লোকে বাণিজ্যিক ঋণ পোৱা অসম্ভৱ হয়। ইয়াৰ কাৰণ হল নিজা ভু সম্পত্তি ইত্যাদিৰ অভাৱ। শতকৰা ৭০ ভাগ হীৰা লোকৰ ভূমি নাই। বেঙ্কৰ ঋণ লবলৈ নিজা ভূমি আদি বন্ধক দিব নোৱাৰাৰ বাবে পৰ্য্যাপ্ত পৰিমাণে বাণিজ্যৰ মূলধন সংগ্ৰহ কৰিব নোৱাৰা হয়। গতিকে চৰজমিনত অনুসন্ধান কৰিও দেখা যায় যে — হীৰা সকলৰ বেছি ভাগ লোকে বেপাৰ বাণিজ্য আদিতো আগবাঢ়িব পৰা নাই। কৃষিৰ মাটি যদি কিছু পৰিমাণে হলেও থাকে তেনেহলে হীৰা সকলে যথেষ্ট সকাহ পায়। কিন্তু অতীতৰ পৰাই অধিক সংখ্যক হীৰাৰ মাটি সম্পত্তি নাই। বেপাৰ বাণিজ্যৰ কথা নাভাবি কোনো হীৰাই যদি নিজৰ স্বাধীন ব্যৱসায়টো কৰিবলৈও ইচ্ছুক হয়, তেনেক্ষেত্ৰটো দেখা যায় যে প্ৰয়োজনীয় হীৰা মাটি আৰু অন্যান্য কেঁচা সামগ্ৰীবোৰো মৃৎ শিল্পটোৰ বাবে যোগাৰ কৰিব পৰা অৱস্থা বহুতৰ নাই।-৩০% হীৰা লোকে মাটি সম্পত্তি কিছু পৰিমাণে কৰি লৈছে যদিও সামগ্ৰিক ভাৱে সেই চাম হীৰাই সমষ্ট হীৰা সম্প্ৰদায়টোৰ অৰ্থনৈতিক পৰিৱৰ্ত্তন সাধিব নোৱাৰে। কাৰ্য্যতঃ ব্যৱসায়, বাণিজ্য আৰু ভু-সম্পদৰ ক্ষেত্ৰত হীৰা সকল অৰ্থনৈতিক ভাৱে অতি জুৰুলা। এই সকল মৃৎ শিল্পীৰ এতিয়া পানীত হাঁহ নচৰা অৱস্থা। তেওঁলোকে কৰিম বুলি কৃষি কৰ্ম কৰিব নোৱাৰে— খেতিৰ মাটি নাই, কৰিম বুলি ব্যৱসায় বাণিজ্য কৰিব নোৱাৰে— মূলধন নাই, চৰকাৰী চাকৰি কৰিম বুলিও কৰিব নোৱাৰে — উপযুক্ত শিক্ষাৰ অভাৱ।

চৰকাৰী যন্ত্ৰৰ অৱহেলা অনিহাৰ বাবে হীৰা সকল চৰকাৰী অৰ্থনৈতিক আঁচনিবোৰৰ পৰাও বঞ্চিত। কাৰণ চৰকাৰী আঁচনিবোৰৰ বাবেও যিকণ শিক্ষা দীক্ষাৰ প্ৰয়োজন, হীৰা সকল এই ক্ষেত্ৰত বহু পিছ পৰা। যুগ যুগ ধৰি চলি অহা বঞ্চনাৰ বাবে হীৰা সকল শৈক্ষিক দিশ, বাণিজ্যিক দিশ আৰু ৰাজনৈতিক ক্ষেত্ৰত অতি পিছ পৰি থাকিল। এই ক্ষেত্ৰত আমি এওঁলোকে পোৱা তিক্ততাৰ কথা বিচাৰ কৰি চোৱাটো প্ৰয়োজন হব।

শিক্ষাই জ্ঞান বঢ়ায়। জ্ঞান বাঢ়িলে ন্যায়, অন্যায়, প্ৰতাৰণা, শোষণ, তোষণ ইত্যাদিৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ বাবে লাঞ্চিত বঞ্চিত সকলে জনমত গঢ়ি তোলাৰ বাবে শক্তি পায়। কিন্তু তেনে শক্তি যাতে নীচ কূলৰ ব্যক্তি সকলে আহৰণ কৰিব নোৱাৰে তাৰবাবে চৰকাৰী যন্ত্ৰৰ লগত এক শ্ৰেণীৰ উচ্চ বৰ্ণৰ লোক আৰু বগা ছালৰ বিদেশী শাসকে গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছিল। তেনে ষড়যন্ত্ৰৰ দ্বাৰা নীচ বুলি ভবা হীৰা সম্প্ৰদায়ৰ লোক সকল ক্ষতিগ্ৰস্ত হৈছিল। ১৮৩৫ ইং চন পৰ্য্যন্ত হীৰা জাতিৰ লৰা ছোৱালীক শিক্ষানুষ্ঠান বোৰত নাম ভৰ্ত্তি কৰাটো নিষেধ আছিল। নীচ জাতিৰ লোকে বিদ্যা শিক্ষা গ্ৰহণ কৰা আৰু এই সকল লোকে শাস্ত্ৰ পুথি

পঢ়া কাৰ্য্য সম্পূৰ্ণ অনিয়ম বুলি ভাবি লৈছিল উল্লেখিত ষড়যন্ত্ৰকাৰী সকলে। এনেবোৰ নীতিৰ পৰিনাম ভোগ কৰিব লাগিছিল হীৰাৰ দৰে অনুসূচীত জাতিৰ লোকসকলে।

সৌভাগ্য ক্ৰমে ১৮৩৫ ইং চনত বৃটিছ গৱৰ্ণৰ লৰ্ড উইলিয়াম বেণ্টিঙ্কৰ শাসন কালত মেকলে চাহাবে এক নতুন শিক্ষা নীতি গ্ৰহণ কৰি একমাত্ৰ ইংৰাজী ভাষাত শিক্ষা গ্ৰহণ কৰিব পৰাকৈ কিছুমান স্কুল কলেজ সকলো শ্ৰেণীৰ বাবে প্ৰযোজ্য হোৱাকৈ স্থাপন কৰি দিছিল। এই শিক্ষা নীতিকো উচ্চ বৰ্ণৰ হিন্দু সকলে বিৰোধিতা কৰি আপত্তি দৰ্শাইছিল। কিন্তু সফল নহল। মেকলে চাহাবে মুকলি কৰি দিয়া স্কুল কলেজবোৰত নীচ কূলৰ ২/৪ জন ছাত্ৰছাত্ৰীয়ে হলেও পঢ়াৰ অধিকাৰ পোৱা হল। কিন্তু তথাপি ১৯৩৪ ইং চনলৈ নীচ কূলৰ ছাত্ৰ ছাত্ৰীয়ে স্কুল কলেজৰ হোষ্টেলত থাকিব নোৱাৰিছিল। ১৯৩১ ইং চনত বৃটিছ চৰকাৰে যেতিয়া চৰকাৰী নিৰ্দ্দেশ যোগে সকলো শ্ৰেণীৰ লৰা ছোৱালীক স্কুলত ভৰ্ত্তি হবলৈ অনুমতি দিছিল, তাৰ প্ৰতিবাদত বহু উচ্চ বৰ্ণৰ হিন্দু ছাত্ৰ ছাত্ৰীয়ে স্কুললৈ নোযোৱা হৈছিল। এনেহেন গোড়ামীৰ বাবে নীচ জাতিৰ লৰা ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰাত খোজে পতি বাধা বিঘিনী পাইছিল। যি দুই চাৰিজন নীচ জাতিৰ ছাত্ৰ ছাত্ৰী স্কুললৈ গৈছিল সেই সকলে উচ্চ হিন্দুৰ ছাত্ৰ ছাত্ৰীৰ দ্বাৰা ঠাট্টা মস্কৰা আৰু গৰিহনা খাইছিল। এইবোৰ তিক্ততাৰ বাবে হীৰা সম্প্ৰদায়ৰ অতি কম সংখ্যক লৰা ছোৱালীয়েহে শিক্ষা লাভ কৰিব পাৰিছিল। ভাৰতৰ স্বাধীনতাৰ সময়ত হীৰা লোকৰ শিক্ষিতৰ সংখ্যা আছিল মাত্ৰ ১০%। তাকো মেট্ৰিক পৰীক্ষা পৰ্য্যায়তহে। তাতকৈ উচ্চ শিক্ষা গ্ৰহণ কৰা সৌভাগ্য কোনো হীৰাৰ হোৱা নাছিল।

এনেদৰেই নীচ জাতিৰ লগতে হীৰা সম্প্ৰদায়ৰ লোক সকলৰ ভিতৰত অৰ্থনৈতিক দিশৰ ফালে গতি কৰা জখলা ডালত ঘূণে ধৰা হেতু হীৰা সকলৰ অৰ্থনীতিয়েই পঙ্গু হৈ গৈছে। কিয়নো চৰকাৰী চাকৰি আদিত মকৰল হোৱাৰ বাবে হীৰা সকলৰ লৰা ছোৱালী বহুগুণ পিছুৱাই থাকিল।

*******



# হীৰা সকলৰ বসতি আৰু জনসংখ্যা

অসমৰ হীৰা মৃৎ শিল্পী সকলে প্ৰাচীন কালৰ পৰাই নৈৰ দাঁতিৰ কৃষি প্ৰধান গ্ৰাম্য অঞ্চলত বসবাস কৰি আহিছে। ২০ ৰ পৰা ১০০ পৰ্য্যন্ত পৰিয়াল লগ লাগি একোখন গাওঁ পাতি হীৰা সকলে বাস কৰে। হীৰা গাওঁ বোৰৰ জনবসতি ঘণ। বেছিভাগ গাওঁৰ হীৰা লোকৰ নিজস্ব ভূমিৰ পৰিমাণ কম আৰু কিছুমান পৰিয়ালৰ ভূ-সম্পত্তি মুঠেই নাই। কম ঠাইতেই কেবাটাও পৰিয়ালে ঘৰ সাজি বাস কৰিব লগা হোৱা বাবে কিছুমান লোকে আন ঠাইলৈ গৈ বসবাস কৰিবলৈ লৈছে। ফলস্বৰূপে দেখা যায় যে - নতুন বাসস্থানত মাত্ৰ কেইটামান পৰিয়াল লগ লাগিও একোটা চুবুৰী অথবা একোখন সৰু গাওঁৰ সৃষ্টি হৈছে। একাংশ হীৰাই জীৱিকাৰ পথ বিচাৰি নিজৰ ব্যৱসায় ত্যাগ কৰি অন্য কোনো নগৰ চহৰত বসবাস কৰিবলৈ ধৰিছে। আন এচাম লোকে সম্প্ৰতি চাকৰি বাকৰিত সংস্থান পাই নগৰ চহৰে এচুকত মাটি কিনি তাত স্থায়ী ভাৱে বসতি কৰিবলৈ লৈছে। এনেদৰে কিছুমান হীৰা লোকে গ্ৰাম্য জীৱন পৰিত্যাগ কৰি নগৰীয়া জীৱন যাপন কৰাত নতুন বসতি স্থানবোৰ হীৰা মানুহৰ চুবুৰী বা গাওঁ বুলি ধৰিব নোৱাৰা হল।

অতীতত আজিকালিৰ দৰে যাতায়ত আৰু পৰিবহনৰ বাবে যান বাহন নাছিল। হীৰা সকলে নিজৰ মৃৎ শিল্পৰ ব্যৱসায়টোৰ বাবে প্ৰয়োজনীয় কেঁচামালবোৰ কঢ়িওৱাৰ বাবে আৰু শিল্পটোত উৎপাদিত সামগ্ৰীবোৰ বেহাবলৈ নাও ব্যৱহাৰ কৰিছিল। এই নাও বোৰ ব্যৱহাৰ কৰাত সুচল হয় বাবে হীৰা সকলে নদ নদী আৰু জান জুৰি আদিৰ দাঁতিত বসবাস কৰিছিল। এনেকি আজিও অধিকাংশ হীৰা গাওঁ নৈ পৰীয়া বা জলাশয় থকা অঞ্চলতহে দেখা যায়।

অসমৰ প্ৰায় আটাইকেইখন জিলাতে হীৰা সম্প্ৰদায়ৰ গাওঁ আছে যদিও সকলো জিলাত হীৰা সকলৰ জনবসতি একে নহয়। অবিভক্ত গোৱালপাৰা, বৰপেটা, নগাওঁ, মৰিগাওঁ আৰু কামৰূপ জিলাৰ জনবসতি ঘন। নলবাৰী জিলাত মধ্যম। আনহাতে বঙ্গাইগাওঁ, ধুবুৰী আৰু শোনিতপুৰ জিলাত জনবসতি সেৰেঙা। প্ৰাচীন হীৰা গাওঁবোৰৰ জনবসতি ক্ৰমান্বয়ে ঘনৰ পৰা ঘনতৰলৈ আহিছে। কিছুমান গাওঁৰ হীৰা লোক অন্যান্য সম্প্ৰদায়ৰ গাওঁৰ লগতে মিশ্ৰিত হৈ আছে। আনহাতে অসমত এনেকুৱা বৃহৎ হীৰা গাওঁ আছে যত শিক্ষানুষ্ঠান, নামঘৰ, ক্লাবঘৰ আৰু পুখুৰী আদি অকল খাচ হীৰা সকলেই স্থাপন কৰিছে। গোৱালপাৰা জিলাৰ ডুবাপাৰা

হীৰা গাওঁখন অসমৰ ভিতৰত অনুসূচীত জাতিৰ বৃহত্তম গাওঁ বুলি স্বীকৃত।

পৰম্পৰাগত ভাবে অতীজৰ পৰাই হীৰা আৰু নমঃশুদ্ৰ সম্প্ৰদায়ৰ মাজত বৈবাহিক সম্পৰ্ক স্থাপন হৈ আহিছে। হীৰাৰ লৰা ছোৱালীৰ বিয়া বাৰু হব লাগিলে নমঃশুদ্ৰ সম্প্ৰদায়ৰ লৰা ছোৱালীৰ লগতহে হৈছিল আৰু আজিও হৈ আছে। গতিকে সামগ্ৰিক দৃষ্টিত বৃটিছ চৰকাৰৰ দিনৰ পৰাই হীৰা-নমঃশুদ্ৰক একগোট কৰি লোক পিয়ল কৰিছিল চৰকাৰে। দুয়োটা গোটক একগোট কৰি বৃটিছ আমোলত চৰকাৰী পঞ্জীয়ণ কৰিছিল। যদিও ব্যৱসায়িক দিশত দুয়োটা গোটৰ উপাৰ্জনৰ পথ পৃথক পৃথক, সামাজিক ভাৱে দুয়োটা গোটৰ সামঞ্জস্য আছে, দুয়োটা গোটে এটা সময়ত হীৰা নমঃশুদ্ৰ হিচাবেই পৰিচয় দি আহিছে। সেয়েহে বৃটিছ চৰকাৰৰ অধীনত ১৮৭১ ইং চনত যি লোকপিয়ল চৰকাৰে কৰিছিল সেই লোক পিয়লত হীৰা আৰু নমঃশুদ্ৰ সম্প্ৰদায়ৰ জনসংখ্যা একেলগে দেখুৱাইছে। (দ্ৰষ্টব্য - ভাৰতৰ লোকপিয়ল ১৮৭১)। এইটো লোকপিয়লত হীৰা নমঃশুদ্ৰৰ মুঠ জনসংখ্যা আছিল ২৯৭১৩ আৰু ১৮৮১ ইং চনৰ লোক পিয়লত এই সংখ্যা হৈছিল ৩২২২২ জন। উল্লেখনীয় যে ১৮৮১ ইং চনৰ লোকপিয়লটো হীৰা আৰু নমঃশুদ্ৰৰ জনসংখ্যা পৃথক পৃথককৈ দেখুওৱা নাই। এই লোক পিয়ল মতে অকল হীৰা লোকৰ জনসংখ্যা আছিল ৬৪৪৯ জন। জিলা ভিত্তিত অবিভক্ত গোৱালপাৰা জিলাত আছিল ১২৫৯ জন, অবিভক্ত কামৰূপ জিলাত ৩০৩৫ জন, অবিভক্ত দৰং জিলাত ২৮৭ জন আৰু অবিভক্ত নগাওঁ জিলাত আছিল ১৮৬৮ জন খাচ হীৰা লোক।

খাচ হীৰা সম্প্ৰদায়ৰ জনসংখ্যা চৰকাৰী লোক পিয়লৰ হিচাব অনুসৰি তলত উল্লেখ কৰা ধৰণে প্ৰকাশ —

| | লোকপিয়ল ১৯৩১ | লোকপিয়ল ১৯৬১ | লোকপিয়ল ১৯৭১ | লোকপিয়ল ২০০১ |
|---|---|---|---|---|
| হীৰাৰ জনসংখ্যা - | ১৭০০০ | ২৫৮৫৬ | ৩২৬২৪ | ৫৫১০৬ |

উক্ত জনসংখ্যাৰ হিচাব চৰকাৰী সূত্ৰে প্ৰকাশ পাইছে। কিন্তু এইখিনিতে উল্লেখ কৰা ভাল হব যে - "সদৌ অসম হীৰা সন্মিলনী" অসমৰ হীৰা ৰাইজৰ এটা সামাজিক অনুষ্ঠান। [ স্থাপিত - ১৯৫২ ইং চন, পঞ্জীয়ণ নং - ২৭৯ (১৯৭৬-১৯৭৭)]। এই অনুষ্ঠানটোৰ কেন্দ্ৰীয় কাৰ্য্যালয়ে অসমৰ হীৰা গাওঁ আৰু হীৰা লোকৰ জনসংখ্যাৰ ওপৰত এটা সমীক্ষা চলাইছিল বিগত ৫ বছৰ আগতে। উক্ত সমীক্ষা অনুসৰি অসমৰ হীৰা লোকৰ জনসংখ্যা ১ লাখৰ অধিক হব বুলি মত ডাঙি ধৰিছে বেচৰকাৰী ভাৱে এই সংগঠনটোৱে।

*******



# অসমৰ হীৰা সম্প্ৰদায়ৰ গাওঁৰ তথ্য

অসমৰ প্ৰায় আটাইকেইখন জিলাতে হীৰা সম্প্ৰদায়ৰ লোকে বসবাস কৰে। অৱশ্যে আটাইবোৰ জিলাত এওঁলোকৰ বসতি সমভাৱে বিস্তৃত নহয়। মোৰ নিজ প্ৰচেষ্টাত আৰু হীৰা সম্প্ৰদায়ৰ বিশিষ্ট সমাজসেৱী এচামৰ পূৰ্ণ সহযোগিতাত আজি ৪ বছৰ আগতে ৰাজ্য খনত বসবাস কৰা হীৰা লোক সকলৰ গাওঁবোৰ জৰীপ কৰিছিলো। এই জৰীপত হীৰা সম্প্ৰদায়ৰ গাওঁবোৰৰ তথ্য আহৰণ কৰিবলৈ সক্ষম হৈছিলো। উক্ত জৰীপ অনুসৰি জিলা ভিত্তিক মুখ্য গাওঁবোৰৰ নাম নথিভুক্ত কৰি লোৱা হৈছিল। এই পুথিৰ কলেৱৰ বৃদ্ধি হব বুলি ভাবি আটাইবোৰ হীৰা গাওঁৰ নাম সন্নিৱিষ্ট কৰা নহল। কিন্তু গাওঁৰ সংখ্যাহে জিলা ভিত্তিত চমুকৈ ইয়াত উল্লেখ কৰিলো আৰু হীৰা গাওঁৰ নামবোৰ মোৰ লগতে মজুত ৰাখিলো।

অতীতৰ পৰা হীৰা সকলে সামাজিক ভাৱে একগোট হৈ প্ৰধান প্ৰধান গাওঁ কিছুমান প্ৰতিস্থা কৰি বসবাস কৰি আহিছে যদিও সম্প্ৰতি কালৰ সোঁতত পৰি কিছুমান পৰিয়ালে বৃত্তিগত কাৰণত আন আন ঠাইত বসবাস কৰিবলৈ লৈছে। এনেদৰে মূল গাওঁৰ পৰা ফালৰি কাটি গৈ অন্য ঠাইত বাস কৰি থকা কিছু সংখ্যক পৰিয়াল উল্লেখিত জৰীপত অন্তৰ্ভুক্ত কৰিব পৰা নগল। মোৰ আৰু শুভাকাংক্ষী বিশিষ্ট হীৰা সমাজকৰ্মী সকলৰ উল্লেখিত জৰীপত জিলা ভিত্তিত থকা মুখ্য হীৰা গাওঁবোৰ এনে ধৰণে ৰাজ্যখনত বিস্তৃত হৈ আছে —

| | | | |
|---|---|---|---|
| নলবাৰী জিলাত | — | ৩৭ | খন গাওঁ |
| অবিভক্ত গোৱালপাৰা জিলাত | — | ৩৬ | খন গাওঁ |
| অবিভক্ত কামৰূপ জিলাত | — | ৫০ | খন গাওঁ |
| অবিভক্ত দৰং জিলাত | — | ৩৫ | খন গাওঁ |
| গোৱালপাৰা জিলাত | — | ১৯ | খন গাওঁ |
| বঙাইগাওঁ জিলাত | — | ১৪ | খন গাওঁ |
| ধুবুৰী জিলাত | — | ৩ | খন গাওঁ |
| কোকৰাঝাৰ জিলাত | — | ২ | খন গাওঁ |
| নগাওঁ জিলাত | — | ২৫ | খন গাওঁ |

| | | | |
|---|---|---|---|
| মৰিগাওঁ জিলাত | — | ৫০ | খন গাওঁ |
| শোণিতপুৰ জিলাত | — | ২ | খন গাওঁ |
| | সৰ্ব্বমুঠ = | ২৭৩ | খন গাওঁ |

এই ২৭৩ খন গাওঁ অসমৰ মুখ্য মুখ্য হীৰা গাওঁ। ইয়াৰে মাজৰ গোৱালপাৰা জিলাৰ অন্তৰ্ভুক্ত দুবাপাৰা হীৰা গাওঁখন অসমৰ ভিতৰত অনুসূচীত জাতিৰ বৃহত্তম গাওঁ।

*******



# কেঁচামাল বোকামাটিৰ ব্যৱহাৰ আৰু মৃৎ শিল্পৰ সূচনাৰ চমু আভাস

মৃৎ শিল্প পৃথিৱীৰ প্ৰথম কুটীৰ শিল্প আৰু ই এটা গ্ৰাম্য চাৰু শিল্প। এই শিল্পৰ মৌলিক কেঁচামাল হল বোকা মাটি (clay)। শিল্পীৰ হাতৰ পৰশত বোকামাটিয়ে প্ৰাণ পাই উঠে আৰু মানৱ সমাজৰ সমাদৰ লাভ কৰে। বোকামাটিবোৰ অতি মসৃন আৰু আঠাযুক্ত। এই গুণটো থকাৰ বাবে বোকামাটি হাতেৰে পিটিকি অথবা চকা আদি সঁজুলিৰ সহায়ত মানৱ সমাজৰ ব্যৱহাৰৰ উপযোগী হোৱাকৈ বিভিন্ন পাত্ৰ অথবা সামগ্ৰীবোৰ তৈয়াৰ কৰা হয়। বোকা মাটি অবিহনে মৃৎ শিল্পৰ সৃষ্টি নহলহেতেন। পৃথিৱীৰ বিভিন্ন সভ্যতাৰ কালত বোকামাটি ব্যৱহাৰ কৰি বিভিন্ন পাত্ৰ, সা-সঁজুলি, পুতলা আৰু গৃহস্থালিৰ বাবে প্ৰয়োজনীয় সামগ্ৰীবোৰ মৃৎ শিল্পী সকলে উৎপাদন কৰিছিল। পৃথিৱীৰ বিভিন্ন অঞ্চলত বিভিন্ন ৰং আৰু গুণবিশিষ্ট বোকামাটি পোৱা যায়।

বহু হাজাৰ বছৰ পূৰ্ব্বে পৃথিৱীৰ কেইখনমান দেশত কেইটামান সভ্যতাই গঢ় লৈছিল। বিশাল বিশাল নদী সভ্যতাবোৰ আছিল সভ্য সমাজৰ কেন্দ্ৰস্থল। এইবোৰ সভ্যতাৰ কালৰ ৰজা, মহাৰজা আৰু সম্ৰাট আদিৰ অনুপ্ৰেৰণাত মৃৎ শিল্পী সকলে মাটিৰ বিভিন্ন পাত্ৰ, সা-সঁজুলি, খেলনা, ঘৰুৱা ব্যৱহাৰ্য্য সামগ্ৰী তৈয়াৰ কৰি মৃৎ শিল্পৰ সূচনা কৰিছিল। উল্লেখিত সভ্যতাবোৰৰ ভিতৰত চীনা সভ্যতা, মিচৰীয় সভ্যতা, মেচোপটেমিয়া সভ্যতা, ৰোমাণ সভ্যতা, বেবিলনীয় সভ্যতা, ফিলিচিয়া সভ্যতা, গ্ৰীচ সভ্যতা, সিন্ধু সভ্যতা ইত্যাদি প্ৰধান। এই সভ্যতাবোৰৰ গুৰিতে মসৃন আঠালেতীয়া মাটিক ব্যৱহাৰ কৰি মৃৎ শিল্পৰ সূচনা কৰা হৈছিল।

প্ৰাচীন যুগৰ সভ্যতাবোৰ পৃথিৱীৰ উপৰিভাগত বিভিন্ন যুগত সংঘটিত হোৱা প্ৰাকৃতিক পৰিঘটনাবোৰৰ বাবে ধ্বংস হৈছিল যদিও সাম্প্ৰতিক কালত চলোৱা মাটিৰ খনন কাৰ্য্যত উদ্ধাৰ হোৱা ধ্বংসস্তুপবোৰৰ পৰা সেই প্ৰাচীন সভ্যতাৰ কালৰ অনেক মৃৎ শিল্পজাত সামগ্ৰী পোৱা গৈছে। পৃথিৱীৰ উপৰিভাগত ৪ টা বৰফ যুগ পাৰ হৈ যোৱাৰ পিছত পৰৱৰ্ত্তী সময়ত প্ৰাচীন প্ৰস্তৰ যুগ, মধ্য প্ৰস্তৰ যুগ, নৱপ্ৰস্তৰ যুগ, তাম্ৰ যুগ, ব্ৰঞ্জযুগ আৰু লৌহ যুগ আহিছিল। ইয়াৰে নৱ প্ৰস্তৰ যুগৰ পৰাই মানুহে বোকামাটি ব্যৱহাৰ কৰি বিভিন্ন বস্তু তৈয়াৰ কৰিছিল আৰু সেইবোৰ জুইত পুৰি পকা কৰাৰ কৌশলো শিকিছিল। অৱশ্যে বোকা

মাটিবোৰ অকল সামগ্ৰী তৈয়াৰ কৰোতেই ব্যৱহাৰ হোৱা নাছিল। বোকামাটিবোৰ ৰং বা চিয়াহী হিচাবেও ব্যৱহৃত হৈছিল। মানুহে বৰ্ণ, ভাষা, চিত্ৰ আদিও আৱিষ্কাৰ কৰি শিল আৰু গুহাবোৰত লিখিছিল আৰু চিত্ৰ আঁকিছিল। এইবোৰ আছিল গুহাচিত্ৰ। (প্ৰসঙ্গ পুথি - খন্দকাৰ মাহমুদুল হাচান ৰচিত প্ৰাচীন পৃথিৱীৰ সভ্যতা)। শিলৰ ওপৰত লিখা ভাষাক শিলালিপি বোলে। এই শিলালিপিবোৰ লিখাৰ বাবে আৰু গুহা চিত্ৰবোৰ অঁকাৰ বাবে ৰঙৰ প্ৰয়োজন হৈছিল। ৰঙা আৰু হালধীয়া ৰঙৰ বোকামাটিবোৰ পশুৰ হাড়ৰ চৰ্বীৰ লগত মিহলাই ৰঙা বা হালধীয়া ৰঙ তৈয়াৰ কৰি তাৰে লিখিছিল আৰু আঁকিছিল। জনা যায় যে - শিল্প কাৰ্য্যত বোকামাটি ব্যৱহাৰ কৰা এয়াই আছিল প্ৰথম পদক্ষেপ। অৰ্থাৎ কোমল বোকা মাটি পোন প্ৰথমে শিলালিপি লিখা আৰু গুহাচিত্ৰবোৰ অঁকা কামতহে ব্যৱহৃত হৈছিল। তাৰপিচত নৱপ্ৰস্তৰ যুগতহে বোকামাটিৰে পাত্ৰ তৈয়াৰ কৰা কামৰ সূচনা হৈছিল। পশুপালন আৰু কৃষিকৰ্মৰ যোগেদি পোৱা শস্য বা আনবস্তুবোৰ সঞ্চয় কৰাৰ বাবে মানুহৰ কিছুমান ডাঙৰ ডাঙৰ পাত্ৰ আদিৰ প্ৰয়োজন হৈছিল আৰু প্ৰয়োজন পূৰাবৰ নিমিত্তে মাটিৰ পাত্ৰ তৈয়াৰ কৰি লব লগা হৈছিল।

গাওঁ বা সমাজ পাতি বসবাস কৰা পদ্ধতি পোন প্ৰথমে মেচোপটেমিয়া সভ্যতাতেই দেখা যায় বুলি প্ৰমাণিত। এই সভ্যতাৰ সময়তে গাওঁবোৰৰ প্ৰতিটো পৰিয়ালত মাটিৰ বাচন বৰ্ত্তন ব্যৱহাৰ কৰা হৈছিল। মিচৰীয় সভ্যতাত খ্ৰীঃ পূঃ ৫০০০ অব্দৰ পৰা ৩২০০ অব্দৰ ভিতৰত ৰাজবংশৰ কালছোৱাত মৃৎ শিল্পৰ প্ৰচলন হৈছিল। প্ৰাচীন মিচৰীয় সভ্যতাৰ ধ্বংসাৱশেষ উদ্ধাৰ হওতে ৰজা নাছোছৰ কাৰেংঘৰৰ ভিতৰত মাটিৰে নিৰ্মিত শিশু পুতলা বহুতো উদ্ধাৰ হৈছে।

ইজিপ্তত বোকামাটিৰ ব্যৱহাৰ উন্নত পদ্ধতিত হৈছিল। ইয়াতেই পৃথিৱীৰ ভিতৰত পোন প্ৰথমে 'Glazed Pottery' ৰ প্ৰচলন হৈছিল। 'Sanitation' ৰ বিভিন্ন সামগ্ৰী আৰু টাইল্‌চবোৰ বোকামাটিৰে ইজিপ্তত তৈয়াৰ কৰা আৰম্ভ হৈছিল।

ৰোমান সম্ৰাট সকলে যি দেশ বা ঠাইলৈ গৈছিল তাতেই তেওঁলোকে কৃতিত্বৰ চিন ৰাখিবলৈ মৃৎ শিল্পীৰ দ্বাৰাই কিছুমান মাটিৰ বস্তু নিৰ্মাণ কৰি থৈ আহিছিল। ফ্ৰান্স, ইংলেণ্ড, স্পেইন আৰু এচিয়া মাইনৰৰ অনেক ঠাইত এনে মাটিৰে নিৰ্মিত বস্তুবোৰ এতিয়াও দেখা যায়।

ইটালীৰ মোজাৰিকা নামৰ ঠাইত দেশখনৰ প্ৰথম মৃৎ শিল্পৰ পাতনি মেলিছিল। তাৰ পিছত বোকামাটিৰে মৃৎ শিল্পবোৰৰ প্ৰচলন সমগ্ৰ দেশখনত বিয়পি পৰিছিল। নেদাৰলেণ্ড পৰ্য্যন্ত এই মৃৎ শিল্প বিয়পি পৰিছিল।

লণ্ডনত Delft Style Pottery নামেৰে মৃৎ শিল্প বিখ্যাত হৈ পৰিছিল।



বোকামাটিৰ উপৰি ইং ১৭২০ চনত এই দেশত Plaster of Paris নামেৰে আন এবিধ চক্‌চকীয়া বগা ৰঙৰ বিশেষ আঠাযুক্ত বগামাটি আৱিষ্কাৰ হয় আৰু ইয়াক মৃৎ শিল্পৰ কামত ব্যৱহাৰ কৰিবলৈ লোৱা হয়।

প্ৰায় ৪৫০০ বছৰ আগতে প্ৰাচীন ভাৰতীয় সভ্যতাই গঢ় লৈছিল। এই সভ্যতাৰ কেন্দ্ৰ আছিল সিন্ধু প্ৰদেশ, মহেঞ্জদাৰো আৰু হৰপ্পা। উক্ত ঠাই সমূহত খনন কাৰ্য্য চলাই উদ্ধাৰ কৰা ধ্বংসাৱশেষবোৰৰ পৰা জনা যায় যে বোকামাটিৰে তৈয়াৰ কৰা বিভিন্ন পাত্ৰ, সা-সঁজুলি আৰু পুতলাবোৰেই সেই সময়ৰ মৃৎ শিল্পৰ প্ৰগতিৰ ক্ষেত্ৰত ভাৰতীয় সভ্যতাৰ আছিল অন্যতম নিদৰ্শন।

মৃৎ শিল্পত পৃথিৱীত পোন প্ৰথমে মাটিৰ চকা আৰু মাটিৰে নিৰ্মিত ৰথহে আৱিষ্কাৰ কৰিছিল মৃৎ শিল্পী সকলে। প্ৰাচীন মিচৰ, বেবিলন আৰু ভাৰতীয় সভ্যতাত মাটিৰ চকাৰ ব্যৱহাৰৰ যথেষ্ট প্ৰমাণ পোৱা যায়। মাটিৰ চকা, মাটিৰ ৰথ আদিৰ পিছতহে বিভিন্ন পাত্ৰ তৈয়াৰ কৰা কাম আৰম্ভ কৰা হৈছিল।

আছিৰিয়াৰ ৰাজধানী নিনেভেত খনন কাৰ্য্যত উদ্ধাৰহোৱা সামগ্ৰী বোৰৰ ভিতৰত আচৰিত ধৰণৰ মাটিৰে তৈয়াৰী গ্ৰন্থ উল্লেখযোগ্য। ইয়াত ২০০০০ খন গ্ৰন্থৰে সৈতে এটা গ্ৰন্থাগাৰো উদ্ধাৰ হৈছিল। অবিশ্বাস্য যেন লাগে যদিও সত্য ঘটনা এই যে এই ২০০০০ খন গ্ৰন্থ আলতীয়া মাটিৰে তৈয়াৰী আছিল। গ্ৰন্থবোৰৰ পাতবোৰ অতি পাতল একোখন মাটিৰ ফলক আছিল।

জাপান দেশত ১২০০০ বছৰ আগতে বোকামাটিৰে দুটা পদ্ধতিত মৃৎ শিল্পৰ কাম কৰা হৈছিল। এটা পদ্ধতিত মৃৎ শিল্পীয়ে হাতেৰে আৰু আনটো পদ্ধতিত কল কাৰখানাত পাত্ৰবোৰ তৈয়াৰ হৈছিল।

বোকামাটি ব্যৱহাৰ কৰি মৃৎ শিল্পৰ চৰম উন্নতি সাধন কৰিব খোজা অথবা সচেষ্ট, উৎসাহী দেশ হল চীনদেশ। চীনা সভ্যতাত মৃত্তিকাৰ বহল প্ৰয়োগ হৈছিল। খনন কাৰ্য্যত উদ্ধাৰ হোৱা অনেক ধৰণৰ বস্তুৱে পৃথিৱীৰ ভিতৰত চমক লগা মৃৎ শিল্পৰ কাৰু কাৰ্যৰ বিষয়ে সাক্ষ্য দিয়ে। ১৯১১ খ্ৰীষ্টাব্দ পৰ্য্যন্ত ৩৮ টাৰো অধিক ৰাজবংশই ৪০০০ বছৰৰ অধিক কাল ৰাজত্ব কৰিছিল। এই ৰাজবংশ কেইটাৰ দূৰদৰ্শিতা আৰু উদ্যমত চীনদেশৰ সভ্যতা এক বিশেষ তাৎপৰ্য্যপূৰ্ণ সভ্যতা হিচাবে চিহ্নিত হৈছে। ৰজা সকলৰ উৎসাহ উদ্দীপনাত চীনা মৃৎ শিল্পী সকলে অতি আঠাযুক্ত এবিধ বোকামাটিৰে শিল আৰু পোৱা ইটাৰ সহায়ত চীনৰ মহাপ্ৰাচীৰ নিৰ্মাণ কৰি উলিয়াইছিল। চীনদেশত ব্যৱহৃত অতি আঠাযুক্ত বোকামাটি বিধৰ নাম China Clay।

প্ৰায় ৩০০০ বছৰ আগতে হোৱাংহো নদীৰ ওচৰৰ 'আন্হি' আৰু 'হোনান্' নামৰ দুটা কবৰ খান্দি থকা অৱস্থাত মাটিৰ তলৰ এটা স্তৰত এবিধ বগা ৰঙৰ আঠাযুক্ত মাটি বাহিৰ হৈছিল। চীনা সকলে এই মাটি বিধ বিশেষ আঠাযুক্ত আৰু মসৃন দেখি তাৰে পাত্ৰ কিছুমান তৈয়াৰ কৰি শুকাই জুইত পুৰি দেখিলে যে - পাত্ৰবোৰ অতি কঠিন হৈ পৰিছে। তাকে দেখি অধিকাংশ চীনা লোকে ৰন্ধা বঢ়া কৰা বাচনবৰ্ত্তন, খেলৰ সামগ্ৰী, বিলাসী ঘৰত সজাবলৈ বিভিন্ন আচবাব, দৈনন্দিন জীৱনৰ লাগতীয়াল সামগ্ৰীবোৰো ক্ষীপ্ৰ গতিত তৈয়াৰ কৰিবলৈ লৈছিল এই বিধ বোকামাটি ব্যৱহাৰ কৰি।

Neolithic Period ত চীন দেশত মানুহে যেতিয়া অঘৰী জীৱন ত্যাগ কৰি জুপুৰি ঘৰত আশ্ৰয় লব ধৰিলে তেতিয়াৰ পৰাই চীনত মৃৎ শিল্পৰ সুচনা হল। চাং, ছু, হান্, চেং ইত্যাদি ৰাজবংশৰ ৰজা সকলে মৃৎ শিল্পক ভাল সমাদৰ কৰিছিল আৰু মৃৎ শিল্পও দ্ৰুত গতিত আগবাঢ়িছিল।

পৰ্টুগীজ সকলে ব্যৱসায় বাণিজ্যৰ বাবে চীনলৈ আহি চীনত উৎপাদিত মাটিৰ বিভিন্ন বাচন বৰ্ত্তনো কিনি ইউৰোপলৈ নিব ধৰিলে। মাটিৰ বাচন বৰ্ত্তন আমদানি কৰাটো নিয়মীয়া ব্যৱসায় হৈ পৰিল। মাটিৰ পাত্ৰ অথবা সামগ্ৰীবোৰ ইউৰোপীয়ান সকলৰ আকৰ্ষণীয় হোৱাত ইউৰোপৰ দেশ বোৰেও বোকামাটিৰ অনুসন্ধান চলালে আৰু ঠাইবিশেষে এনে মাটিৰ আৱিষ্কাৰ কৰিলে। এই আৱিষ্কৃত মাটিৰে সেইবোৰ দেশেও মৃৎ শিল্পত সামগ্ৰী তৈয়াৰ কৰাৰ বাবে উঠিপৰি লাগিল। ইউৰোপীয়ান সকলো মৃৎ শিল্পৰ কামত আগবাঢ়িল। এনেদৰে চীনা সকলৰ মৃৎ শিল্প ইউৰোপীয় দেশ বোৰতো বিয়পি পৰিল।

সম্প্ৰতি চীনদেশে সেই দেশত খনন কাৰ্য্যত উদ্ধাৰ হোৱা পোৰা মাটিৰে তৈয়াৰী সৈন্য সামন্ত বোৰক পৃথিৱীৰ ৮ ম্ আচৰিত বস্তু বুলি দাবী কৰিবলৈ লৈছে। মৃৎ শিল্পৰ আচৰিত ধৰণৰ বস্তুবোৰৰ বাবে চীনে কৰা এই দাবী বিশেষ তাৎপৰ্য্যপূৰ্ণ। এই সন্দৰ্ভত সম্ৰাট ছিন ফেঙৰ এটা কাহিনী জড়িত হৈ আছে পোৰা মাটিৰ সৈন্য সামন্তৰ লগত।

খ্ৰীঃ পূঃ ৪৭৫ ৰ পৰা ২২১ অব্দৰ ভিতৰত ছিন নামৰ সৰু ৰাজ্যৰ ৰজা ছিন ফেঙে ছি, ছু, ইয়ং, ছান, ছাও আৰু ওৱেই নামৰ ৰাজ্য কেইখন জয় কৰি মুঠতে ৭ খন ৰাজ্যক একলগ কৰি সম্ৰাট হৈ পৰিছিল। এইয়েই আছিল পোন প্ৰথমে গঠন হোৱা চীন সাম্ৰাজ্য। ৬ খন ৰাজ্য জয় কৰাৰ সময়ত যুদ্ধত মৃত্যু বৰণ কৰা এজন সৈনিকৰ স্ত্ৰী শিউ নুৱে নিজৰ স্বামীৰ এটা প্ৰতিমূৰ্ত্তি মাটিৰে নিৰ্মাণ কৰাই লৈ নগৰৰ এঠাইত থিয় কৰাই চকুত পৰাকৈ স্থাপন কৰিছিল। এদিন চীনৰ সম্ৰাট



ছিন ফেঙে নগৰ ভ্ৰমণ কৰিবলৈ আহি উক্ত প্ৰতিমূৰ্ত্তিটো দেখি ভালদৰে অনুসন্ধান কৰি গম পালে যে - যুদ্ধত মৃত্যু হোৱা স্বামীৰ স্মৃতি ৰক্ষা কৰাৰ বাবে শিউ নুৱে এই মাটিৰ প্ৰতিমূৰ্ত্তিটো স্থাপন কৰিছে। সেই মূহুৰ্ত্ততে সম্ৰাট ছিন ফেঙে ভাবিলে যে - তেওঁ নিজে জয় হোৱা যুদ্ধবোৰত হাজাৰ হাজাৰ সৈন্যৰে মৃত্যু হৈছিল। কিন্তু সেই সকলৰ মাথো এজন যোদ্ধাৰ স্মৃতিহে নগৰত থাকিল। যুদ্ধৰ সাজপাৰ, ধনুকাঁড়, অস্ত্ৰ শস্ত্ৰৰে সু-সজ্জিত প্ৰতিমূৰ্ত্তিটো সাইলাখ শিউ নুৰ মৃত স্বামী যেনেই লগা হৈছিল। সগৌৰৱে জিলিকি থকা সেই মূৰ্ত্তিটোৰ দৰে যুদ্ধত মৃত্যু হোৱা আন আটাইবোৰ যোদ্ধাৰে স্মৃতি ৰক্ষা কৰাৰ বাবে সম্ৰাটৰ মন গল। দৃঢ় প্ৰতিজ্ঞ হৈ সম্ৰাটে দেশৰ সকলো মৃৎ শিল্পীক মাটি আনি আদেশ দিলে যে - তেওঁলোকে সম্ৰাটক যুদ্ধত সহায় কৰি মৃত্যু বৰণ কৰা আটাইবোৰ যোদ্ধাৰ অবিকল ছবি স্পষ্টকৈ ফুটি উঠাকৈ মাটিৰ প্ৰতিমূৰ্ত্তিবোৰ তৈয়াৰ কৰি দিব লাগে। সম্ৰাটৰ আদেশ মতেই কাম হল।

দেশৰ পাকৈত পাকৈত মৃৎ শিল্পী সকলে ৰাজপৰিয়ালৰ প্ৰতিজন ব্যক্তি, সৈনিক, ঘোঁৰা ইত্যাদি মাটিৰে তৈয়াৰ কৰিলে। লগতে তেওঁলোকৰ পোছাক, ধনুকাঁড়, অস্ত্ৰ শস্ত্ৰবোৰো প্ৰতিমূৰ্ত্তিবোৰত খচিত কৰিলে মাটিৰে। মাটিৰেই ৰথবোৰো তৈয়াৰ কৰিলে। মুঠতে যুদ্ধৰ সময়ৰ সম্পূৰ্ণ দৃশ্য ফুটি উঠাকৈ মৃৎ শিল্পী সকলে প্ৰতিমূৰ্ত্তিবোৰ তৈয়াৰ কৰি উলিয়ালে। এইবোৰ জুইত পুৰি পকা কৰিও লোৱা হল।

সম্ৰাটৰ নিৰ্দেশ মৰ্মে মাটিৰে নিৰ্মিত জুইত পুৰি উলিওৱা সম্ৰাট, ৰাজ পৰিয়াল আৰু সৈন্য সামন্তৰ লগতে ঘোঁৰা আৰু ৰথবোৰ কেবাটাও কক্ষ থকা এটা ডাঙৰ দুৰ্গ সাজি তাত সজাই পৰাই ৰখা হল। এয়া কৰা হৈছিল সম্ৰাটৰ তৎপৰতাত ২৫০০ বছৰৰ আগতে। ই চীনা সভ্যতাৰ এক অসাধাৰণ নিদৰ্শন। ইতিমধ্যে কালক্ৰমত সাম্ৰাজ্য আৰু ৰাজ্যবোৰৰ পতন ঘটিল আৰু চীনা সভ্যতা ধ্বংসস্তুপ হৈ থাকিল মাটিৰ তলত। উল্লেখিত কাৰুকাৰ্য্যবোৰে চীনদেশত ব্যৱহৃত বোকামাটি আৰু মৃৎ শিল্পী সকলৰ কৃতিত্বৰ বিষয়ে সম্ভেদ দিয়ে।

আজি কিছুবছৰ আগতে চীনৰ ছান ছি নামৰ ৰাজ্য এখনৰ কোনো এক পথাৰত মাটি চহাই থাকোতে পোনতে এটা পোৰা মাটিৰ লাওখোলা উদ্ধাৰ হল। তাকে দেখি প্ৰত্নতাত্বিক সকলে অধিক কিবা উদ্ধাৰ হোৱাৰ আশাত খনন কাৰ্য্য চলালে। খনন কাৰ্য্যত পোৰা মাটিৰ সৈন্য সামন্ত, অশ্ব, অশ্বাৰোহী আদিৰে ভৰা তিনিটা কক্ষ উদ্ধাৰ হল। প্ৰথম কক্ষটোৰ দীঘ ২৩০ মিটাৰ, পুতল ৬৩ মিটাৰ। এইটো কক্ষত ৬০০০ সৈন্যৰ প্ৰতিমূৰ্ত্তি পোৱা হৈছে। প্ৰতিমূৰ্ত্তিবোৰৰ গাত যুদ্ধৰ

পোছাক, ধনুকাঁড় আৰু অস্ত্ৰ শস্ত্ৰ খচিত হৈ আছে।

দ্বিতীয়টো কক্ষৰ কালি ৬০০০ বৰ্গ মিটাৰ। এইটো কক্ষত ১০০০ সৈন্য আৰু ঘোঁৰা, ৰথ আদিৰ মূৰ্ত্তি আছে। তৃতীয়টো কক্ষৰ কালি ৫০০ বৰ্গ মিটাৰ। এই কক্ষটোত এতিয়ালৈ ৬৮ টা পদাতিক সৈন্যৰ মূৰ্ত্তি আৰু ৪ টা চকা থকা এখন ৰথ পোৱা গৈছে। তিনিওটা কক্ষত উদ্ধাৰ হোৱা আটাইবোৰ বস্তু পোৱা মাটিৰ। প্ৰথমটো বৃহৎ কক্ষ বৰ্ত্তমানে ১৯৭৯ ইং চনত চীনা চৰকাৰে মিউজিয়াম হিচাবে ব্যৱহাৰ কৰিছে। এই মিউজিয়ামটোৰ নাম দিয়া হৈছে 'ছিন ইয়ং'। সম্ৰাট ছিন ফেঙৰ মৃৎ শিল্পৰ এই পোৱা মাটিৰ সৈন্য সামন্তৰ কক্ষ সমূহ সচাকৈয়ে পৃথিৱীৰ ভিতৰত অন্যতম আচৰিত বস্তু। চীনৰ উক্ত মিউজিয়ামটোৰ কালি ১৬০০ বৰ্গ মিটাৰ। ইয়াত সম্ৰাট ছিন ফেঙৰ ৰাজবংশৰ লোক আৰু সৈন্য সামন্তৰ মাটিৰ মূৰ্ত্তিবোৰ সংৰক্ষণ কৰি ৰখা হৈছে।

খ্ৰীঃ পূঃ ৩০০০ অব্দৰ পৰা ১০০০ অব্দৰ ভিতৰত ক্ৰিটিয় সভ্যতাৰ বিকাশ হৈছিল। এই সভ্যতাৰ কালত ইজিয়ান সাগৰৰ প্ৰৱেশ পথত অৱস্থিত দ্বীপৰ পূব উপকূলত ২৫০ টা কক্ষ থকা এটা বিৰাট ৰাজ প্ৰাসাদ আৱিষ্কৃত হৈছে। এই ৰাজপ্ৰাসাদটোত হাজাৰ হাজাৰ পোৱা মাটিৰ পাত্ৰ উদ্ধাৰ হৈছে। পাত্ৰবোৰৰ গাত বহু ধৰণৰ ছবি অঁকা আছে এই সময়তো মৃৎ শিল্পই যথেষ্ট প্ৰাধান্য পাইছিল।

খ্ৰীঃ পূঃ ১৬০০ ৰ পৰা ১২০০ অব্দৰ ভিতৰত আকিয়ান যুগত মানুহ যদিও আধা বৰ্ব্বৰ আছিল, তেওঁলোকে সুৰক্ষিত নগৰ বোৰত কাম কৰিছিল। এওঁলোকে সুন্দৰ সুন্দৰ মাটিৰ পাত্ৰ তৈয়াৰ কৰিছিল। এওঁলোকেই পোন প্ৰথমে বোকামাটিৰ Plasticity বঢ়োৱা কৌশল শিকিছিল। পোৱা মাটিৰ পাত্ৰবোৰৰ গাত আঙুৰৰ দৰে নিখুত মিহি ছবি আঁকিছিল। এই ছবিবোৰ ইমান নিখুত আছিল যে - সঁচা আঙুৰ বুলি ভাবি চৰাইবোৰে এই পাত্ৰৰ গাত থকা আঙুৰবোৰ খুটিয়াই খুটিয়াই পাত্ৰবোৰৰ গাত দাগ বহুৱাই দিছিল। গ্ৰীচ দেশৰ মৃৎ শিল্পৰ কৌশলো সুন্দৰ আছিল।

আমেৰিকাৰ ৰেড ইণ্ডিয়ান সকলে ধাতুৰ ব্যৱহাৰ কৰাৰ লগতে মাটিৰ বিভিন্ন পাত্ৰ তৈয়াৰ কৰিছিল। খ্ৰীঃ পূঃ ২৩০০ অব্দত মধ্য আৰু দক্ষিণ আমেৰিকাত মাটিৰ সামগ্ৰীৰ নিৰ্মাণ কাৰ্য্য চলিছিল বুলি ঠাৱৰ কৰিব পাৰি। সম্প্ৰতি আমেৰিকা যুক্তৰাষ্ট্ৰৰ উটাহ নামৰ প্ৰদেশত এনে সামগ্ৰী উদ্ধাৰ হৈছে। এই স্থান চল্টলেক চিটিৰ ২১০ কিঃ মিঃ দক্ষিণ পূৱে অৱস্থিত গুহা সদৃশ এখন ঠাইত।

ভাৰতবৰ্ষত প্ৰাচীন ৰজা মহাৰজা সকলৰ তৎপৰতাত মৃৎ শিল্পৰ উত্থান হৈছিল। পঞ্জাৱৰ মহেঞ্জদাৰো, হৰপ্পাৰ লগতে তক্ষশীলাৰ পৰা পাটলিপুত্ৰলৈকে এই অঞ্চলৰ প্ৰসিদ্ধ ঠাইবোৰত ভালেমান মৌৰ্য্য আৰু শুঙ্গ যুগৰ পোৱা মাটিৰ



মূৰ্ত্তি আৱিষ্কৃত হৈছে। দ্বিতীয় খৃষ্টীয় শতিকাত শুঙ্গ যুগত সাঁচৰ ব্যৱহাৰৰ ফলত মৃত্তিকা শিল্পৰ উন্নতি হৈছিল। মথুৰা, অহিচ্ছত্ৰ, কোসম, পাটনা আদিত খনন কাৰ্য্যত মাটিৰ মূৰ্ত্তি উদ্ধাৰ হৈছে। এলাহাবাদৰ ওচৰৰ কোসমত মিথুন চিত্ৰ কিছুমান পোৱা গৈছে। পাটলি পুত্ৰত কেইটামান হাঁহি থকা লৰা ছোৱালীৰ ধুনীয়া প্ৰতিকৃতি উদ্ধাৰ হৈছে। গুপ্ত যুগত মৃৎ শিল্পৰ বহু উন্নতি হয়। অহচ্ছত্ৰ মন্দিৰৰ দেৱালত থকা শিৱ আৰু পাৰ্ব্বতীৰ মূৰ, কাণপুৰ জিলাৰ ভিতৰুৱা গাওঁৰ মন্দিৰবোৰত অলঙ্কৃত হৈ থকা পোৱা মাটিৰ মূৰ্ত্তি, ভূপালৰ পৰা ৪৫ কিঃ মিঃ দূৰৰ ফান্দা নামৰ গাওঁত উদ্ধাৰ হোৱা মাটিৰে নিৰ্মিত বিষ্ণুৰ দশাৱতাৰৰ-মূৰ্ত্তি ইত্যাদিয়ে গুপ্ত যুগত মৃৎ শিল্পৰ উন্নতিকে সূচায়।

ভাৰতৰ দাক্ষিণাত্য মালভূমিত বোকামাটি প্ৰায় নাই। আগ্নেয়শিলেৰে ভৰা এই অঞ্চলটোত আঠাযুক্ত মসৃণ মাটিৰ অভাৱ বাবে এই অঞ্চলত মৃৎ শিল্পৰ প্ৰচলন তেনেই কম। তথাপি কোণ্ডাপুৰ আৰু কোহলাপুৰত কিছু কিছু মৃৎ শিল্প চকুত পৰে। উক্ত ঠাইত কেইটামান মাটিৰে নিৰ্মিত মানুহৰ মূৰ উদ্ধাৰ হৈছে। এই মূৰত চুলি আৰু কাণত মাটিৰেই খচিত অলঙ্কাৰ দেখা গৈছে। অনুমান কৰিব পাৰি যে মাত বাহন সকলৰ সময়ত ইয়াত মৃৎ শিল্পৰ চৰ্চ্চা হৈছিল। দিল্লীত থকা ৰাষ্ট্ৰীয় সংগ্ৰহালয়ত যিবোৰ গঙ্গা যমুনাৰ মূৰ্ত্তি, মাতৃকা সকলৰ আৱক্ষ মূৰ্ত্তি আৰু অগ্নিৰ মূৰ্ত্তি সংৰক্ষিত কৰি ৰখা হৈছে সেইবোৰ অহিচ্ছত্ৰৰ পৰাই সংগৃহীত। কাশ্মীৰৰ হাৰৱাণ, পঞ্জাৱৰ মাহ্ৰি-বাহলল, জমাল পৰ্হি, ৰাজস্থানৰ বিকাণিৰ, মধ্য প্ৰদেশৰ পৱয়া, উত্তৰ প্ৰদেশৰ ৰাজঘাট, বিহাৰৰ বসাৰ, বঙ্গদেশৰ তমলুক বানগড় ইত্যাদি বুৰঞ্জী প্ৰসিদ্ধ ঠাইবোৰত পোৱা মাটিৰ ভাস্কৰ্য্যৰ অনেক নমুনা পোৱা যায়। গতিকে এইবোৰ অঞ্চলত যে মসৃণ বোকামাটিৰ শিল্পৰ প্ৰচলন আছিল তাৰ প্ৰমাণ পোৱা যায়। ভাৰতৰ উক্ত অঞ্চলৰ ঠাইয়ে ঠাইয়ে বোকা মাটি পোৱা যায়। দাক্ষিণাত্য মালভূমিক বাদ দি সমগ্ৰ উত্তৰ আৰু উত্তৰ পূব ভাৰতত মসৃণ আঠালতীয়া মাটিৰ প্ৰাচুৰ্য্য আছে আৰু সেয়ে এইবোৰ অঞ্চলত মৃৎ শিল্পৰ যথেষ্ট শিল্পীও আছে।

পাঠান সম্ৰাট ছেৰ শ্বাহ শূৰীয়ে বঙ্গদেশত পোন প্ৰথম Glazed tiles Pottery ৰ আৰম্ভণী কৰিছিল। মুছলমান মৃৎ শিল্পী সকলে পেছোৱাৰ, গুজৰাট, লাহোৰ, দিল্লী, আজমীৰ, মুলতান, হায়দৰাবাদ, লক্ষ্ণৌ, আগ্ৰা, খুৰ্জা আৰু গোৱালিয়ৰ আদিত বহুল ভিত্তিত আঠাযুক্ত বোকামাটিবোৰ ব্যৱহাৰ কৰি Glazed Tiles বোৰ উৎপাদন কৰিছিল। বিলাস বহুল অট্টলিকা, ঘৰ বিলাকত Glazed Pottery ৰ সামগ্ৰী সুব্যৱহাৰ হয়।

অসমত আহোম আৰু কোঁচ বংশৰ কেইজনমান ৰজাৰ শাসনত বিভিন্ন

ঠাইত মঠ মন্দিৰ আদি স্থাপিত হৈছিল। এই মঠ মন্দিৰৰ দেৱাল বোৰত ব্ৰহ্মা, কাৰ্ত্তিক, পৰশুৰাম, অগ্নি আৰু অন্যান্য দেৱ দেৱীৰ মূৰ্ত্তি কিছুমান খচিত কৰা হৈছিল। দেৱালত খচিত এই মূৰ্ত্তিবোৰ মাটিৰে তৈয়াৰ কৰি জুইত পুৰি পকা কৰি আঠাৰ সহায়ত দেৱালত খচিত হৈছিল। অসমৰ মৃৎ পাত্ৰৰ ইতিহাস অতি প্ৰাচীন। প্ৰাচীন অসমৰ মৃৎ পাত্ৰবোৰৰ লগত চীন আৰু দক্ষিণ পূব অঞ্চলৰ নৱ প্ৰস্তৰ যুগৰ মৃৎ পাত্ৰবোৰৰ যথেষ্ট মিল দেখা যায়। মৃৎ শিল্পত উৎপাদিত বিভিন্ন পাত্ৰ বা সামগ্ৰীবোৰৰ আকৃতি আৰু আকাৰৰ ক্ষেত্ৰত দক্ষিণ চীন আৰু পূব দিশৰ দেশবোৰৰ পাত্ৰবোৰৰ বহুত মিল থকালৈ চাই অসমৰ প্ৰাচীন মৃৎ শিল্প সেইবোৰ দেশৰ মৃৎ শিল্পৰ সম সাময়িক বুলি কব পাৰি। আকাৰৰ ফালৰ পৰা ধাতুৰে নিৰ্মিত অৰ্থাৎ কাঁহ পিতলেৰে তৈয়াৰ কৰা লোটা, বাণবাটি, শৰাই, পাণধোৱা, বেৰাকাঁহী, জাতি কাঁহী, মাইহাং, মৈৰা জৰা, ভোগ জৰা, কলহ, ঘাগৰি ইত্যাদিবোৰ পোনতে মৃৎ শিল্পতহে উৎপাদন হৈছিল। এই পাত্ৰবোৰৰ ৰূপ চীন, নেপাল, ভূটান, ব্ৰহ্মদেশ, শ্যাম, থাইলেণ্ড, ইন্দোনেচীয়া ইত্যাদি দেশৰ পৰা অহা বুলি ভবা হয়। গতিকে অসমৰ মৃৎ শিল্পৰ প্ৰাচীনত্ব ইয়াৰ দ্বাৰাই সুস্পষ্ট হয়।

অসমৰ পোৰা মাটিৰ ভাষ্কৰ্য্যৰ অনেক নিদৰ্শন আছে। পুৰুষ, মহিলা, জন্তু, চৰাই আদিৰ চিত্ৰ আৰু দেৱ দেৱীৰ মূৰ্ত্তিবোৰৰ ব্যৱহাৰৰ দ্বাৰা গুপ্ত যুগৰ মৃৎ শিল্পৰ আভাস পাব পাৰি। গতিকে এই শিল্প কাৰ্য্য ৬ ষ্ঠ শতিকাৰ বুলি অনুমান হয়। সাম্প্ৰতিক কালত অসমৰ বিভিন্ন জিলাৰ বিভিন্ন ঠাইত খনন কাৰ্য্যৰ দ্বাৰা বিভিন্ন ধৰণৰ মাটিৰ সামগ্ৰী উদ্ধাৰ হৈ আছে। উদ্ধাৰ হোৱা সামগ্ৰীবোৰে অসমৰ প্ৰাচীন মৃৎ শিল্পৰ আভাস দিয়ে। উদ্ধাৰ হোৱা সামগ্ৰীবোৰ ৰাজ্যিক সংগ্ৰহালয়লৈ আনি সংৰক্ষণ কৰা হৈছে। ভীষ্মক নগৰত খনন কাৰ্য্যত উদ্ধাৰ হোৱা ধুনীয়া ডাঙৰ ডাঙৰ মূৰ্ত্তি, গোৱালপাৰাৰ পৰা সংগ্ৰহ কৰা নৃত্য দৃশ্য, গৰু পোৱালীৰ জাক, হাঁহৰ জাক, গুৱাহাটীত উদ্ধাৰ হোৱা মাটিৰ বুদ্ধ মূৰ্ত্তি, গণেশৰ মূৰ্ত্তি, মাজুলীৰ পৰা সংগ্ৰীহীত মাটিৰ মুখা, গৌৰীপুৰৰ পৰা সংগ্ৰহ কৰা পোৰা মাটিৰ পুতলা, উজনি অসমত উদ্ধাৰ হোৱা নলীয়া ঘটি, নাদ পাত, নামনি অসমৰ পৰা সংগ্ৰহ কৰা নাগাৰা, ডবা, শিৱসাগৰৰ পৰা উদ্ধাৰ কৰা মন্দিৰ, শিৱমূৰ্ত্তি, গণেশ মূৰ্ত্তি, ৰন্ধা বঢ়া কৰা পাত্ৰ, আহোম ৰজাৰ ৰাজ সিংহাসনৰ সৈতে থকা মাটিৰ ঝাড়ি, লোটা, কলহ আৰু পূজাৰ বাবে ব্যৱহাৰ হোৱা মাটিৰ পাত্ৰ ইত্যাদিয়ে সেই সময়ৰ মৃৎ শিল্পৰ আভাস দিয়ে। বৰপেটা কীৰ্ত্তন ঘৰত শঙ্কৰদেৱৰ দিনতে মাটিৰে তৈয়াৰী গোলাকাৰ প্ৰকাণ্ড মঠীয়া এটা আছিল। ইয়াৰ বেৰ ৪.৭৬ মিটাৰ আৰু উচ্চতা .৯৬ মিটাৰ, সম্প্ৰতি কীৰ্ত্তন ঘৰে এই মঠাটো সংৰক্ষণৰ বাবে ৰাজ্যিক সংগ্ৰহালয়ক দিছে। ইং



১৯২৬ চনত দৰং জিলাত পোৰা মাটিৰ মূৰ্ত্তি উদ্ধাৰ হৈছিল।

ভাৰত চৰকাৰে হৰপ্পা আৰু মহেঞ্জদাৰোত যি গতিত খনন কাৰ্য্য চলাইছে, সেই গতিত অসমত খনন কাৰ্য্য চলোৱা নাই। বহল ভিত্তিত খনন কাৰ্য্য চলালে মাটিৰ তলৰ পৰা অসমৰ বিভিন্ন স্থানত আওপুৰণি আৰু আপুৰুগীয়া মৃৎ শিল্পৰ উৎপাদিত সামগ্ৰী অনেক উদ্ধাৰ হলহেতেন। গতিকে অসমৰ মৃৎ শিল্প প্ৰথম কোন যুগত আৰম্ভ হৈছিল তাক এতিয়াও খাটাং কৰি কোৱা টান। তথাপি অসমৰ মৃৎ শিল্পই যে অতি প্ৰাচীন কালৰ পৰাই অন্যান্য দেশৰ লগত ফেৰ মাৰি আহিছে তাক আমি ওপৰত উল্লেখিত বিৱৰণীৰ পৰা কব পাৰো।

মুঠতে সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চল আঠাযুক্ত মসৃণ বোকামাটিৰ ভঁৰাল আৰু তাৰ সৎ ব্যৱহাৰ কৰিবলৈ সুদূৰ প্ৰাচীন কালৰ পৰাই মৃৎ শিল্পী সকলে কাম কৰি আহিছে। ভাৰতীয় মৃৎ শিল্পৰ ক্ষেত্ৰত ১৮৮০ ইং চনত Sir William Birdwood চাহাবে এইদৰে মন্তব্য কৰিছিল — "Trust to Nature in the directness and simplicity of its forms and their adaptation to use and purest in art of all its homely and sumptuary handicrafts is the pottery of India."

অসমৰ প্ৰাচীন মৃৎ শিল্পজাত সামগ্ৰীবোৰ হীৰা সম্প্ৰদায়ৰ শিল্পী সকলৰ দ্বাৰাইও উৎপাদিত। হীৰা সকলে বিশেষ আঠাযুক্ত মুগা, ক'লা অথবা ধোৱা ৰঙৰ হীৰা মাটি ব্যৱহাৰ কৰি মৃৎ পাত্ৰ উৎপাদন কৰি আহিছে।

*******

# মৃৎ শিল্পত ব্যৱহাৰযোগ্য বোকামাটিৰ শ্ৰেণী বিভাগ

পূৰ্ব্বতে উল্লেখ কৰিছো যে - পৃথিৱীৰ বিভিন্ন অঞ্চলৰ আঠাযুক্ত বোকামাটি ব্যৱহাৰ কৰি প্ৰাচীন কালৰ পৰাই মৃৎ শিল্পী সকলে নানা ধৰণৰ সামগ্ৰী তৈয়াৰ কৰি আহিছে। কিন্তু এটা কথা উল্লেখনীয় যে সকলো বোকামাটিৰ গুণ একে নহয়। গুণাগুণৰ ওপৰত ভিত্তি কৰি বোকামাটি বোৰক বিভিন্ন শ্ৰেণীত ভাগ কৰিব পাৰি। যেনে - কিছুমান বোকামাটিৰে তৈয়াৰ কৰা পাত্ৰ জুইৰ ওপৰত ৰাখি ব্যৱহাৰ কৰিলে ফাটি যায়, কিন্তু কিছুমান বোকামাটিৰে তৈয়াৰ কৰা পাত্ৰ জুইত ৰাখি যেনি তেনি ব্যৱহাৰ কৰিলেও নাফাটে। গতিকে ব্যৱহাৰ ভেদে বোকামাটিও বেলেগ বেলেগ ব্যৱহাৰ কৰিব লগা হয়। পুতলা বা মূৰ্ত্তি তৈয়াৰ কৰিবলৈ যি মাটি ব্যৱহাৰ কৰিব পাৰি, সেই মাটি ৰন্ধা বঢ়া কামত ব্যৱহাৰ কৰিব পৰা পাত্ৰ তৈয়াৰ কৰিব নোৱাৰি। কিছুমান বোকামাটি বিশেষ গুণ সম্পন্ন বা আঠাযুক্ত আৰু কিছুমান বোকামাটিৰ আঠা কম। গতিকে মাটিৰ গুণাগুণৰ ওপৰত নিৰ্ভৰ কৰি মৃৎ শিল্পত উৎপাদিত হোৱা সামগ্ৰীৰ গুণো বিভিন্ন হয়। কি সামগ্ৰীৰ বাবে কেনে বোকামাটি ব্যৱহাৰ কৰা প্ৰয়োজন সেয়া অভিজ্ঞ মৃৎ শিল্পী সকলে নিৰ্দ্ধাৰণ কৰি লৈহে উৎপাদনৰ কাম কৰে। জুইৰ ওপৰত ব্যৱহাৰ কৰিব লগা পাত্ৰবোৰ উৎকৃষ্ট বোকামাটিৰে তৈয়াৰ কৰা হয়।

অভিজ্ঞ মৃৎ শিল্পী সকলে বোকামাটি হাতেৰে স্পৰ্শ কৰিয়েই মাটি খিনিৰ গুণাগুণ স্থিৰ কৰিব পাৰে। তেওঁলোকে বিভিন্ন সামগ্ৰীৰ বাবে বিভিন্ন বোকামাটি ব্যৱহাৰ কৰে। ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত পোৱা আঠাযুক্ত বোকামাটিবোৰৰ গুণ বেলেগ বেলেগ।

কাশ্মীৰত উৎকৃষ্ট বোকামাটি বিধ হল ক্ৰল মেছি (Kral Mechi), উত্তৰ ভাৰতৰ অন্যান্য ভাল গুণ বিশিষ্ট বোকামাটিবোৰ হল পাতালী মিত্তী, বৰিক মিত্তী আৰু ৰুখাৰি মিত্তী (মাটি)। অসমত থকা উৎকৃষ্ট বোকামাটি বিধক বোলা হয় 'হীৰা মাটি'। হীৰা মাটিৰ গুণতকৈ নিম্ন গুণ সম্পন্ন বোকামাটি বিধক বোলা হয় 'কুমাৰ মাটি'।

যিবোৰ বোকামাটিত কিছু পৰিমাণে বালিও মিহলি হৈ থাকে তেনে মাটিক ৰাজস্থানত বুগা, পঞ্জাব আৰু উত্তৰ প্ৰদেশত ৰেতিলি, মধ্য প্ৰদেশত দড়ি, বিহাৰত



বালুৱাহি, পশ্চিমবঙ্গ আৰু উৰিষ্যাত বালু, চেন্নাই আৰু মহীশূৰত মেনেল, কেৰালাত ইছ্নিগামান্নু, গুজৰাটত আটাৰ, অন্ধ্ৰ প্ৰদেশত মাচি আৰু অসমত বালিয়া আঠালেতীয়া বোলা হয়।

কিছু পৰিমাণে চুণ মিহলি হৈ থকা বোকামাটিক উত্তৰ ভাৰতত চুণামাটি, দক্ষিণ ভাৰতত ভেলা বা ভেলা মান্নু আৰু মহাৰাষ্ট্ৰত মালা মাটি বোলে।

অতি কঠিণ অথবা অতি আঠাযুক্ত মাটিক কাশ্মীৰত দাৰ মেছি, উৰিষ্যাত মাতালো, অন্ধ্ৰ আৰু মহীশূৰত আণ্টু, চেন্নাইত কাৰ্পু, কেৰালাত আট্টাল আৰু উত্তৰ ভাৰতত ৰৰ বুলি অভিহিত কৰে। অতি কোমল মাটিক নৰম মাটি বোলে। অসমৰ কুমাৰ মাটি এই শ্ৰেণীত পৰে। কিন্তু অসমত পোৱা হীৰা মাটি অতি উৎকৃষ্ট গুণ সম্পন্ন আঠাযুক্ত বোকামাটি।

ৰঙৰ ওপৰত ভিত্তি কৰিও বোকামাটিবোৰক বিভিন্ন ভাগত বিভক্ত কৰা হয়। উত্তৰ ভাৰতৰ লালমাটি, উৰিষ্যাৰ নালমাটি, অন্ধ্ৰ প্ৰদেশৰ ইৰ মাটি, চেন্নাইৰ চিম মান্নু আৰু মহীশূৰ, কেৰালাৰ ছিমান্নু এনে ৰঙৰ ভিত্তিতেই শ্ৰেণী বিভক্ত। বগা মাটিবোৰক ৰাজস্থানত ধোলি, দক্ষিণ ভাৰতত ভেলা আৰু উত্তৰ ভাৰতত দুধিয়া বুলি কোৱা হয়। ক'লা বৰণৰ মাটিবোৰক ৰাজস্থান আৰু গুজৰাটত কলাৰা, মহাৰাষ্ট্ৰত কালী, বিহাৰত পাখাবা, মধ্য প্ৰদেশত চিতাকি আৰু উৰিষ্যাত কালা বোলে। অসমৰ বগা মাটিবোৰক আঠাল মাটি বোলা হয়। হীৰা মাটিৰ ৰং ক'লা আৰু ঠাইবিশেষে মুগা বৰণৰ অথবা ধোঁৱা বৰণৰ। ভাৰতৰ কোনো কোনো অঞ্চলত হালধীয়া ৰঙৰ মাটি আছে। বিহাৰৰ কাৰাইলি, উত্তৰ ভাৰতৰ পিলি মাটি এই শ্ৰেণীৰ। কিছুমান বোকামাটিত লৱণ মিশ্ৰিণ হৈ থাকে। উৰিষ্যাৰ খাৰি আৰু গুজৰাটৰ খাৰো নামৰ বোকামাটি এনেকুৱা লৱণ মিশ্ৰিত মাটি।

এইদৰে মৃৎ শিল্পত ব্যৱহাৰ কৰা বোকামাটিবোৰক বিভিন্ন শ্ৰেণীত বিভক্ত কৰিব পাৰি। গুণাগুণ অথবা ৰঙৰ ভিত্তিত এই বোকামাটিবোৰ শ্ৰেণী বিভক্ত কৰা হৈছে যদিও প্ৰকৃততে বোকামাটিৰ গঠনৰ ওপৰত নিৰ্ভৰ কৰে সকলোবোৰ। গঠনৰ উপাদানৰ দিশটো মাটিৰ গুণাগুণৰ এটা মৌলিক বিষয়। কাৰণ বোকামাটিৰ লগত বিভিন্ন পদাৰ্থ মিহলি হৈ থাকে বা থাকিব পাৰে। মিশ্ৰিত হৈ থকা এনে পদাৰ্থবোৰৰ প্ৰভাৱে মাটিৰ উৎকৃষ্টতা বা নিকৃষ্টতা নিৰ্দ্ধাৰণ কৰে।

গঠনৰ দৃষ্টিভঙ্গীৰে চাবলৈ হলে মাটিৰ কণিকাবোৰৰ ব্যাসাৰ্দ্ধ যদি .০০০৫ মিঃ মিঃ হয় সেইবোৰ মাটিহে বোকামাটিত পৰে। অৰ্থাৎ একোটা ক্ষুদ্ৰ বালিচাহিক ১০০ ভাগ কৰিলে প্ৰতিটো ভাগৰ আকাৰ যিমান ক্ষুদ্ৰ হব পাৰে সিমান ক্ষুদ্ৰ দানাৰে বা কণিকাৰে গঠিত মাটি বিধক বোকা মাটি বোলা হয়। ইংৰাজীত ইয়াক

Clay বুলি কৈছে। বোকামাটিৰ কণিকাবোৰক আকৌ অধিক ক্ষুদ্ৰতম অৱস্থাত কলইড (Colloid) হিচাবে নামাকৰণ কৰা হৈছে। বোকামাটিৰ একোটা কণিকাৰ ব্যাসাৰ্দ্ধ .০০০০২৫ মিলিমিটাৰ হলে ভূবিদ্যাত ইয়াক কলইড (Colloid) ৰ অন্তৰ্ভূক্ত কৰে। গতিকে কলইড শ্ৰেণীৰ বোকামাটি অতি মিহি আৰু আঠাযুক্ত হয়।

মৃৎ শিল্পৰ বাবে অতি উৎকৃষ্ট বোকামাটিত ৮২% অতি মসৃন বোকা, ৫% মসৃন বোকা আৰু ১৩% মিহি বালি উপাদান হিচাবে মিহলি হৈ থাকে। তেনে বোকামাটিৰে তৈয়াৰ কৰা পাত্ৰ অতি মজবুত হয়। এনে পাত্ৰবোৰত সহজতে ফাট নেমেলে আৰু চিৰাচিৰ হৈ নাযায়। উৎপাদিত পাত্ৰবোৰৰ উপৰিভাগ অতি নিমজ হয়। কিন্তু এনে মাটিত যদি গ্ৰেভেল, চিল্ট, চিলিকা নাইবা তেনে জাতীয় অন্য কোনো ধাতৱ পদাৰ্থ মিহলি হৈ থাকে তেনেহলে উৎপাদিত সামগ্ৰীবোৰ ফাটি যাব পাৰে। বিশেষকৈ জুইৰ ওপৰত ব্যৱহাৰ কৰা বাচন বা পাত্ৰবোৰ এনে পদাৰ্থ মিহলি হৈ থকা বোকামাটিৰে তৈয়াৰ কৰা অনুচিত। এইবোৰ পদাৰ্থ মিশ্ৰিত হৈ থকা বোকামাটিৰ পাত্ৰবোৰত পানী ভৰালেও পানী নিগৰি নিগৰি বাহিৰ ওলাই যায়।

অসমত পোৱা ২ বিধ বোকামাটি হল হীৰা মাটি আৰু কুমাৰ মাটি। ইয়াৰে হীৰা মাটিবোৰ উৎকৃষ্ট মানৰ বাবে জুইৰ ওপৰত ব্যৱহাৰ কৰিব লগা পাত্ৰবোৰ এই মাটিৰেহে তৈয়াৰ কৰে শিল্পী সকলে। হীৰা মাটি প্ৰথম শ্ৰেণীৰ উৎকৃষ্ট বোকামাটি। এইবিধ হীৰামাটি (Hira Clay), কেওলিন (Keolin) আৰু চীনা মাটি (China Clay) সমপৰ্য্যায়ৰ। কিন্তু হীৰামাটি উত্তৰ পূব ভাৰতৰ কেৱল অসমতহে পোৱা যায়। অসমত পোৱা আনবিধ বোকামাটি 'কুমাৰমাটি'। এইবিধ মাটিৰে সাধাৰণতে পূজা পাৰ্ব্বন আদিত ব্যৱহাৰ হোৱা সামগ্ৰী আৰু বিয়াবাৰুৰ বাবে প্ৰয়োজন হোৱা ঘট্, কুমাৰ চক্ৰ আৰু চাকি আদি তৈয়াৰ কৰা হয়। এইবিধ মাটিৰ আঠালেতীয়া গুণটো আছে যদিও ইয়াৰে জুইত ব্যৱহাৰ কৰিব পৰা পাত্ৰ তৈয়াৰ কৰা নহয়। জুইত এই মাটিৰে তৈয়াৰী পাত্ৰ সহজতে বোমা ফুটা দি ফুটিব পাৰে।

মেঘালয়, অৰুণাচল আৰু ত্ৰিপুৰাত কেওলিন মাটি পোৱা যায়। শ্বিলঙৰ পৰা ১৫ কিঃ মিঃ দূৰত কেওলিনৰ স্তৰ আছে। ২৭ কিঃ মিঃ দূৰৰ লিট্‌লিঙ্কটত ৩ খন কেওলিনৰ ৰিজাৰ্ভ আছে। তেনে ৰিজাৰ্ভ জয়ন্তীয়া পাহাৰত ৪ খন আছে। পূব গাৰোপাহাৰৰ দাৰুগিৰিত কেওলিন মিশ্ৰিত শিল পোৱা যায়। চেৰাপুঞ্জীৰ চাৰ্কিট হাউচৰ পৰা ১/২ কিঃ মিঃ দূৰত বোকামাটিৰ স্তৰ এটা দেখা যায়। জয়ন্তীয়া পাহাৰৰ চুং উপত্যকা, টংচেঙ, ৰং বাম, চংচাক, নেংখ্ৰা, জেঙ্গিয়াণগিৰি, ৰেবক



আৰু দামুকগিথিমত প্ৰচুৰ পৰিমাণৰ বোকামাটি পোৱা যায়। তুৰা পাহাৰৰ নামনিত দেৰংগিৰিত আৰু দামালগিৰিত টাইল্‌চ তৈয়াৰ কৰিব পৰা উন্নত ধৰণৰ বগা মাটিৰ উৎস আছে।

আধুনিক যুগত ব্যৱহাৰ কৰা চিমেন্ট প্ৰকৃততে কৃত্ৰিম উপায়েৰে তৈয়াৰ কৰা এবিধ বোকামাটিহে। ১৮২৪ ইং চনত জোচেফ আস্পাদিন নামৰ এজন ৰাজমিস্ত্ৰীয়ে চিমেন্ট আৱিষ্কাৰ কৰিছিল। এটা ঘৰ সাজি থকা অৱস্থাত এদিন তেওঁৰ কাষত কিছুমান চুণশিলৰ টুকুৰা পৰি আছিল। এবাৰ তেওঁ সেই চুণ শিলৰ টুকুৰাবোৰ গুড়ি কৰি বোকামাটিৰ লগত মিহলাই ললে। তাৰপিছত সেই মিশ্ৰণটো তেওঁ প্ৰথমে গৰম কৰি ললে। মিশ্ৰনটো ঠাণ্ডা হবলৈ দিয়াত ই অতিশয় কঠিণ হৈ পৰিল আৰু গোটা হল। গোটা মিশ্ৰনটো পুনৰ গুড়ি কৰি দেখিলে যে এই মিশ্ৰণৰ পৰা এইবাৰ অতি মিহি কোমল পাউদাৰ এবিধ বাহিৰ হল। ইয়াৰ পিছত আস্পাদিনে পাউদাৰখিনি পানীৰ লগত সানি এবিধ থপ্‌থপীয়া মণ্ড তৈয়াৰ কৰি ইয়াক শিল জোৰা দিয়া কামত ব্যৱহাৰ কৰিলে। দেখিলে যে ইয়াৰে জোৰা দিয়া শিলবোৰ সুন্দৰ ভাৱে জোৰা লাগিছে। জোৰাবোৰ মজবুত হোৱা দেখিলে। ইয়াৰ পিছত তেওঁ পুনৰ উন্নত ধৰণৰ আঠাযুক্ত মাটি প্ৰস্তুত কৰিবলৈ প্ৰয়াস কৰিলে। সেয়েহে তেওঁ ৩ গুণ চুণৰ গুড়ি আৰু ১ গুণ বোকামাটি মিহলি কৰি এবিধ বিশেষ গুণ সম্পন্ন পাউদাৰ উৎপাদন কৰিলে। এই পাউদাৰ বিধেই হল চিমেন্ট।

মৃৎ শিল্পত পেঞ্চিল উৎপাদনো এটা আধুনিক পদ্ধতি। গ্ৰেফাইট আৰু বোকামাটিৰ মিশ্ৰণৰ মণ্ড তৈয়াৰ কৰি তাৰপৰা লীড পেঞ্চিলবোৰ তৈয়াৰ কৰা হয়। পেঞ্চিল উৎপাদনৰ কামটোৱো মৃৎ শিল্প।

যি মৃৎ শিল্পই নহওক কিয় ইয়াৰ মূল কেঁচামাল হল বোকামাটি। এই বোকামাটিৰ গুণ বা বৰণ অনুযায়ী মৃৎ শিল্পৰ উৎপাদনো বিশেষ বিশেষ মাণৰ হৈ পৰে।

বোন চাইনা (Bone China) এবিধ কৃত্ৰিম ভাৱে প্ৰস্তুত কৰা আঠা যুক্ত মাটি। স্পডো নামৰ এজন মৃৎ শিল্পীয়ে হাড়ৰ গুড়ি আৰু চীনা মাটি মিহলি কৰি এই বোন চাইনা নামৰ মাটিবিধ তৈয়াৰ কৰি তাৰে কাপ প্লেট, ফুলদানি, ধূপদানি আদি কাঁচৰ দৰে মিহিকৈ তৈয়াৰ কৰিবলৈ সক্ষম হৈছিল।

*******

# হীৰা সকলৰ মৃৎ শিল্পৰ কেঁচামাল আৰু ইয়াৰ উৎসবোৰ

অসমৰ থলুৱা হীৰা মৃৎ শিল্পী সকলে তেওঁলোকৰ শিল্পটোত ৫ বিধ কেঁচামাল ব্যৱহাৰ কৰে। যেনে - (১) হীৰামাটি আৰু আলতীয়া মাটি (২) বালি (৩) খৰি অথবা শুকান গোবৰ (৪) ধানৰ খেৰ অথবা নৰা আৰু (৫) তুঁহ অথবা কাঠৰ গুড়ি। এই কেঁচামাল কেইবিধৰ বিষয়ে আৰু এইবোৰৰ উৎস সম্পৰ্কে তলত চমুকৈ উল্লেখ কৰা হ'ল।

**(১) হীৰামাটি আৰু আলতীয়া মাটি ঃ-** হীৰা সকলে হীৰামাটি আৰু আলতীয়া বা কুমাৰমাটি কেঁচামাল হিচাবে ব্যৱহাৰ কৰে। ইয়াৰ ভিতৰত হীৰামাটি অতি উৎকৃষ্ট গুণ সম্পন্ন আৰু কুমাৰমাটি নিম্ন মাণৰ গুণ সম্পন্ন। ৰন্ধাবঢ়াৰ বাবে পানী গৰম কৰাৰ বাবে, বেছি পৰিমাণৰ শস্য জাতীয় বস্তু মজুত ৰখাৰ বাবে আৰু কাণি কাপোৰৰ লেখীয়া বস্তু বহুদিনলৈ সঞ্চয় কৰি ৰখাৰ বাবে যিবোৰ অতি মজবুত পাত্ৰৰ প্ৰয়োজন হয় তেনেবোৰ পাত্ৰ বা সামগ্ৰী হীৰামাটিৰে তৈয়াৰ কৰে। নব্য জগতৰ ধাতৱ আৰু প্লাষ্টিকৰ দ্বাৰা উৎপাদিত হোৱা ডাঙৰ ডাঙৰ পাত্ৰবোৰৰ ব্যৱহাৰ হোৱাৰ আগতে প্ৰাচীন কালত হীৰা মাটিৰে নিৰ্মিত ডাঙৰ ডাঙৰ কটা আৰু খাংবোৰ হীৰা সকলে তৈয়াৰ কৰি মানুহৰ মাজত চাহিদা পূৰণ কৰিছিল। তাৰোপৰি ঘৰত ব্যৱহাৰ হোৱা কলহ, টেকেলী, চৰু আদি নিত্য ব্যৱহাৰ্য্য সামগ্ৰীবোৰ হীৰামাটিৰেই তৈয়াৰ কৰা হয়। ইয়াৰ বাহিৰে বিয়া বাৰু, পূজা পাৰ্ব্বণ আৰু মৃতকৰ সকাম আদিৰ বাবে প্ৰয়োজন হোৱা কুমাৰ চৰু, কুমাৰ টেকেলী, ঘট্, চাকি, শৰমালা, ধূপ দানি, ধূনাদানি, মলা ইত্যাদি আলতীয়া বা কুমাৰ মাটিৰে তৈয়াৰ কৰা হয়।

হীৰামাটি দুষ্প্ৰাপ্য, কিন্তু আলতীয়া বা কুমাৰ মাটি সহজলভ্য। সেয়েহে হীৰামাটিৰ ক্ৰয়মূল্য বহু বেছি। কিন্তু কুমাৰ মাটিৰ ক্ৰয় মূল্য বহু কম। হীৰামাটি অসমৰ কেইখনমান জিলাৰ নিৰ্দ্দিষ্ট কেইখনমান ঠাইতহে উপলব্ধ। গতিকে হীৰা সকলে হীৰামাটি সংগ্ৰহ কৰিবলৈ দূৰ দূৰণিলৈ যাব লগাত পৰে। তাৰোপৰি ইয়াৰ উৎসবোৰৰ পৰা মাটি সংগ্ৰহৰ নামত চৰকাৰী ৰয়েল্টি আৰু স্থানীয় ৰাজহুৱা অনুষ্ঠান আদিত দান বৰঙনি দিব লগাত পৰে বাবে এই মাটি সংগ্ৰহৰ নামত বেছি খৰছ হয়। তাৰোপৰি পৰিবহন খৰছ আছেই। আনহাতে কুমাৰ মাটি ওচৰপাজৰে



থকা নৈ, বিল, নিজৰা, পিটনি আদিৰ পৰা সহজতে সংগ্ৰহ কৰিব পাৰি।

হীৰামাটি হীৰা সকলৰ বাবে দুৰ্লভ। হীৰামাটিৰ উৎসবোৰক হীৰাগাঁত, হীৰা বাথান, হীৰা ৰিজাৰ্ভ ইত্যাদি নামেৰে জনা যায়। সাধাৰণতে এই উৎসবোৰ চৰকাৰী ভূমিতে থকা দেখা গৈছে। উৎস বোৰৰ পৰা হীৰা সকলে কোৰ, খন্তী, অন্যান্য সঁজুলিৰে খান্দি মাটিৰ উপৰিভাগৰ পৰা প্ৰায় ২/৩ ফুট গভীৰতাত থকা হীৰা মাটি সংগ্ৰহ কৰে আৰু ট্ৰাক আদিৰে কঢ়িয়াই নিজ ঘৰলৈ আনি এঠাইত পুতি থয়। ব্যৱহাৰৰ সময়ত অলপ অলপকৈ উলিয়াই কৰ্মশালাত ব্যৱহাৰ কৰে। হীৰামাটি অতি আঠাযুক্ত। ইয়াৰ ৰং সাধাৰণতে ধোৱা বৰণীয়া। কোনো কোনো ৰিজাৰ্ভৰ হীৰামাটিৰ ৰং মুগা বা বাদামী আৰু কোনো উৎসৰ হীৰামাটিৰ ৰং ৰঙা আৰু গেৰুৱা। কুমাৰ মাটিৰ ৰং অতি উজ্জ্বল আৰু বগা। হীৰা মৃৎ শিল্পৰ প্ৰধান কেঁচামাল হীৰামাটি অসমৰ নিৰ্দ্দিষ্ট কেইখন মান ঠাইত পৰ্য্যাপ্ত পৰিমাণে থকা বুলি চিহ্নিত হৈছে। এনেবোৰ ঠাইকে হীৰামাটিৰ উৎস বুলি কোৱা হৈছে। চিহ্নিত হোৱা হীৰা মাটিৰ উৎসবোৰ তলত উল্লেখ কৰিলো।

অবিভক্ত কামৰূপ জিলাৰ - দীঘলী বিল, মলংজান, কেতেকীঝাৰ, সোনবিল, তেতেলীয়া, হীৰা গাটা, গৌৰীপুৰ, ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ অংশ বিশেষ, হাতীয়ানা, আমিনগাওঁ, ৰাণী, দিপৰ বিল, অবিভক্ত গোৱালপাৰা জিলাৰ বহতী, বালিজানা, শিঙিমাৰী বিল, গাৰোমাৰী বিল, টোপোলাখোৱা বিল, দ্বাৰকা, জিঞ্জীৰাম, লক্ষীপুৰ ধামৰ বিল, ঘিলাগুৰি, তামৰঙা বিল, জিনাৰী নৈৰ পাৰ, চৌতাৰা বিল, অবিভক্ত দৰং জিলাৰ - মহৰীয়া বাথান, খলিহৈ, চেল্লী দলগাওঁ, কুঁৱৰী জান, হীৰাগাটা, কানিদলগাওঁ, টেক্সিয়াৰ পাৰ, টুকুৰা চলা, মেদা দল, হুচেইন চুবুৰী, চ'কৰ মুখ, অবিভক্ত নগাওঁ জিলাৰ - কপিলী নদীৰ পাৰ, কলং নৈৰ পাৰ, সোনাইৰ পাৰ, আলিচিঙা আৰু হাৰিয়া পাৰত হীৰা মাটিৰ উৎস আছে।

উল্লেখযোগ্য যে ওপৰোক্ত হীৰামাটিৰ উৎসবোৰত সম্প্ৰতি এচাম অসাধু লোকে বেদখল কৰিবলৈ লৈছে। ইতিমধ্যে হীৰামাটিৰ ৰিজাৰ্ভৰ চৰকাৰী ভূমিৰ কিছু অংশ বেদখলকাৰীৰ কবলত আছে। ফলস্বৰূপে হীৰা সকলে হীৰামাটি সংগ্ৰহ কৰাৰ ক্ষেত্ৰত বহু সমস্যাই দেখা দিছে। অসম চৰকাৰে যদি উক্ত ঠাইবোৰ সুৰক্ষিত কৰাৰ ব্যৱস্থা নলয় তেনেহলে হীৰা মৃৎ শিল্পী সকলৰ শিল্পটোৰ যে মৃত্যু হব সেয়া খাটাং।

কামৰূপ জিলাৰ পুব বংশৰ মৌজাৰ বৰগাওঁ অঞ্চলৰ ৬, ৭, ২৪, ২৫, ২৬, ২৭, ২৮, ৫৭, ৫৮, ৫৯, ৬০, ৬৩, ৮৫, ৮৯, ৯০, ১০৫, ১০৮, ১০৯, ১১১, ১১২, ১১৩, ১১৪ নং দাগবোৰৰ মুঠ ৩৮ বিঘা ১ লোচা মাটি, দৰং জিলাৰ— মঙ্গলদৈ মহকুমাৰ কানিদলগাওঁ এলেকাত থকা ৪৪, ১০৬, ১৪৬, ২৫৪, ২৯০,

৩০২, ৩১৩, ৩৫৪, ৩৫৮, ৩৬৩, ৩৬৪ আৰু ৩৮৭ নং দাগ সমূহত থকা সমুদায় মাটিত হীৰামাটি প্ৰচুৰ পৰিমাণে আছে। উক্ত অঞ্চলবোৰ চৰকাৰে সংৰক্ষণ কৰি ৰাখিলে চৰকাৰী পক্ষইও মৃৎ শিল্পৰ কোনো ডাঙৰ আঁচনিৰ যোগেদি বৃহৎ উদ্যোগ স্থাপন কৰিব পাৰিব।

(২) **বালি** ঃ- মৃৎ শিল্পত হীৰা সকলে মাটিৰ পাত্ৰ তৈয়াৰ কৰিবলৈ পোনতে হীৰামাটি অথবা কুমাৰ মাটিৰ মণ্ড প্ৰস্তুত কৰে। মণ্ড প্ৰস্তুত কৰোতে বোকামাটি বিধৰ লগত নিৰ্দ্ধাৰিত পৰিমাণৰ বালি মিহলি কৰিব লাগে। মিহলি কৰা বালি খিনি বিশুদ্ধ হোৱা দৰকাৰ। বালিত যদি চানমাইকা, লো, শিল অথবা অন্য ধাতৱ পদাৰ্থ মিহলি হৈ থাকে তেনেহলে প্ৰস্তুত কৰা মণ্ড খিনিৰে তৈয়াৰ কৰা পাত্ৰবোৰ চেকুৰা চেকুৰি হৈ এৰা দিয়ে। গতিকে ব্যৱহাৰ কৰাৰ আগতে মৃৎ শিল্পীয়ে বালিখিনি চালনীৰে চালি লয়। মণ্ডত বালিৰ পৰিমাণ নিৰ্ভৰ কৰে মাটিবিধৰ গুণাগুণৰ ওপৰত। সাধাৰণতে মণ্ডত হীৰামাটিৰ আৰু বালিৰ পৰিমাণৰ অনুপাত ৬৫ : ৩৫। উল্লেখ্য যে বালিৰ লগত সাধাৰণ শ্ৰেণীৰ মাটি মিহলি হৈ থাকিব নালাগিব। মণ্ডত বালি মিহলোৱাৰ ফলত উৎপাদিত পাত্ৰবোৰ অতি কঠিন হয়। অৱশ্যে বালি অতি মিহি বা অতি ডাঙৰ আকাৰৰ হোৱা অনুচিত। ওচৰ পাজৰে থকা নৈৰ পৰা এই বালি সংগ্ৰহ কৰা হয়। মণ্ডৰ আঠা যিমানে বাঢ়ে উৎপাদিত সামগ্ৰীও সিমানে আটিল হয়।

(৩) **শুকান খৰি বা গোবৰ** ঃ- মৃৎ শিল্পীয়ে উৎপাদন কৰা মাটিৰ কেঁচা পাত্ৰ বা সামগ্ৰীবোৰ পোনতে ৰ'দত শুকাই লয় আৰু তাৰপিচত সেইবোৰ জুইত পুৰি পকা কৰি ব্যৱহাৰৰ উপযোগী কৰি তোলে। পাত্ৰবোৰ জুইত পোৰা পদ্ধতি কেবাটাও আছে যদিও হীৰা মৃৎ শিল্পী সকলে কেঁচা পাত্ৰবোৰ জুইত পোৰা পদ্ধতি সুকীয়া। এওঁলোকে প্ৰায় ১২ ফুট ব্যাসাৰ্দ্ধৰ ঘূৰণীয়া থুপা সাঁজি তাত জুই লগাই দি পাত্ৰবোৰ পুৰি পকা কৰে। কিন্তু এনে থুপাবোৰৰ ভিতৰৰ ফালে পাত্ৰবোৰৰ তলিত শুকান খৰি নাইবা তাৰ পৰিবৰ্ত্তে শুকান গোবৰ পৰিপাটিকৈ পাৰি লব লাগে। খৰি বা গোবৰৰ ওপৰত পাত্ৰবোৰ ভালদৰে জাপি লৈ থুপাটো প্ৰস্তুত কৰা হয়। প্ৰতিটো ডাঙৰ থুপাত প্ৰায় ১ কুইন্টল খৰিৰ প্ৰয়োজন। খৰিৰ অভাৱে গৰুৰ শুকান গোবৰ ব্যৱহাৰ কৰা হয়। সম্প্ৰতি খৰি আৰু গোবৰৰ সমস্যাই দেখা দিছে। পূৰ্ব্বতে শিল্পী সকলে এইবোৰ ওচৰ পাজৰৰ পাহাৰত পাইছিল।

(৪) **ধানখেৰ বা নৰা** ঃ- মাটিৰ কেঁচা পাত্ৰবোৰ পোৰাৰ বাবে প্ৰস্তুত কৰিব লগীয়া থুপাটোৰ বাবে শুকান ধানখেৰ বা নৰাৰ প্ৰয়োজন। ধানখেৰ নাপালে ধানৰ নৰা ব্যৱহাৰ কৰা হয়। অতীতত মানুহৰ কৃষি ভূমি যথেষ্ট আছিল বাবে ধানখেতিও



আছিল সন্তোষ জনক। শস্য পথাৰৰ পৰা ধান চপাই নিয়াৰ পিছত ধানৰ নৰাবোৰা আছিল সহজলভ্য। কিন্তু সম্প্ৰতি ধানখেৰ আৰু নৰাবোৰো গ্ৰামাঞ্চলত পৰ্য্যাপ্ত পৰিমাণে নোপোৱা হল। হীৰা সকলে পূৰ্ব্বতে কৃষক সকলৰ পৰা ধানখেৰ সহজতে সংগ্ৰহ কৰিব পাৰিছিল আৰু শস্যৰ পথাৰৰ পৰা নৰাও যথেষ্ট পৰিমাণে সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। এই সংগৃহীত খেৰ বা নৰাবোৰ পুঁজি বান্ধি সঞ্চয় কৰি থৈছিল আৰু প্ৰয়োজনত ব্যৱহাৰ কৰিছিল হীৰাসকলে। সাম্প্ৰতিক কালত এইবোৰ সহজতে নোপোৱা হল।

(৫) **তুঁহ** ঃ- মাটিৰ পাত্ৰবোৰ পোৰাৰ বাবে থুপাৰ ওপৰত দিবলৈ তুঁহ অৰ্থাৎ ধানৰ বাকলিৰ প্ৰয়োজন। অতীতত মৃৎ শিল্পী সকলে ওচৰ পাজৰে থকা গাওঁৰ মানুহৰ পৰা তুঁহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। কিন্তু আজিকালি প্ৰায় সকলো মানুহেই নিজৰ ঘৰৰ ঢেঁকীত ধান নাবানি মিলত ধান বানিবলৈ লোৱাত তুঁহবোৰ মিলতে ৰৈ যায়। মিলবোৰে তুঁহবোৰ বিনামূল্যে কাকো নিদিয়ে। গতিকে হীৰা মৃৎ শিল্পী সকলে আজিকালি প্ৰয়োজনীয় তুঁহ খিনিও ক্ৰয় কৰিহে সংগ্ৰহ কৰিব পাৰে।

*******

# মৃৎ শিল্পৰ উৎপাদনৰ প্ৰক্ৰিয়া

মৃৎ শিল্পৰ উৎপাদনৰ প্ৰক্ৰিয়া মানে ইয়াত কাৰিকৰীক দিশটোৰ কথাকে আলোচনা কৰিব বিচাৰিছো। এই ক্ষেত্ৰত আমি দেখিছো যে মৃৎ পাত্ৰ বা সামগ্ৰীবোৰ প্ৰস্তুত কৰোতে শিল্পী সকলে প্ৰধানকৈ তিনিটা পদ্ধতিত কাম কৰি উৎপাদন কৰে। প্ৰথম পদ্ধতি হল হাতেৰে শিল্প কৰ্ম সম্পন্ন কৰা। দ্বিতীয় পদ্ধতিত শিল্পীয়ে উৎপাদন কাৰ্য্য এটা চকা বা চাকৰ ওপৰত মাটিৰ মণ্ড থৈ চকা ঘূৰাই ঘূৰাই মৃৎ পাত্ৰবোৰ তৈয়াৰ কৰে। আনহাতে বৰ্ত্তমান যান্ত্ৰিক যুগত যন্ত্ৰ চালিত কাৰখানাত অনেক ৰকমৰ সামগ্ৰী উৎপাদন কৰা হয়। এয়া হল তৃতীয় পদ্ধতি। কিন্তু এই তৃতীয় পদ্ধতিটো বৰ্ত্তমানলৈ কোনো মৃৎ শিল্পীয়ে ব্যক্তিগত ভাৱে অৱলম্বন কৰা দেখা নাযায়। মাথো চৰকাৰী খণ্ডতহে এই পদ্ধতিটোৰ প্ৰৱেশ ঘটিছে।

প্ৰথমটো পদ্ধতিত সমগ্ৰ ভাৰতবৰ্ষৰে প্ৰায় ৬০% মৃৎ শিল্পীয়ে মৃৎ পাত্ৰ গঢ়া দেখা যায়। অসমৰ থলুৱা হীৰা মৃৎ শিল্পী সকলেও কেৱল দুয়োখন হাতেৰেই মাটিৰ মণ্ডৰ পৰা পাত্ৰবোৰ গঢ়ে। এই পদ্ধতিত মাটিৰ মণ্ড জোৰা দি দি একেটো পাত্ৰকে কাঠৰ পিটনী মাৰি এডাল আৰু গোলাকাৰ মিহি শিল এটাৰ সহায়ত পিটি পিটি পাত্ৰটো ক্ৰমান্বয়ে পৰিবৰ্দ্ধন কৰি পূৰ্ণাঙ্গ অৱস্থালৈ আনে। এই পদ্ধতিত এবাৰত একেলগে ১৫/২০ টা মান পাত্ৰ আৰম্ভ কৰি আটাই কেইটা পাত্ৰ একেলগে সম্পূৰ্ণ কৰে। এই পাত্ৰ একোটাৰ নিৰ্মাণৰ কাম খণ্ড খণ্ডকৈ আগবাঢ়ে। কাৰণ জোৰা দিয়াৰ সময়ত পাত্ৰবোৰ অলপ অলপ শুকাই শুকাইয়েই কাম কৰা হয় আৰু পৰিবৰ্দ্ধন কৰা হয়। হীৰা মৃৎ শিল্পী সকলৰ অধিকাংশ লোকেই এই পদ্ধতিটোৰে কাম কৰে। প্ৰায় ৮০% হীৰাই এই পদ্ধতিহে পচণ্ড কৰে।

দ্বিতীয় পদ্ধতিত মৃৎ শিল্পীয়ে মাটিৰ পাত্ৰবোৰ এটা চকাৰ ওপৰতে উৎপাদন কৰে। এই পদ্ধতিত পোনতে মাটিৰ মণ্ড চকা এটাৰ সোঁমাজত অলপ বেছি পৰিমাণে থাপি লয়। তাৰ পিছত চকাটো ঘূৰাই থাকি মণ্ডখিনিৰ পৰা দুয়ো হাতৰ কিটিপেৰে এটা পাত্ৰৰ আকৃতিত মাটিখিনি ক্ৰমান্বয়ে ওপৰলৈ আনি তাতেই একোটা পাত্ৰ প্ৰস্তুত কৰে। পাত্ৰৰ আকাৰ বা আকৃতি হাতৰ কিটিপেৰেই পানীৰ সহায়ত তৈয়াৰ কৰে। সাধাৰণতে এই পদ্ধতিৰে হীৰা সম্প্ৰদায়ৰ সকলো লোকে বাচন নগঢ়ে। এই চকাৰে পাত্ৰ নিৰ্মাণ কৰা পদ্ধতিত এবাৰত এটাকৈ পাত্ৰ একেবাৰে পূৰ্ণাংগ অৱস্থা প্ৰাপ্ত হৈ উঠে। পাত্ৰ এটা সম্পূৰ্ণ হৈ উঠাৰ লগে লগে সেইটো পাত্ৰক তলিৰ পৰা ছুৰী এখনেৰে কাটি চকাৰ ওপৰৰ মূল মণ্ডখিনিৰ পৰা পৃথক



কৰি লৈ আহে। এই পদ্ধতিৰ বিশেষত্ব হল এই যে - ইয়াত এবাৰতে প্ৰতিটো পাত্ৰ জোৰা নিদিয়াকৈ পূৰ্ণাঙ্গ প্ৰাপ্ত হয়। এনে পদ্ধতিত কম সময়ত অধিক উৎপাদন হয়। অসমত সাধাৰণতে কুমাৰ সম্প্ৰদায়ৰ মৃৎ শিল্পীয়ে এই পদ্ধতিৰেই উৎপাদন কৰে। অন্যান্য ৰাজ্যতো এনে পদ্ধতিৰে উৎপাদন কৰা মৃৎ শিল্পী আছে। কিন্তু হীৰা মৃৎ শিল্পী সকলৰ অতীতত এটা ধৰ্মীয় বিশ্বাস আছিল যে চকাৰে বাচন তৈয়াৰ কৰোতে পাত্ৰটোৰ সম্পূৰ্ণ হোৱা বা জন্ম হোৱাৰ লগে লগে তাক ছুৰীৰে বা অস্ত্ৰেৰে কাটি যিহেতু চকাৰ পৰা পৃথক কৰি অনা হয়, ইয়াক নাড়ী কটা কাৰ্য্য বুলি কোৱা হয়। ইয়াক চুৱা যোৱা বুলি এওঁলোকে অভিহিত কৰে। সেই বাবে প্ৰায়বোৰ হীৰা মৃৎ শিল্পীয়ে এই পদ্ধতিত বাচন উৎপাদন নকৰে। অৱশ্যে আজিকালি ২০% হীৰালোকেও এই পদ্ধতি ব্যৱহাৰ কৰিবলৈ লৈছে। এতিয়া মৃৎ শিল্পটোত নাড়ী কটা চুৱা থকা বুলি বহুতে নভবা হৈছে।

তৃতীয় পদ্ধতিত মাটিৰ সামগ্ৰী তৈয়াৰ কৰিবলৈ যথেষ্ট অৰ্থৰ প্ৰয়োজন। যান্ত্ৰিক কাৰখানা স্থাপন কৰি ব্যক্তিগত ভাবে মৃৎ শিল্পীয়ে মৃৎ সামগ্ৰী উৎপাদন কৰা সম্ভৱ নহয়। ই অতি ব্যয়বহুল। এই পদ্ধতি চৰকাৰৰ উদ্যোগ বিভাগেহে অৱলম্বন কৰে। উদাহৰণ স্বৰূপে ভাৰতৰ খাদী আৰু গ্ৰামোদ্যোগ আয়োগে (সংক্ষেপে KVIC) কেন্দ্ৰীয় ভাবে কৰ্ণাটকৰ বেলগাম জিলাৰ খানাপুৰত Central Village Pottery Institute নামে এটা বৃহৎ মৃৎ শিল্পৰ উদ্যোগ স্থাপন কৰিছে।

ওপৰত উল্লেখ কৰা তিনিওটা পদ্ধতিৰে মাটিৰ বাচন বৰ্ত্তন বা সঁজুলি উৎপাদন কৰিব পাৰি যদিও তৃতীয় পদ্ধতিটোত যন্ত্ৰইহে উৎপাদন কৰে। সি যিয়েই নহওক মৃৎ শিল্পত উৎপাদিত সামগ্ৰীবোৰ আকৌ ৩ টা পৰ্য্যায়ত সমাপ্ত কৰা হয়। কাৰিকৰীক দিশৰ ইও এটা বিশেষত্ব। এই পৰ্য্যায়বোৰ হল - মাটিৰ মণ্ড প্ৰস্তুতি, পাত্ৰ বা সামগ্ৰীৰ উৎপাদন আৰু জুইত পুৰি পাত্ৰবোৰ পকা কৰাৰ ব্যৱস্থা। এই তিনিটা পৰ্য্যায় অতিক্ৰম কৰাৰ পিছতহে মৃত্তিকাই প্ৰাণ পাই বিভিন্ন ব্যৱহাৰ্য্য সামগ্ৰীত ৰূপ লয়। অৰ্থাৎ মৃৎ শিল্পত উৎপাদন কৰিব লাগিলে পোনতে মাটিৰ মণ্ড প্ৰস্তুত কৰিব লাগিব। তাৰপিছত এই মণ্ডৰ পৰা বিভিন্ন পাত্ৰ বা সামগ্ৰী তৈয়াৰ কৰি লোৱা হয়। পাত্ৰবোৰ তৈয়াৰ কৰিলেই নহব। এইবোৰ কেঁচা অৱস্থাত ব্যৱহাৰৰ অনুপযোগী হৈ থাকে। সেয়েহে কেঁচা পাত্ৰবোৰ পোনতে ৰ'দত শুকাই লৈ জুইত পুৰিলে পকা হয় আৰু কঠিণ হৈ ব্যৱহাৰৰ বাবে উপযুক্ত হৈ উঠে।

উৎপাদনৰ প্ৰথম পৰ্য্যায়ত পোনতে মাটিৰ মণ্ড প্ৰস্তুত কৰিবই লাগিব। আমি ৰান্ধনি শালত ৰুটি তৈয়াৰ কৰিবলৈ যিদৰে পোনতে আটা বা ময়দা খিনি

পানীৰে সানি মাৰি লওঁ আৰু তাৰপিছত মাৰি লোৱা আটাখিনি বেলনাত পিহি ৰুটিবোৰ তৈয়াৰ কৰো, মৃৎ শিল্পতো পাত্ৰ তৈয়াৰ কৰাৰ আগতে ব্যৱহাৰ কৰিব খোজা আঠাযুক্ত মাটিখিনি একেবাৰে মিহি হোৱাকৈ মাটিখিনি খুন্দি পানী মিহলাই নৰম কৰি লোৱা হয়। মাটিখিনিত নিৰ্দ্ধাৰিত পৰিমানৰ বালি মিহলোৱা হয়। এইদৰে মাটি পানী আৰু বালি অতি সুন্দৰকৈ মাৰি লোৱাৰ পিচত ইয়াক মণ্ড বুলি কোৱা হয়। এই মণ্ড যিমান উৎকৃষ্ট গুণ সম্পন্ন হব, তাৰে উৎপাদিত সামগ্ৰীও সিমানে উন্নত মানৰ হব। মাটিৰ মণ্ড খিনিৰ আঠাৰ মাত্ৰাৰ ওপৰত নিৰ্ভৰ কৰে উৎপাদন কৰা সামগ্ৰীৰ গুণ। কোনো কোনো ৰাজ্যৰ বোকামাটিৰ আঠা একেবাৰে কম বা প্ৰয়োজন সাপেক্ষে মাটিৰ আঠা পাত্ৰ উৎপাদনৰ বাবে উপযোগী নহয়। তেনে ৰাজ্যৰ মৃৎ শিল্পৰ কাম কৰা লোকে মণ্ডত মাটিৰ আঠাৰ মাত্ৰা বঢ়াবৰ বাবে পানী, মাটি আৰু বালি মিহলি কৰাৰ উপৰি তাত গৰু, ম'হ, ঘোঁৰা আৰু গাধৰ কেঁচা গোবৰো মিহলি কৰিহে মণ্ড প্ৰস্তুত কৰে। ইয়াকে Tempering কৰা বুলি কোৱা হয়। কিন্তু অসমৰ হীৰা মৃৎ শিল্পী সকলে হীৰা মাটিৰ বা কুমাৰ মাটিৰ মণ্ড প্ৰস্তুত কৰিবলৈ লওতে মণ্ডৰ আঠা বৃদ্ধিৰ বাবে গৰু, ম'হ, ঘোঁৰা বা গাধৰ কেঁচা গোবৰ মাটিৰ লগত মিহলি কৰিব লগা নহয়। কাৰণ হীৰামাটি আৰু কুমাৰমাটিৰ আঠা পাত্ৰ উৎপাদনৰ বাবে উপযুক্ত। পানী আৰু বালি মিহলাই হীৰামাটিৰ পৰা প্ৰস্তুত কৰা মণ্ডত এনেবোৰ পদাৰ্থ মিহলি কৰাৰ প্ৰয়োজন নাই।

ভাৰতৰ অন্য কিছুমান ৰাজ্যৰ মৃৎ শিল্পীয়ে বোকামাটিৰ শুকান চপৰা পোনতে মিহিকৈ গুড়ি কৰি লয় আৰু পিচতহে পানী আৰু কেঁচা গোবৰ ইত্যাদি মিহলাই আঠাযুক্ত মণ্ড প্ৰস্তুত কৰে। কিন্তু অসমৰ হীৰা সকলে হীৰামাটি শুকাবলৈ নিদি সাধাৰণ মাটিত গাঁত খান্দি পুতি থয়। ব্যৱহাৰৰ সময়ত হীৰামাটি গাঁতৰ পৰা উলিয়াই লৈ তিতি জীপাল হৈ থকা অৱস্থাতেই খুন্দি মণ্ড প্ৰস্তুত কৰি হীৰা সকলে পাত্ৰ উৎপাদন কৰে। অৰ্থাৎ হীৰা মৃৎ শিল্পীয়ে হীৰামাটিৰ মণ্ড প্ৰস্তুত কৰোতে Tempering কৰাৰ প্ৰয়োজন নাথাকে। কাৰণ হীৰামাটি এনেয়ে অতি আঠাযুক্ত। তাতেই আকৌ তিতি নৰম হৈ থকা মাটিৰ পৰাহে মণ্ডবিধ প্ৰস্তুত কৰে। কিন্তু মধ্য প্ৰদেশৰ খিপ্ৰা অঞ্চলৰ পাত্ৰ তৈয়াৰ কৰা মৃৎ শিল্পীয়ে মাটিৰ মণ্ড প্ৰস্তুত কৰাৰ সময়ত ৪ গুণ মাটিৰ লগত ১ গুণ ঘোঁৰাৰ কেঁচা গোবৰ মিহলি কৰে। ইয়াৰ ওচৰৰে দেৱাচ নামৰ গাওঁত মৃৎ শিল্পীয়ে ৪ গুণ পিলি মিত্তীৰ লগত ২ গুণ ঘোঁৰাৰ গোবৰ আৰু ১/২ গুণ ছাঁই মিহলি কৰে। ৰাজস্থানৰ উদয়পুৰত মৃৎ শিল্পীয়ে পান্না, বুগ্গা আৰু গাৰো মাটি যথাক্ৰমে ৬ : ৪ : ৬ অনুপাতত মিহলি কৰি আঠাযুক্ত মণ্ড তৈয়াৰ কৰে।



মধ্য ভাৰতৰ মৃৎ শিল্পীয়ে সাধাৰণতে মণ্ড প্ৰস্তুত কৰোতে ঘোঁৰা বা গাধৰ কেঁচা গোবৰ ব্যৱহাৰ কৰে যদিও কোনো কোনো অঞ্চলত মণ্ড প্ৰস্তুত কৰোতে শিল্পীয়ে ছাই, ব্ৰণ, ছেফ আৰু খয়েৰ আদি পদাৰ্থ মিহলি কৰে। মিজোৰামৰ মৃৎ শিল্পীয়ে বেল লেই নামৰ ৰঙচুৱা মাটি এবিধৰ লগত কেওলিন আদি মিহলি কৰি মণ্ড প্ৰস্তুত কৰে। উত্তৰ প্ৰদেশৰ আলমোৰাত মৃৎ শিল্পীয়ে বোকামাটিৰ লগত Soap Stone নামৰ এবিধ পাউদাৰ মিহলি কৰি মণ্ড প্ৰস্তুত কৰি লয়।

মনত ৰাখিব লগা কথা যে - মণ্ড প্ৰস্তুত কৰোতে মেগনেচিয়াম, চ'ডা, চূণ, পটাছ, লো আৰু কাৰ্বন কোনো পধ্যেই মিহলি হব নালাগে। এয়াই হ'ল মণ্ড প্ৰস্তুত কৰাৰ নিয়ম। মৃৎ শিল্পৰ কৰ্মশালাত এই মণ্ড প্ৰস্তুতিৰ কামটো হ'ল প্ৰথম পৰ্য্যায়ৰ কাম। দ্বিতীয় পৰ্য্যায়ৰ কাম হ'ল ইতিমধ্যে প্ৰস্তুত কৰি লোৱা মণ্ডখিনি ব্যৱহাৰ কৰি ভিন ভিন আকৃতি আৰু আকাৰৰ পাত্ৰবোৰ তৈয়াৰ কৰাটো। অৰ্থাৎ উৎপাদনৰ কামটো দ্বিতীয় পৰ্য্যায়ৰ কাম।

দ্বিতীয় পৰ্য্যায়ত হীৰা মৃৎ শিল্পী সকলে গোলাকাৰ শিল (এটা ডাঙৰ আৰু এটা হাতৰ মুঠিত ৰাখিব পৰা আকাৰৰ), কাঠৰ পিটনী মাৰি আৰু বাঁহৰ পিহনী মাৰিৰ সহায়ত ভিন ভিন পাত্ৰ বা সামগ্ৰী তৈয়াৰ কৰে। মাটিৰ মণ্ডৰ পৰা যেনে আকৃতিৰ পাত্ৰ তৈয়াৰ কৰিব খোজা হয় তেনে আকৃতিৰ পাত্ৰকে দুয়ো হাতৰ পৰশেৰে হীৰা মৃৎ শিল্পী সকলে উৎপাদন কৰে। কেঁচা পাত্ৰবোৰ ৰ'দত মেলি দি ভালদৰে শুকাই লোৱা হয় যাতে পাত্ৰবোৰ জুইত পুৰি পকা কৰিবলৈ কোনো অসুবিধা নহয়। পাত্ৰ বা সামগ্ৰীবোৰ ৰ'দত শুকোৱাৰ পিচত পাত্ৰ ভেদে বা সামগ্ৰী ভেদে সেইবোৰৰ গাত ৰং দিয়াও দেখা যায়। শিল্পী সকলে পাহাৰীয়া অঞ্চলৰ পৰা সংগ্ৰহ কৰা এবিধ ৰঙা মাটি পানীত গুলি লৈ এবিধ ৰং তৈয়াৰ কৰে আৰু সেই ৰং (জুইত পোৰাৰ আগতে) পাত্ৰবোৰৰ গাত ঘঁহি দেখাত পাত্ৰবোৰ সুন্দৰ কৰি তোলে। এইখিনিলৈকে উৎপাদন প্ৰক্ৰিয়াৰ দ্বিতীয় পৰ্য্যায়ৰ কাম।

ইয়াৰ পিচৰ পৰ্য্যায়ত পাত্ৰবোৰ পুৰি পকা কৰা হয়। সামগ্ৰিক ভাৱে মৃৎ শিল্পী সকলে কেঁচা পাত্ৰবোৰ জুইত পুৰি পকা কৰা পদ্ধতি তিনি ধৰণৰ— চৌকা, বিশেষ ধৰণৰ ভাটি আৰু থুপা। অসমৰ হীৰা মৃৎ শিল্পী সকলে ডাঙৰ থুপা সাজি তাৰ জুইত কেঁচা পাত্ৰবোৰ পোৰা দেখা যায়। গৰু বন্ধা গোহালিত মহ ডাঁহ ইত্যাদি খেদিবলৈ যিদৰে মানুহে থুপা দিয়ে, তেনে ধৰণৰ ডাঙৰ থুপা সাজি হীৰা সকলে মাটিৰ পাত্ৰ পোৰাৰ ব্যৱস্থা কৰে।

কিন্তু এই থুপা বিশেষ ধৰণৰ। এই থুপাৰ বাবে পোণতে আহল বহল মুকলি ঠাই এডোখৰত বৃত্তাকাৰত শুকান খেৰ বা ধানৰ নৰা প্ৰায় ৪ ইঞ্চিমান

ডাঠকৈ পাৰি লয়। তাৰপিচত খেৰৰ ওপৰত শুকান খৰি বা শুকান গোবৰৰ স্তৰ এটা ৩ ইঞ্চি মান ডাঠকৈ পৰিপাটিকৈ পাৰি লোৱা হয়। এই খৰিৰ স্তৰটোৰ ওপৰত শুকাই লোৱা কেঁচা পাত্ৰ বা সামগ্ৰীবোৰ সুন্দৰকৈ জাপি লৈ তাৰ উপৰিভাগ আৰু চৌপাশে পুণৰ খেৰ জাপি ঢাকি দিয়া হয়। তাৰ ওপৰত পুণৰ ২ ইঞ্চি মান ডাঠকৈ তুঁহৰ স্তৰ এটাৰে লেপ দিয়া হয়। ইয়াৰ পিচত সেই প্ৰস্তুত হৈ উঠা থুপাটোত চাৰিওফালে জুই লগাই দিয়া হয়। এইদৰে থুপাটো পুৰি শেষ হবলৈ প্ৰায় ১২ ঘণ্টা সময় লাগে। খৰি, খেৰ, তুঁহবোৰ পুৰি ছাঁই হৈ যোৱাৰ পিচত ভিতৰত জাপি দিয়া পাত্ৰবোৰ পুৰি পকা হয় আৰু ৰংচুৱা হৈ পৰে। এয়া হ'ল অসমৰ হীৰা সকলে কেঁচা পাত্ৰ পুৰি পকা কৰা পদ্ধতি।

দক্ষিণ ভাৰত, পশ্চিমবঙ্গ আৰু মহাৰাষ্ট্ৰত খৰিৰ বা কয়লাৰ ডাঙৰ চৌকা ব্যৱহাৰ কৰি মৃৎ শিল্পী সকলে মাটিৰ কেঁচা পাত্ৰ পুৰি পকা কৰে। কিছুমান অঞ্চলত Kiln Firing System তো কেঁচা পাত্ৰ পোৰে। এই পদ্ধতিত আজিকালি জম্মু, কাশ্মীৰ, জলন্ধৰ, ভাটিয়া, ডেৰাডুন, জুনাগড়, কটক আৰু গঞ্জাম ইত্যাদিতো কেঁচা পাত্ৰ পুৰি পকা কৰে। এই পদ্ধতিটো এটা আধুনিক পদ্ধতি। মাটিৰ কেঁচা পাত্ৰবোৰ সুন্দৰকৈ জাপি লৈ তাৰ মাজেদি গৰম গেচ অতিক্ৰম কৰাই দিলে পাত্ৰবোৰ পকা হৈ উঠে। অসমত চৰকাৰী অনুষ্ঠান হস্ত শিল্প আৰ্হি গৱেষণা কেন্দ্ৰই এবিধ বিশেষ ধৰণৰ ভাটি ব্যৱহাৰ কৰি মাটিৰ পাত্ৰবোৰ কেনেদৰে পুৰি পকা কৰিব পাৰি তাৰে প্ৰশিক্ষণ দি আছে অসমৰ হীৰা মৃৎ শিল্পী সকলক। কাৰণ থুপা পদ্ধতিৰে পাত্ৰ পুৰিবলৈ যিবোৰ বস্তুৰ প্ৰয়োজন হয় সেইবোৰ আজিকালি সহজলভ্য হৈ থকা নাই।

হীৰা মৃৎ শিল্পী সকলে মাটিৰ বাচন বা পাত্ৰবোৰ উৎপাদন কৰে হাতেৰে। তেওঁলোকে চকা ব্যৱহাৰ নকৰে। কেইপদমান সঁজুলি লৈ তাৰে মৃৎ পাত্ৰ উৎপাদন কৰে। এই সঁজুলিবোৰ তলত চমু চমুকৈ উল্লেখ কৰা হ'ল।

(১) **শিলপাত** — ই হল প্ৰায় ৫" মান ডাঠ আৰু ২/৩ ফুট ব্যাসাৰ্দ্ধৰ এচটা ঘূৰণীয়া চেপেটা শিল। উপৰিভাগ সমতল আৰু মিহি। হীৰামাটিৰ মণ্ডবিধ তৈয়াৰ কৰিবলৈ এই চেপেটা শিলপাত খনৰ ওপৰত হীৰামাটি খিনি খুন্দি পানী বালি আদি মিহলাই মাটি খিনি ভালদৰে মাৰি লোৱা হয়।

(২) **গাইন** — ৪/৫ ফুট দীঘল কাঠ এডালেৰে তৈয়াৰ কৰি লোৱা এইবিধ হ'ল গোলাকাৰ সঁজুলি। ইয়াৰ এটা মুৰ সাধাৰণ সৰু, আনটো মুৰ ভোটা। সৰু মুৰটোৰ ফালে দুয়োখন হাতেৰে ভালদৰে ধৰিব পাৰি। সাধাৰণতে ইয়াক গছৰ ডালৰ দ্বাৰা তৈয়াৰ কৰা হয়। এই গাইনেৰে শিলপতাৰ ওপৰত হীৰামাটি খুন্দিব



পাৰি।

(৩) **দান শিল** — ৫/৬ ইঞ্চি ব্যাসাৰ্দ্ধৰ ই এটা গোলাকাৰ শিল। ইয়াৰ উপৰিভাগ অতি নিমজ। এই শিলটো মাটিৰ এঠাইত ভালদৰে বহুৱাই লোৱা হয় যাতে সহজতে ই লৰচৰ নহয়। এই শিলৰ ওপৰত মাটিৰ মণ্ডবোৰ চেপেটা পিঠাৰ দৰে কৰি লৈ পিটনি মাৰিৰে পিটি পিটি মাটিৰ পাত্ৰৰ আকাৰ অনুসৰি পৰিবৰ্দ্ধন কৰিব পাৰি।

(৪) **হাত শিল** — ডেৰ দুই ইঞ্চি ব্যাসাৰ্দ্ধৰ ইও এটা গোলাকাৰ শিল। চাৰিওফাল অতি মিহি। এখন হাতেৰে ইয়াক সহজতে ধৰি ৰাখি ইয়াৰে নিৰ্মিয়মান পাত্ৰটো পিটিবলৈ ব্যৱহাৰ কৰা হয়। গঢ়ি থকা পাত্ৰ এটাৰ ভিতৰফালে এখন হাতেৰে এই শিলটো ধৰি ৰখা হয় আৰু আনখন হাতেৰে বাহিৰফালৰ পৰা পিটনি মাৰিৰে পাত্ৰটো পিটি থকা হয়।

(৫) **পিটনি মাৰি** — ই হ'ল কাঠৰ চাৰি সিৰীয়া এডাল ১ ফুটমান দীঘল মাৰি। হাতৰ মুঠিৰ মাজতে ধৰি ৰাখি ইয়াৰে নিৰ্মিয়মান পাত্ৰটো পিটিবলৈ যাতে সহজ হয় তাৰ প্ৰতি লক্ষ ৰাখি ইয়াক তৈয়াৰ কৰি লোৱা হয়। মাৰি ডাল অতি মিহিকৈ চাঁচি লোৱা হয় যাতে ইয়াৰে কোবাই বা পিটি থকা পাত্ৰটোৰ গাত ওখোৰা মোখোৰা আঁচোৰ নালাগে।

(৬) **পিহনি মাৰি** — উৎপাদন কৰা পাত্ৰ একোটাৰ গাটো অতি মিহি বা নিমজ কৰাৰ বাবে বাঁহ গছৰ চেকনি এডাল ৫ ইঞ্চি মান দীঘলকৈ কাটি লোৱা হয়। ইয়াৰে পাত্ৰৰ গাটো পিহি পিহি অতি মিহি কৰিব পাৰি।

(৭) **বিন্ধনা মাৰি** — কিছুমান পাত্ৰ বা সামগ্ৰী তৈয়াৰ কৰোতে পাত্ৰটোৰ অংশ বিশেষত কেতিয়াবা বিন্ধা কৰিব লগা হয়। তাৰবাবে বিন্ধনা মাৰি এডাল ব্যৱহাৰ কৰা হয়। সাধাৰণতে এই মাৰি ডালো বাঁহৰ চেকনিৰ পৰাই তৈয়াৰ কৰি লোৱা দেখা যায়।

(৮) **ফুলকটা মাৰি** — পাত্ৰৰ গাত ফুল আঁকিবলৈ তিনি সিৰীয়া ৫ ইঞ্চি মান দীঘল এডাল মাৰি ব্যৱহাৰ কৰা হয়। ইয়াক বাঁহ নাইবা কাঠেৰে তৈয়াৰ কৰি লোৱা হয়। ইয়েই ফুল কটা মাৰি। কিছুমান ফুলকটা মাৰিত কিছু সাঁচ বা খাজ কাটি লোৱা হয়। এনেবোৰ মাৰিৰে কেঁচা অৱস্থাত চাপ দিলে এই সাঁচবোৰ পাত্ৰৰ গাত অঙ্কিত হয়।

(৯) **কাপোৰৰ লেচী** — অসমৰ হীৰা মৃৎ শিল্পী সকলে এটুকুৰা কাপোৰ ভাঁজ দি লৈ তাক পানীত তিয়াই লয় আৰু সেই তিওৱা কাপোৰ খনকে লেচী বোলা হয়। পাত্ৰ এটা সম্পূৰ্ণ হৈ উঠাৰ পিছত এই লেচীখনেৰে পাত্ৰৰ গাটো পিহি দিয়ে। ইয়াৰ ফলত পাত্ৰটোৰ গাত কিবা আচোৰ আদি লাগি থাকিলেও সি নোহোৱা

হৈ যায়।

ওপৰত উল্লেখ কৰা সঁজুলিবোৰ হাতেৰে পাত্ৰ গঢ়া পদ্ধতিত ব্যৱহাৰ কৰাৰ প্ৰয়োজন হয়। গতিকে দেখা যায় যে - চকাত তৈয়াৰ কৰা পদ্ধতিতকৈ হাতেৰে গঢ়া পদ্ধতিত কামৰ খাটনি বহুত বেছি হয়। দুয়োটা পদ্ধতিত বিভিন্ন ধৰণৰ পাৰ্থক্য চকুত পৰে। যেনে - চাকত পাত্ৰ গঢ়িলে এটা এটাকৈ প্ৰত্যেকটো পাত্ৰ এবাৰতে অথবা একেবাৰে সম্পূৰ্ণ হয়। কিন্তু হাতে গঢ়া পদ্ধতিত একোটা পাত্ৰকে খণ্ড খণ্ডকৈ কেবাটাও জোৰা দি পাত্ৰ তৈয়াৰ কৰা হয়। তেনেদৰে চাকত মৃৎ শিল্পীয়ে এটা পাত্ৰ আৰম্ভ কৰে আৰু তাক একেলগে শেষো কৰে। কিন্তু হাতেৰে গঢ়োতে এবাৰতে কেবাটাও পাত্ৰ একেলগে বা এবাৰতে আৰম্ভ কৰে আৰু শেষ পৰ্য্যায়ত এনেদৰে আটাই কেইটা পাত্ৰ সম্পূৰ্ণও কৰে। চকাত তৈয়াৰ কৰা পাত্ৰ দহোটা আঙুলিৰ কিটিপতে নিৰ্মিত হয়। কিন্তু হাতেৰে গঢ়া পদ্ধতিত বিভিন্ন সঁজুলিৰেহে পাত্ৰবোৰৰ আকাৰ দিয়া হয়। গতিকে চকাত তৈয়াৰ কৰিবলৈ পাত্ৰৰ বাবে যি মণ্ড ব্যৱহাৰ হয় সেই মণ্ড বেছি কোমল কৰি প্ৰস্তুত কৰি লোৱা হয়। কিন্তু হাতে গঢ়া পদ্ধতিত মণ্ড বিধ কিছু পৰিমাণে টান কৰি প্ৰস্তুত কৰে। যিয়েই নহওক চাকত গঢ়া আৰু হাতে গঢ়া পদ্ধতিত বৰ্ত্তমানে হীৰা মৃৎ শিল্পীয়ে মৃৎ পাত্ৰ উৎপাদন কৰে। ধৰ্মীয় পৰম্পৰা ভঙ্গ কৰি চকাৰে পাত্ৰ গঢ়া পদ্ধতি সম্প্ৰতি কিছুমান হীৰা গাওঁত দেখিবলৈ পোৱা গৈছে।

হীৰা সকলৰ কৰ্মক্ষেত্ৰ খনত পৰিয়ালৰ আটাইবোৰ সদস্যই জড়িত হয়। মৃৎ শিল্পটোৰ কৰিব লগীয়া কামবোৰত পুৰুষ বা মহিলা বুলি কোনো কথা বা ভিন্নতা নাই। পৰিয়ালৰ মাক দেউতাক, লৰা ছোৱালী সকলোৱে শিল্প কৰ্মত নিজকে ব্যস্ত ৰখা দেখা যায়। অৱশ্যে কামৰ গুৰুত্ব আৰু লঘুত্বলৈ চাই প্ৰয়োজন সাপেক্ষে কিছুমান কাম অকল প্ৰাপ্ত বয়স্ক মতা মানুহে কৰে। আনহাতে কিছুমান কাম মাইকী মানুহে কৰে। উদাহৰণ স্বৰূপে কেঁচামাল হীৰামাটি সংগ্ৰহ কৰিবলৈ দূৰণিৰ ৰিজাৰ্ভ আদিলৈ যাব লাগে বাবে হীৰামাটি সংগ্ৰহ কৰা অতি কষ্টকৰ কাম ফেৰা মতা লোক সকলে কৰে। তেনেদৰে আনবোৰ কেঁচামাল সংগ্ৰহ কৰা, শিল্পত উৎপাদিত সামগ্ৰীবোৰ বিক্ৰী কৰিবলৈ দূৰ ঠাইলৈ লৈ যোৱা ইত্যাদি কামবোৰ মতা লোক সকলে কৰে।

মহিলা মৃৎ শিল্পী সকলে সাধাৰণতে ঘৰতে থাকি মৃৎ শিল্পৰ কামবোৰ কৰা দেখা যায়। কেঁচা পাত্ৰ তৈয়াৰ কৰাৰ বাবে মাটিৰ মণ্ড প্ৰস্তুতিৰ কাম, মৃৎ পাত্ৰ উৎপাদনৰ কাম, কেঁচা পাত্ৰবোৰ ৰ'দত শুকোৱা আৰু জুইত পোৰা আদি কামবোৰ মহিলা মৃৎ শিল্পী সকলেই কৰে। অৱশ্যে ওচৰ পাজৰৰ ঠাইবোৰলৈ মহিলা সকলে মৃৎ পাত্ৰ বিক্ৰীৰ কামতো নিজকে কেতিয়াবা ব্যস্ত ৰাখে। হীৰা



সম্প্ৰদায়ৰ মহিলা সকলক 'হীৰেণী' নামেৰে জনা যায়। মৃৎ পাত্ৰ তৈয়াৰ কৰা কিছুমান অভিজ্ঞ হীৰেণী আছে। এই অভিজ্ঞ হীৰেণীৰ হাতেৰে উৎপাদিত হীৰামাটিৰ বাচন বা সামগ্ৰীবোৰ অতি মৰম লগা, মজবুত আৰু আকৰ্ষণীয় হয়। এনে হীৰেণীৰ হাতে গঢ়া পাত্ৰ গ্ৰাহকৰ অতি পচণ্ড হয়। নাগাৰা, ডবা, কটা, খাং আদিৰ লেখীয়া ডাঙৰ সামগ্ৰীবোৰ পাকৈত হীৰেণীয়েহে তৈয়াৰ কৰিব পাৰে।

গ্ৰাহকৰ মনোগ্ৰাহী হোৱাকৈ পাত্ৰবোৰ উৎপাদন কৰিব পাৰিলে মৃৎ শিল্পৰ ব্যৱসায়টোত উন্নতি কৰিব পৰাৰ আশা বেছিকৈ থাকে। মুঠতে কবলৈ গলে হীৰা মৃৎ শিল্পটোৰ উৎপাদন প্ৰক্ৰিয়াত হীৰেণী সকলৰ কৰ্ম নিপুনতা এটা উল্লেখযোগ্য দিশ।

*******

# হীৰা মৃৎ শিল্পত উৎপাদিত সামগ্ৰীসমূহৰ চমু বিৱৰণ

অসমৰ হীৰা মৃৎ শিল্পী সকলে উৎপাদন কৰা সামগ্ৰী সমূহক লৈ অতীজৰ পৰাই অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ লোক গৌৰৱান্বিত। ধাতৱ বাচন বৰ্ত্তন বজাৰত নোলোৱা দিনৰ পৰা উত্তৰ পূৰ্বাঞ্চলৰ মানুহে গৃহস্থালিৰ দৈনন্দিন কামৰ বাবে প্ৰয়োজন হোৱা আটাইবোৰ সামগ্ৰীৰ চাহিদা পূৰণ কৰিবলৈ মৃৎ পাত্ৰবোৰ ব্যৱহাৰ কৰিছিল। ৰন্ধাবঢ়া পাত্ৰ, খোৱা খাদ্য আৰু শস্য সঞ্চয় কৰি ৰখা আদিৰ পৰা আৰম্ভ কৰি বিভিন্ন খেলৰ সামগ্ৰীলৈ সকলো ধৰণৰ পাত্ৰ আৰু সা-সঁজুলি অসমৰ হীৰা সকলে উৎপাদন কৰি আহিছে।

উত্তৰ-পূব ভাৰতৰ আটাইবোৰ জনগোষ্ঠীৰ ৰুচি অনুসৰি বিভিন্ন আকৃতি আৰু আকাৰৰ বাচনবৰ্ত্তন হীৰা মৃৎ শিল্পত উৎপাদন হৈছিল। সম্প্ৰতি যদিও কিছুমান সামগ্ৰীৰ স্থান ধাতৱ পাত্ৰই দখল কৰিছে তথাপি অনেক আৰ্হিৰ বাচন বৰ্ত্তন সা-সামগ্ৰী এতিয়াও গ্ৰাম্য সমাজবোৰত প্ৰচলিত হৈ আছে। থলুৱা হীৰা মৃৎ শিল্পই সঁচাকৈয়ে এই অঞ্চলটোৰ সমাজত কুটীৰ শিল্পৰ নিদৰ্শন ডাঙি ধৰি আছে। এনেকি ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত অসমলৈ আহোতে জাতিৰ পিতা মহাত্মা গান্ধীয়ে হীৰা সকলৰ হঁস্ত শিল্প দেখি অভিভূত হৈছিল। নব্য সমাজত মৃৎ শিল্পজাত সামগ্ৰীবোৰৰ চাহিদা বহুত লাঘৱ হ'ল যদিও হীৰা সকলৰ হঁস্ত শিল্পৰ সামগ্ৰীবোৰ ইতিহাসে কেতিয়াও মচি পেলাব নোৱাৰে। হীৰা মৃৎ শিল্পী সকলে উৎপাদন কৰা সামগ্ৰীবোৰৰ এটা চমু বিৱৰণ তলত দিয়া হ'ল।

(১) কলহ — সাধাৰণতে এই পাত্ৰ ঘৰত পানী সঞ্চয় কৰি ৰাখিবলৈ ব্যৱহাৰ কৰা হয়। মাটিৰ কলহত ৰখা পানী সদায় ঠাণ্ডা হৈ থাকে। কলহৰ আন এটা নাম হাড়ী। কলহ অকল পানী সঞ্চয় কৰা কামতেই ব্যৱহাৰ নহয়। জনজাতীয় লোক সকলে এবিধ নিচাজাতীয় পানীয় প্ৰস্তুত কৰিবলৈও কলহ বা হাড়ী ব্যৱহাৰ কৰে।

(২) আদ কলহ — কলহ এটাৰ প্ৰায় আধা আকাৰৰ পাত্ৰ হ'ল আদ কলহ। আকৃতি কলহৰ দৰে। ইয়াত পানী ৰখা নহয়। গ্ৰাম্য এলেকাৰ কৃষক সকলে কুঁহিয়াৰৰ ৰস সঞ্চয় কৰি বিক্ৰী কৰাৰ বাবে এই আদ কলহবোৰ ব্যৱহাৰ কৰে।



(৩) টেকেলি — টেকেলিৰ আকৃতিও কলহৰ দৰে। কিন্তু আকাৰত এটা কলহৰ ১/৪ ভাগ মান হ'ব বা তাতকৈও সৰু। দুই এক লিটাৰ মান দৈ, কুঁহিয়াৰৰ ৰস বা আন জুলীয়া দ্ৰব্য অনা নিয়া কামত ইয়াক ব্যৱহাৰ কৰা হয়। তাৰোপৰি চাউলৰ গুড়িৰে এবিধ পিঠা তৈয়াৰ কৰা কামত টেকেলি ব্যৱহৃত হয়। অসমৰ মানুহৰ টেকেলি পিঠা জনপ্ৰিয়।

(৪) চৰু — অতীত কালত মানুহে মাটিৰ চৰুত আঞ্জা ৰান্ধিছিল। তাৰোপৰি পিঠা, চিৰা, আখৈ আৰু সান্দহ ভজা কামত মানুহে চৰু ব্যৱহাৰ কৰে।

(৫) বেৰিয়া — ই হ'ল বহল মুখৰ পাত্ৰ। ঘৰৰ বিভিন্ন খাদ্য দ্ৰব্য এই বেৰিয়াবোৰত সঞ্চয় কৰি ৰাখিব পাৰি। প্ৰয়োজন অনুসৰি বেৰিয়াৰ আকাৰবোৰ ডাঙৰ বা সৰুকৈ তৈয়াৰ কৰা হয়। দৈ প্ৰস্তুত কৰিবলৈ ডাঙৰ বেৰিয়া ব্যৱহাৰ কৰা হয়। জুলীয়া দ্ৰব্য অনা নিয়া কামত ব্যৱহাৰ কৰিবলৈ ই উপযোগী।

(৬) মলা — বেৰিয়াবোৰত ঢাকনি হিচাবে মলা ব্যৱহাৰ কৰা হয়। মলাবোৰ সাধাৰণতে সৰু বেৰিয়াত ব্যৱহাৰ কৰিবলৈ উপযোগী। জাতীয় উৎসৱ বিহুৰ সময়ত আগতে মানুহে এই মলাত মাহ কড়াই লৈ খাইছিল। অতীতত বিয়া বাৰু আদিত জলপান দিয়া কামত মলা ব্যৱহাৰ কৰা হৈছিল। আজিকালি তেনে কামত মলা ব্যৱহৃত নহয়।

(৭) গুৰুপী — বেৰিয়াৰ আকাৰ একেবাৰে ক্ষুদ্ৰ হলে তাক গুৰুপী বোলে। নিচেই কম পৰিমাণৰ জুলীয়া দ্ৰব্য অনা নিয়া বা ৰখা কামত ই ব্যৱহৃত হয়। এই পাত্ৰৰ মুখত ঢাকনি থাকে।

(৮) কটা — বেৰিয়াৰ দৰে ইও বহল মুখৰ পাত্ৰ যদিও কটাবোৰ বৃহৎ আকাৰৰ। এই কটাবোৰ এঠাইৰ পৰা আন ঠাইলৈ কঢ়িয়াব নোৱাৰি। ইয়াক ঘৰৰ ভিতৰতে এঠাইত ভালকৈ বহুৱাই থৈ ইয়াত মাহ, সৰিয়হ জাতীয় শস্য আৰু কানি কাপোৰ সংৰক্ষণ কৰি ৰাখিব পাৰি। পুৰণি কালত মানুহে চাউল আৰু বয় বস্তু কটাতেই ৰাখিছিল।

(৯) খাং — কটাতকৈও ডাঙৰ আৰু মজবুত বহল মুখৰ পাত্ৰ হ'ল খাং। পুৰণি কালত মানুহে এমোণ বা ততোধিক ওজনৰ পৰিমাণৰ

চাউল, মাহ, কলাই, সৰিয়হ আদি ৰাখিবলৈ খাং ব্যৱহাৰ কৰিছিল। এই পাত্ৰত মলিয়ন কাপোৰ চ'ডা পানীৰে গৰম পানীত উখোৱা কামো আগতে মানুহে কৰিছিল। এনেবোৰ পাত্ৰ লৰচৰ নকৰা কামতহে ব্যৱহাৰ কৰা হৈছিল।

(১০) **কুমাৰ চৰু** — পূজা পাৰ্ব্বন আদিত পুৰোহিতে যি পাত্ৰত ঘি গলাই লৈ হোম খৰিত ঢালে সেই মলা সদৃশ পাত্ৰৰ নাম কুমাৰ চৰু। হীৰা সকলৰ ধৰ্ম বিশ্বাস অনুসৰি এই কুমাৰ চৰু হীৰামাটিৰে তৈয়াৰ কৰা অনুচিত। কাৰণ হীৰা মাটিত অসুৰৰ তেজ মিহলি হৈ থাকে বুলি লোক বিশ্বাস আছে। গতিকে ইয়াক কুমাৰ মাটিৰে গঢ়ে।

(১১) **ঘট্‌ বা কুমাৰ টেকেলি** — পূজা আদিৰ মণ্ডপত পুৰোহিতে টেকেলি সদৃশ যিটো পাত্ৰ সংস্থাপন কৰি তাক পানীৰে পূৰ্ণ কৰি ওপৰত আম পাত সংস্থাপন কৰে সেই পাত্ৰটোৰ নাম ঘট্‌। মৃৎ শিল্পী সকলে দুই প্ৰকাৰৰ ঘট্‌ তৈয়াৰ কৰে। কিছুমান ঘট্‌ যদিও টেকেলি এটাৰ দৰে উকা, কিছুমান ঘটৰ গাত ফুল আঁকি দেখাত সুন্দৰ কৰি তৈয়াৰ কৰে। সেয়া হ'ল ফুলাম ঘট্‌।

(১২) **চাকি** — মন্দিৰ, পূজা পাৰ্ব্বণৰ স্থলী আৰু বিয়াবাৰু অথবা উৎসৱৰ স্থলীত মিঠা তেলৰ চাকি জ্বলোৱাটো হিন্দু সমাজৰ পৰম্পৰা। এই চাকিবোৰ কুমাৰ মাটি বা আঠালেতীয়া মাটিৰে হীৰা সকলে উৎপাদন কৰে। এয়া হ'ল সাধাৰণ শ্ৰেণীৰ চাকি।

(১৩) **কেৰাচিন তেলৰ চাকি** — বিজুলী বাতিৰ আলোকেৰে আলোকিত নোহোৱা গ্ৰামাঞ্চলত মানুহে কেৰাচিন তেলেৰে এবিধ চাকি জ্বলায়। এই চাকিৰ গাত হেণ্ডেল অৰ্থাৎ হাতেৰে ধৰাৰ সুবিধা থাকে। এই মাটিৰ চাকিত পিতলৰ চাকিতকৈ কম কেৰাচিন খৰছ হয়। কাৰণ এইবোৰ গৰম নহয়।

(১৪) **কেৰাহী** — ধাতুৰে নিৰ্মিত কেৰাহী বজাৰত নোলোৱা সময়ত মানুহে হীৰা মাটিৰে নিৰ্মিত কেৰাহীত ৰন্ধা বঢ়া কাম কৰিছিল। এনেকি এতিয়াও অতি পিছ পৰা ঠাইত কোনো কোনো লোকে মাটিৰ কেৰাহী ব্যৱহাৰ কৰা দেখা যায়।

(১৫) **শৰমালা** — ই এবিধ মাজত বিন্ধা থকা চাকি। বিয়া বাৰু আদি উৎসৱ পৰ্ব্ববোৰত পদুলি মুখত থিয় কৰোৱা দুডাল কলগছক সংলগ্ন কৰাকৈ খেৰৰ ৰছীৰে শৰমালা চাকিৰ মালা এধাৰি গাঠি দিয়া হয়। দৰা যাত্ৰী কইনাৰ ঘৰলৈ সোমাই আহোতে এই শৰমালাৰ তলেদি আহিব লাগে।



(১৬) **ধূপ দানি** —ধূপ খাটি জ্বলোৱা বাবে ব্যৱহাৰ কৰা দানিটোৰ নাম ধূপদানি। ইয়াৰ ব্যৱহাৰ নিত্য নৈমিত্তিক।

(১৭) **ধূনা দানি** — ধূনা জ্বলাবলৈ ব্যৱহাৰ কৰা দানিটো হল ধূনাদানি। মাটিৰ ধূনাদানি ব্যৱহাৰৰ বাবে অতি উপযোগী। কাৰণ ই হঠাতে বেছি গৰম নহয়।

(১৮) **ফুলদানি** — ঘৰৰ ড্ৰইংৰুম অথবা সভা সমিতিত ফুলৰ দানি ব্যৱহাৰ কৰা হয়। ফুলৰ থোপা থিয়কৈ ৰাখিবলৈ মাটিৰ ফুলদানি বেছি ভাল। কিয়নো ই গধুৰ বাবে সহজতে বাগৰি নপৰে।

(১৯) **জাপা** — প্ৰাচীন কালত মানুহে বিলাসী বা দামী কাপোৰবোৰ জাপাত ভৰাই ৰাখিছিল। জাপা হ'ল বেৰিয়া সদৃশ। কিন্তু ইয়াৰ মুখ খন বেৰিয়াতকৈ সৰু। হীৰা মাটিৰে গঢ়া এই জাপাবোৰৰ গাত শিল্পীয়ে কিছুমান চিত্ৰ অঙ্কন কৰি ধুনীয়াকৈ সঁজায়। এই পাত্ৰত কাপোৰ থলে বহু দিনলৈ নষ্ট নহয়। এই পাত্ৰত ঢাকনিৰ ব্যৱস্থা থাকে।

(২০) **নাগাৰা** — অসমত প্ৰচলিত বাদ্য যন্ত্ৰৰ ভিতৰত নাগাৰা অন্যতম। এই বাদ্যযন্ত্ৰৰ বাবে মুল জঁকাটো হীৰা মাটিৰে অতি মজবুতকৈ তৈয়াৰ কৰা হয় যাতে ই সহজতে নাভাঙে।

(২১) **পাণ বটা** —কাঁহ পিতলৰ বটাৰ দৰে মাটিৰেও হীৰা সকলে পাণ বটা উৎপাদন কৰে। পুৰণি কালত আৰু আনকি এতিয়াও কিছুমান অঞ্চলত মাটিৰ পাণ বটা ব্যৱহাৰ কৰা হয়।

(২২) **গচা** — কাঠৰ গচাৰ দৰে হীৰা সকলে হীৰা মাটিৰেও গচা তৈয়াৰ কৰে। এই গচাবোৰ কেৰাচিন তেলৰ চাকি ওখত থোৱাৰ বাবে ব্যৱহাৰ কৰা হয়।

(২৩) **জালৰ গুলি** — গ্ৰামাঞ্চলৰ মানুহে নৈ, জান, জুৰি, খাল, বিল আৰু পিতনিবোৰত কাৰৈলাঙী, গৰৈলাঙী ইত্যাদি নামৰ জাল পাতি মাছ ধৰা আমি দেখোহক। এই জালবোৰত মাটিৰ গুলিৰ প্ৰয়োজন হয়। জালখনৰ তলৰ ফালে ব্যৱহাৰ কৰিবলৈ যিবোৰ গুলিৰ প্ৰয়োজন, সেইবোৰ হীৰা সকলে উৎপাদন কৰে।

(২৪) **শিকৰ** — আচৰিত যেন লাগিলেও সত্য কথা যে - কিছুমান মানুহে পোৰা মাটি খাই বৰ ভাল পায়। বিশেষকৈ গৰ্ভৱতী মহিলাৰ কিছু সংখ্যকে পোৰা মাটি খাই তৃপ্তি পায়। হীৰা সকলে আঠালেতীয়া মাটিৰে খলা চাপৰি পিঠাৰ দৰে পাতল পাতলকৈ পিঠা তৈয়াৰ কৰি জুইত পুৰি তাৰ পিচত শুকান কলপাতৰ ধোঁৱাৰে গোন্ধ যুক্ত কৰি তোলে। এয়াই হল শিকৰ। ইয়াক খাই তৃপ্তি পোৱা যায়। শিকৰত বালি মিহলোৱা নহয়।

(২৫) **টাবি** — ই মাটিৰে নিৰ্মিত এবিধ ফোপোলা পাত্ৰ। ভিতৰভাগ ফোপোলা গাটো ঘূৰণীয়া আৰু ডিঙিটো মাত্ৰ বুঢ়া আঙুলি এটা সোমাই দিব পৰা ধৰণৰ সৰু। ডিঙিত ৰছীৰে বান্ধি এই পাত্ৰটো বেৰত ওলোমাই ৰখা হয়। এই পাত্ৰত তক্ মাহ, বগা সৰিয়হ আৰু তিল আদি ভৰাই থৈ বহু দিনলৈ নষ্ট নোহোৱাকৈ ৰাখিব পাৰি। মুখ খনত কাগজ বা কাপোৰৰ সোপা মাৰি দিয়া হয়।

(২৬) **খেলৰ সামগ্ৰী** — সৰু সৰু লৰা ছোৱালীবোৰে খেলিবৰ বাবে মাটিৰ দৰা কইনা, পুতলা, হাতী, ঘোঁৰা, নাওঁ, লাটুম, গিলাচ আদি বিভিন্ন সামগ্ৰী হীৰা মৃৎ শিল্পীয়ে তৈয়াৰ কৰে।

(২৭) **ভূৰুকা** — হালধি গুড়ি, ধনীয়া গুড়ি, জিৰা গুড়ি ইত্যাদি বিভিন্ন মচলা জাতীয় গুড়ি ভৰাই থবলৈ ভূৰুকা ব্যৱহাৰ কৰা হয়। এনে ভূৰুকা মাটিৰে তৈয়াৰ কৰা হয়। ইয়াত সৰু ঢাকনি থাকে।

(২৮) **থোক ভূৰুকা** — কেবাটাও ভূৰুকা সংযুক্ত কৰি মাথো এডাল হেণ্ডেলেৰে দাঙিব পৰা ব্যৱস্থা ৰখা ই এবিধ বিশেষ মিশ্ৰ ভূৰুকা। এই ভূৰুকাত কেবাবিধ মচলা ৰাখিব পাৰি। এনে সংযুক্ত পাত্ৰবোৰতো ঢাকনি থাকে।

(২৯) **খেলনা ভূৰুকা** — এই ভূৰুকাবোৰ কন কন শিশুৱে খেলিবলৈ ব্যৱহৃত হয়। ভূৰুকাবোৰত বালি ধূলিৰ ভাত আঞ্জা ৰান্ধি শিশু সকলে সমনীয়াৰ সৈতে খেলে।

(৩০) **ফিল্টাৰ** — খোৱা পানী বিশুদ্ধকৰণৰ বাবে হীৰা মাটিৰ ফিল্টাৰ তৈয়াৰ কৰা হয়। এই ফিল্টাৰ প্লাষ্টিক বা এলুমিনিয়ামৰ ফিল্টাৰতকৈ গুণগত দিশৰ পৰা অতি জনপ্ৰিয়।

(৩১) **চিলিম** — ধপাত, ভাং আদি মাদক দ্ৰব্য সেৱনৰ বাবে চিলিম ব্যৱহৃত হয়। ৰজা মহাৰজাৰ দিনৰ পৰা ৰাজঘৰত আৰু প্ৰজাঘৰত হোকাৰ ব্যৱহাৰ হোৱাটো সকলোৱে জানে। এই হোকাৰ ওপৰৰ অংশত চিলিম ব্যৱহাৰ হয়। জানিব লগীয়া কথা যে - এতিয়ালৈ ধাতৱ চিলিম ওলোৱা নাই। ই কেৱল মৃৎ শিল্পতহে উৎপাদিত হৈ আছে।



(৩২) **থালি** — পুৰণি কালৰপৰাই ধান উখোৱা আৰু কাপোৰ উখোৱা কামত থালি ব্যৱহাৰ হৈ আহিছে। আজিকালিৰ লোৰ ডাঙৰ কেৰাহীবোৰৰ স্থানত আগতে মাটিৰ থালি ব্যৱহৃত হৈছিল।

(৩৩) **ঝাড়ি** — ই এবিধ লোটাৰ দৰে হেণ্ডেল থকা পাত্ৰ। মন্দিৰ বোৰত ঝাড়ি লোটাৰ ব্যৱহাৰ হয়। ঋষি সন্ন্যাসী সকলে ইয়াক বেছিকৈ ব্যৱহাৰ কৰে।

(৩৪) **শৰাই** — কাঁহ পিতলৰ দৰে হীৰা মাটিৰেও শৰাই নিৰ্মিত হয়। কিছুমান মন্দিৰত এতিয়াও ডাঙৰ ডাঙৰ মাটিৰ শৰাই ব্যৱহৃত হৈ আছে।

(৩৫) **ডবা** — হিন্দুৰ নামঘৰ আদিত ডবা নামৰ এই বাদ্যযন্ত্ৰটো বজোৱা হয়। ৰাজহুৱা নামঘৰত এই ডাঙৰ বাদ্য যন্ত্ৰটো বজাই প্ৰাৰ্থনা বা নাম প্ৰসঙ্গৰ সময়ৰ সংকেত দিয়াৰ উপৰি সভা সমিতিৰ আৰম্ভ হব লগা সভাৰ আগজাননী এই ডবা বজাই ৰাইজক জনোৱা হয়।

(৩৬) **পিঠা চৰু** —গ্ৰাম্য অঞ্চলত চৰু পিঠা খোৱাটো এটা অভ্যাস। এই পিঠা প্ৰস্তুত কৰা মাটিৰ চৰু এটাৰ নাম হ'ল পিঠা চৰু। এই চৰুৰ পিতলৰ চৰুৰ দৰে সহস্ৰ বিন্ধা থাকে। চৰুটোত চাউলৰ গুড়ি সম্পূৰ্ণকৈ ভৰাই লৈ তলৰ পৰা গৰম পানীৰ জলীয় ভাপ অতিক্ৰম কৰাই পিঠাটো সিজোৱা হয়। ভাপত সিজোৱা চৰু পিঠাৰ আকাৰ ডাঙৰ হয় বাবে বহু লোকৰ মাজত ভাগ বটোৱাৰা কৰি খাব পাৰি।

(৩৭) **ডেগ** — শ্ৰীশ্ৰী সত্য নাৰায়ণ পূজাৰ ক্ষীৰ বা ভোগ প্ৰস্তুত কৰিবলৈ ডাঙৰ বেৰিয়া সদৃশ বহল মুখৰ আৰু অতি ডাঠকৈ তৈয়াৰ কৰা হীৰামাটিৰ পাত্ৰৰ নাম ডেগ। ইয়াৰ স্থান আজিকালি গামলা, ডেক্সি আদি ধাতৱ পাত্ৰবোৰে দখল কৰিছে যদিও আজিও বহুলোকে পূজাৰ ক্ষীৰ মাটিৰ ডেগতহে প্ৰস্তুত কৰে। কাৰণ মাটিৰ পাত্ৰত খাদ্য দ্ৰব্য বা জুলীয়া দ্ৰব্য বহু দেৰিলৈকে ঠাণ্ডা হৈ থাকে বাবে সহজতে নষ্ট নহয়।

(৩৮) **ঘাগ্ৰি** — ইয়াৰ আন নাম গাগৰি। কলহ সদৃশ কিন্তু কলহতকৈ ডাঙৰ

পাত্ৰবোৰক ঘাগ্‌ৰি বুলি কোৱা হয়। ইয়াৰ পেটটো গোলাকাৰ আৰু ডাঙৰ। গ্ৰামাঞ্চলত দূৰ দূৰণিৰ পৰা পানী কঢ়িয়াই আনি ঘাগ্‌ৰিত সঞ্চয় কৰি ৰখা হয়। কলহ আৰু ঘাগ্‌ৰিত থোৱা পানী খাবলৈ সুস্বাদু।

(৩৯) **তবলাৰ ফ্ৰেম** — বাদ্য যন্ত্ৰ তবলাৰ ফ্ৰেমবোৰ কাঠেৰেও তৈয়াৰ কৰে যদিও হীৰামাটিৰে তৈয়াৰ কৰা ফ্ৰেমেৰে তবলা সঁজালে তবলাটোৰ শব্দ শৃঙ্খল বেছ মধুৰ হয় বাবে ইয়াক হীৰামাটিৰে গঢ়ে।

(৪০) লোটা — প্ৰাচীন কালত মানুহে পানীৰ কলহৰ পৰা পানী ঢালি খোৱাৰ বাবে লোটা ব্যৱহাৰ কৰিছিল। হীৰা সকলৰ ইও আছিল উল্লেখযোগ্য উৎপাদন।

(৪১) গিলাচ — মাটিৰ গিলাচৰ ব্যৱহাৰ সৰ্ব্বজন বিদিত। আগতে বিশেষকৈ গ্ৰামাঞ্চলত বিয়া বাৰু বোৰত মানুহে মাটিৰ গিলাচত পানী দি নিমন্ত্ৰিত লোকক আপ্যায়ণ কৰিছিল। হীৰা সকলে এই গিলাচবোৰৰ যোগান কৰিছিল।

(৪২) বৈয়াম — ঘৰত নিমখ, আচাৰ, টেঙাৰ সুঠি, চেনি ইত্যাদি ৰখাৰ বাবে প্ৰয়োজনীয় বৈয়ামবোৰ হীৰাৰ কুটীৰ শিল্পত উৎপাদিত হৈ আহিছে।

(৪৩) তাৱ — ৰুটী সেকা, কণী ভজা আৰু খোলা চাপৰি পিঠা তৈয়াৰ কৰিবৰ বাবে হীৰা সকলে হীৰামাটিৰ তাৱ উৎপাদন কৰে।

ওপৰত উল্লেখ কৰা মাটিৰ সামগ্ৰীবোৰ অসমৰ সৰ্ব্ব সাধাৰণ লোকে অতীতৰ পৰাই ব্যৱহাৰ কৰি আহিছে। উক্ত সামগ্ৰীবোৰৰ অভাৱ হীৰা সকলে পূৰণ কৰি আহিছে যদিও আজিকালি এনেবোৰ সামগ্ৰীৰ বহু কেইবিধ বস্তুৰ প্ৰচলন ইতিমধ্যে বন্ধ হৈ গৈছে। সাম্প্ৰতিক বজাৰ সমূহত উপলব্ধ কম মূল্যত কিনিব পৰা প্লাষ্টিক আৰু এলুমিনিয়ামৰ সামগ্ৰীয়ে সম্প্ৰতি হীৰা মাটিৰ অনেক বস্তুৰ স্থান দখল কৰিছে। তৎসত্ত্বেও মাটিৰ বহু সামগ্ৰীয়ে এতিয়াও অসমীয়া সমাজত সমাদৰ লাভ কৰি আছে। কিয়নো মাটিৰ পদাৰ্থগত গুণক কোনেও উলাই কৰিব নোৱাৰে।

*******



# মৃৎ শিল্পৰ প্ৰাচীন সামগ্ৰীবোৰৰ ৰক্ষণাবেক্ষণৰ ব্যৱস্থা

প্ৰাচীন শিল্পৰ চানেকীয়ে আমাৰ দেশ বা সমাজৰ অতীতৰ সভ্যতাৰ বিভিন্ন তথ্যৰ যোগান ধৰিব পাৰে। অতীতৰ সামাজিক অৱস্থাৰ বিষয়ে প্ৰাচীন মৃৎ শিল্পজাত সামগ্ৰীবোৰৰ দ্বাৰা জানিব পাৰি। গতিকে প্ৰাচীন শিল্পকলাৰ সামগ্ৰীবোৰ উদ্ধাৰ কৰি সেইবোৰ সংৰক্ষণ কৰাটো ৰাষ্ট্ৰৰ দায়িত্ব। হীৰা সকল যে অসমৰ থলুৱা মৃৎ শিল্পী আৰু এওঁলোকে অসমৰ প্ৰাচীন সভ্যতাৰ ক্ষেত্ৰতো অৰিহণা যোগাই আহিছে সেইটো কথা সুস্পষ্ট। হীৰা সকলৰ শিল্পকলা সৰ্ব্ব ভাৰতীয় দৃষ্টি ভঙ্গীৰে চাব লাগিব। কিয়নো ইতিহাসে ভাৰতৰ সিন্ধু, গঙ্গা, ব্ৰহ্মপুত্ৰ উপত্যকাৰ সভ্যতাৰ বিষয়ে বহুল ভাৱে আলোচনা কৰিছে। এই সভ্যতা সমূহৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰাচীন সভ্যতাৰ ক্ষেত্ৰত হীৰা মৃৎ শিল্পী সকলৰ যথেষ্ট অৱদান আছে। মৃৎ শিল্পৰ শিল্পী সকলৰ কৃতিত্ব ঐতিহাসিক সকলেও স্বীকাৰ কৰে। সেয়ে অসমৰ প্ৰাচীন মৃৎ শিল্পত উৎপাদিত সামগ্ৰীবোৰ সংৰক্ষণ কৰি ৰখাটো চৰকাৰৰ কৰ্ত্তব্য।

বৰ্ত্তমানলৈ খনন কাৰ্য্য সমূহত অসমৰ বিভিন্ন ঠাইত ৰজা মহাৰজা সকলৰ ৰাজদৰবাৰ, মন্দিৰ-মছজিদ আৰু ৰাজহুৱা স্থানৰ প্ৰাচীন ভগ্নাৱশেষ উদ্ধাৰ হৈছে। উদ্ধাৰ হোৱা এনেবোৰ ভগ্নাৱশেষবোৰৰ লগতে ভিন ভিন পোৱা মাটিৰ পাত্ৰ আৰু অন্যান্য সামগ্ৰীও পোৱা গৈছে। পুৰণি আৰ্হিৰ বিভিন্ন মৃৎ পাত্ৰ আৱিষ্কৃত হৈছে। তাৰোপৰি পুৰণি আৰ্হিৰ অনেক মাটিৰ বাচন পুৰণি মন্দিৰ আৰু মছজিদ আদিত এতিয়াও আছে। দুই এপদ পুৰণি সামগ্ৰী ব্যক্তি বিশেষৰ হাততো পোৱা যায়। উল্লেখিত প্ৰাচীন সামগ্ৰীবোৰ চৰকাৰে ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে যদিও একশ্ৰেণীৰ চোৰাং কাৰবাৰী বা অসৎ লোকৰ হাতত পৰি তেনে প্ৰাচীন সামগ্ৰীবোৰ বিদেশী লোকৰ হস্তগত হবলৈ পাৰিছে। ফলত ভাৰতৰ প্ৰাচীন কলা কৃষ্টিৰ সাক্ষ্যবোৰ বিলুপ্ত হবলৈও আৰম্ভ কৰিছে। অৱশ্যে ভাৰত চৰকাৰে এনেবোৰ সামগ্ৰী সংৰক্ষণ কৰাৰ বাবে যত্নপৰ হোৱা দেখা যায়।

১৯৭২ ইং চনত ভাৰত চৰকাৰে 'পুৰাৱশেষ আৰু কলা কীৰ্ত্তি অধিনিয়ম' নামৰ এখন অধিনিয়ম জাৰি কৰিছিল। সম্প্ৰতি ই আইন হিচাবে বলৱৎ হৈ আছে। উক্ত অধিনিয়মৰ প্ৰধান উদ্দেশ্য হল এই যে - ভাৰতৰ প্ৰাচীন সভ্যতাৰ সাক্ষ্য দিব পৰা যিকোনো সম্পদ যদি কোনো ভাৰতীয় ব্যক্তি, সংস্থা, অনুষ্ঠান প্ৰতিষ্ঠানৰ

হাতত আছে তেনেহলে তেনেবোৰ সম্পদ চৰকাৰী পঞ্জীয়ণ হব লাগে। নিজ দেশৰ প্ৰাচীন সম্পদ সমূহ যাতে কোনো বিদেশীয়েই হস্তগত কৰিব নোৱাৰে, চোৰে চুৰ কৰিব নোৱাৰে বা গোপণে অন্য কোনো ৰাষ্ট্ৰৰ হাতলৈ বিক্ৰী কৰিব নোৱাৰে তাৰবাবে ভাৰত চৰকাৰে প্ৰাচীন সম্পদবোৰৰ ৰক্ষণাৱেক্ষণ দিয়ে। গতিকে ব্যক্তি, সংস্থা, অনুষ্ঠান প্ৰতিষ্ঠান আদিৰ হাতত তেনে প্ৰাচীন পোৱা মাটিৰ কিবা সামগ্ৰী থাকিলে সেইবোৰ মুক্তহস্তে চৰকাৰক দান সূত্ৰে নাইবা বিক্ৰীসূত্ৰে অৰ্পণ কৰা উচিত। উল্লেখিত অধিনিয়মখনে মৃৎ শিল্পজাত প্ৰাচীন সম্পদকো সামৰি লৈছে। প্ৰাচীনতম শিল্প হিচাবে স্বীকৃতি পোৱা মৃৎ শিল্পৰ সামগ্ৰী সমূহৰ আৰ্হি অনুধাৱন কৰিলে প্ৰাচীন সমাজবোৰৰ বিভিন্ন দিশ উন্মোচন হয়। গতিকে আমি জনসাধাৰণ আৰু চৰকাৰ এই দুয়োপক্ষই মৃৎ শিল্পৰ প্ৰাচীন সম্পদবোৰ সংৰক্ষণত গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজন আছে।

প্ৰাচীন সম্পদবোৰৰ ৰক্ষণাবেক্ষণৰ বাবে চৰকাৰে দুটা বিভাগ খুলিছে। এটা বিভাগ হল প্ৰত্নতত্ত্ব আৰু আনটো বিভাগ সংগ্ৰহালয়। উক্ত দুয়োটা বিভাগৰ প্ৰধান কাম হল - ভাৰতৰ বিভিন্ন অঞ্চলৰ পৰা প্ৰাচীন ধ্বংসাৱশেষ, ব্যক্তি, অনুষ্ঠান, প্ৰতিষ্ঠান ইত্যাদিৰ পৰা প্ৰাচীন সম্পদবোৰ আহৰণ কৰা আৰু সেইবোৰক সুন্দৰ ভাৱে ৰক্ষণাবেক্ষণ দিয়া। বৰ্ত্তমানলৈ বিভাগ দুটাই পুৰণিকলীয়া সম্পদবোৰ উদ্ধাৰৰ ক্ষেত্ৰত ক্ষীপ্ৰ গতিত কামো কৰি আছে।

ওপৰত উল্লেখ কৰা অধিনিয়মৰ আধাৰতে অসমত ১৯৭৬ ইং চনৰ ১৬ আগষ্ট তাৰিখে গুৱাহাটী আৰু যোৰহাটত দুটা আঞ্চলিক পঞ্জীয়ণ বিষয়াৰ কাৰ্য্যালয় স্থাপন কৰা হৈছে। এই দুয়োটা কাৰ্য্যালয়ে অধীনস্থ এলেকাৰ বাসিন্দা সকলৰ হাতত থকা প্ৰাচীন সম্পদবোৰ পঞ্জীয়ণ কৰি আছে। অসমৰ হীৰা সকলৰ মাজতো কাৰোবাৰ হাতত প্ৰাচীন আৰ্হিৰ কিবা মৃৎ পাত্ৰ বা সাঁজুলি থাকিলে সেইবোৰ এই কাৰ্য্যালয়ত পঞ্জীয়ণ কৰি লোৱা উচিত। তাৰোপৰি সাধাৰণ মানুহৰ কাৰোবাৰ হাততো হীৰা মাটিৰ কিবা প্ৰাচীন সম্পদ থকা দেখিলে হীৰা সকলে গুৰুত্ব বুজি সেইবোৰ পঞ্জীয়ণ কৰোৱাৰ বাবে তৎপৰ হোৱাটো কৰ্ত্তব্য বুলি ভাবো।

উত্তৰ পূৱ ভাৰতৰ প্ৰাচীন কলা সংস্কৃতি অথবা কীৰ্ত্তি চিহ্নবোৰ ক'ত কেনেকৈ পৰি আছে আৰু সেইবোৰক উদ্ধাৰ কৰি কিদৰে ৰক্ষণাবেক্ষণ কৰিব পাৰি তাৰবাবে আজি প্ৰায় ১০০ বছৰ আগৰ পৰা অসমৰ কেইজনমান বিশেষ ব্যক্তিয়ে চেষ্টা চলাইছিল। এখেত সকল অসমৰ প্ৰাচীন সম্পদবোৰৰ সুৰক্ষাৰ বাবে সচেষ্ট আছিল। সেই সকল ব্যক্তিৰ প্ৰচেষ্টাত ১৯১২ ইং চনত পোণ প্ৰথমে 'কামৰূপ অনুসন্ধান সমিতি' নামৰ এটা স্বেচ্ছাসেৱী সংস্থাৰ জন্ম হৈছিল। সেই



সময়তে একে উদ্দেশ্যৰ অনুৰাগী এজন ব্যক্তি আছিল 'Asiatic Society' ৰ প্ৰতিস্থাপক Sir William Jones নামৰ এজন ইংৰাজ লোক। এইজন ইংৰাজ লোকেও 'কামৰূপ অনুসন্ধান সমিতি'ক যথেষ্ট উৎসাহ উদ্দীপনা দিছিল। 'কামৰূপ অনুসন্ধান সমিতিৰ' মুখ্য উদ্দেশ্য আছিল এই যে - প্ৰাচীন কামৰূপৰ কলা, শিল্প আৰু সাংস্কৃতিক মূলক সা-সম্পদবোৰ নথিভূক্ত কৰি লৈ সেইবোৰ সংৰক্ষণ কৰিব লাগে। সেই উদ্দেশ্যে প্ৰাথমিক পৰ্য্যায়ত সাধাৰণ এটা কোঠা লৈ তাত কিছুমান প্ৰাচীন সম্পদ ৰখাৰ ব্যৱস্থা কৰিছিল। পৰৱৰ্ত্তী পৰ্য্যায়ত এই সমিতিৰ সদস্য সকলে নিজৰ পৰা কিছু কিছু বৰঙনি আৰু দান হিচাবে উঠাই লৈ পুঁজিৰ যোগাৰ কৰি লৈছিল। সেই সময়তে Rai Bahadur Naupatrai Kedia নামৰ এজন ব্যক্তিয়ে নগদ ৮০০০.০০ টকা এই স্বেচ্ছাসেৱী সংস্থাটোক দান দিছিল। তেনে ধৰণে দান বৰঙণিৰে সংগ্ৰহ হোৱা পুঁজিৰে এটা ভাল ধৰণৰ ঘৰ সাজি উলিয়াইছিল। সেই ঘৰটোৰ স্থানতে বৰ্ত্তমানৰ অসম ৰাজ্যিক সংগ্ৰহালয়টো স্থাপন কৰা হৈছে। বৰ্ত্তমানৰ ৰাজ্যিক সংগ্ৰহালয়টো প্ৰথম উদ্বোধন কৰা হৈছিল ১৯৪০ ইং চনত। ২১/০৪/৪০ ইং তাৰিখে তেতিয়াৰ অসমৰ ৰাজ্যপাল Sir Robert Neil Reid দেৱে Assam Provincial Museum উদ্বোধন কৰিছিল। ১৯৫৩ ইং চনত অসম চৰকাৰে ইয়াক চৰকাৰী ভাৱে স্বীকৃতি দিয়ে। সেই মিউজিয়াম খনেই পূৰ্ণাংগ অৱস্থা প্ৰাপ্ত হৈ বৰ্ত্তমানৰ ৰূপ লয়।

অসম ৰাজ্যিক সংগ্ৰহালয় প্ৰতিস্থাৰ পৰা পূৰ্ণাংগ অৱস্থালৈকে গুৰি ধৰি থকা সকলৰ ভিতৰত ৰায় বাহাদুৰ নৌপাতৰায় কেডিয়া, আনন্দ চন্দ্ৰ আগৰৱালা, কনকলাল বৰুৱা, ডঃ এচ্ কে ভূঞা, কালি ৰাম মেধি, পি ডি চৌধুৰী আৰু এম্ চি দাস ইত্যাদি গুৰুত্বপূৰ্ণ ব্যক্তি সকল বিশেষ উল্লেখনীয়। এই সকল ব্যক্তিৰ অশেষ ত্যাগৰ ফলত অসম ৰাজ্যিক সংগ্ৰহালয় সুপ্ৰতিস্থিত বুলি কব লাগিব।

১৯৬১ ইং চনত অসম চৰকাৰে ভাৰত চৰকাৰৰ নিৰ্দ্দেশনাত Department of Archaeology নামেৰে আন এটা বিভাগ খুলিছে আৰু এই বিভাগটোৱে ৰাজ্যিক সংগ্ৰহালয়টোৰ লগত একেলগে চামিল হৈ নিজস্ব কাম কৰি আছে। ১৯৬৬ ইং চনত এই বিভাগটোক Directorate of State Museum ৰ অন্তৰ্ভুক্ত কৰা হয়।

অসমৰ প্ৰাচীন মৃৎ শিল্পজাত অনেক সম্পদ ওপৰত উল্লেখ কৰা বিভাগবোৰে উদ্ধাৰ আৰু সংৰক্ষণ কৰিবলৈ কাম কাজ কৰি আছে। যদি এই বিভাগবোৰক জনসাধাৰণেও সহায় কৰে তেনেহলে আৰু অধিক প্ৰাচীন মৃৎ পাত্ৰ সা-সঁজুলি সংৰক্ষণ কৰি ৰাখিবলৈ সক্ষম হব পৰা যাব। হীৰা মৃৎ শিল্পী সকল এই

ক্ষেত্ৰত উৎসাহী হোৱাৰ অতি প্ৰয়োজন হৈ আছে। হীৰা সকলৰ সচেতনতা জাগিলে প্ৰাচীন মৃৎ শিল্পজাত সামগ্ৰীবোৰ সংৰক্ষিত হব। অন্যথাই প্ৰাচীন আৰ্হিৰ পাত্ৰবোৰ কালৰ বুকুত বিলীন হৈ যাব।

*******



# হীৰা সকলৰ সাম্প্ৰতিক জ্বলন্ত সমস্যাবোৰ

অসমৰ হীৰা সম্প্ৰদায়ৰ লোক সকলৰ কেইটামান জ্বলন্ত সমস্যাই তেওঁলোকৰ জীৱন নিৰ্ব্বাহৰ পথত প্ৰধান হেঙাৰ হৈ শিল্পী গোষ্ঠীটোৰ অস্তিত্বত প্ৰত্যাহ্বান হৈ পৰিছে। মানুহ হিচাবে নিজক জীয়াই ৰাখিবলৈ হীৰা সকল যেন দিশহাৰা হব ধৰিলে। দেশে স্বাধীনতা লাভ কৰাৰো কিছু কাল আগৰ পৰা এই শিল্পী গোষ্ঠীটোৰ কেইটামান সমস্যা আছিল যঁদিও সময় অতিবাহিত হোৱাৰ লগে লগে সমস্যাবোৰৰ জটিলতা ক্ৰমান্নয়ে বৃদ্ধি পাইছে। মৃৎ পাত্ৰ উৎপাদন কৰা বৃত্তি চলাই যাবলৈ এওঁলোক ব্যৰ্থ হোৱাৰ উপৰি অন্যান্য জীৱিকাৰ পথ বাচি লোৱাৰ ক্ষেত্ৰত চাৰিওপিনৰ পৰা হীৰা সকল হতাশাগ্ৰস্থ হৈ পৰিছে। এওঁলোকে সন্মুখীন হোৱা ভয়াবহ সমস্যাবোৰ এনে ধৰণৰ -

(১) মাটিৰ বাচন বৰ্ত্তন তৈয়াৰ কৰাৰ বাবে এওঁলোকৰ হীৰা মাটিৰ আৱশ্যক। হীৰামাটি অবিহনে হঁস্তশিল্পটো চলাব নোৱাৰে। এই হীৰা মাটি পূৰ্ব্বতে তেওঁলোকে চৰকাৰী ভূমিত থকা কিছুমান বাথানৰ পৰা সংগ্ৰহ কৰিছিল। এনে হীৰা মাটিৰ বাথানবোৰৰ বিষয়ে আগৰ পাঠত উল্লেখ কৰি অহা হৈছে। উল্লেখিত মাটিৰ বাথানবোৰৰ পৰা যাতে হীৰা সকলে হীৰামাটি সহজে আহৰণ কৰিব পাৰে তাৰবাবে চৰকাৰী কৰ্ত্তৃপক্ষ সমূহে প্ৰাচীন কালৰ পৰা হীৰা সকলক অনুমতি প্ৰদানো কৰি আহিছে। কিন্তু আজি প্ৰায় ২৫ বছৰ মান আগৰ পৰা উক্ত বাথানবোৰত ওচৰ চুবুৰীয়া গাওঁৰ এচাম লোকে হীৰা মাটি থকা ভূমি বেদখল কৰি লৈছে আৰু তাত অন্যান্য কৃষি কাৰ্য্যও কৰিছে আৰু কোনো কোনো বাথানত পুখুৰী আদি খান্দি লৈ নিজৰ আয়ত্বত অনাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। কিন্তু হীৰা মৃৎ শিল্পী সকলে উক্ত বাথানবোৰলৈ হীৰা মাটি খান্দিবলৈ গলে তেওঁলোকক বেদখলকাৰী সকলে বাধা প্ৰদান কৰে। এনেকি কেতিয়াবা এওঁলোকে হীৰা সকলক প্ৰাণৰো ভয় দেখুৱায়। কেতিয়াবা হীৰা সকলে মাৰপিট আদিৰো সন্মুখীন হোৱা দেখা গৈছে। বেদখলকাৰী সকলে বাথানৰ হীৰামাটি সংগ্ৰহ কৰিব বিচৰা হীৰাৰ পৰা জোৰ জুলুমকৈ টকা পইচা আদায় কৰে। নিদিলে মাৰধৰ কৰে। গতিকে জীৱনৰ সংশয় থকা হীৰা মাটিৰ বাথানবোৰৰ পৰা হীৰা সকলে এই মাটি সংগ্ৰহ কৰিব নোৱাৰা হল। অথচ বিভিন্ন সময়ত জিলা কৰ্ত্তৃপক্ষ সমূহে বিভিন্ন জিলাত থকা হীৰা মাটিৰ উৎসবোৰ হীৰা লোক সকলে ব্যৱহাৰ কৰিব পৰা অধিকাৰ উল্লেখ কৰি কিছুমান চৰকাৰী নিৰ্দ্দেশনা জাৰি কৰিও থৈছে। কিন্তু কাৰ্য্যতঃ চৰকাৰী নিৰ্দ্দেশ দিয়াৰ

পিছতো বেদখলকাৰীৰ উৎপাত অত্যাচাৰ হীৰা সকলৰ ওপৰত বাহাল আছে। গতিকে হীৰামাটি সংগ্ৰহ কৰাটো হীৰা সকলৰ বাবে এটা ভয়ানক সমস্যা হৈ পৰিছে। এই বাথানবোৰৰ প্ৰায় ভাগেই বৰ্ত্তমান বেদখলকাৰীৰ কবলত পৰিছে। হীৰা মাটি সংগ্ৰহ কৰিব নোৱাৰি বহুতো হীৰাই এই ব্যৱসায়কে পৰিত্যাগ কৰিব লগা হৈছে।

(২) হীৰা মৃৎ শিল্পৰ প্ৰধান কেঁচামাল হীৰামাটিৰ উপৰিও কাঠখৰি, ধান খেৰ আৰু তুঁহৰো প্ৰয়োজন। সম্প্ৰতি চৰকাৰী পতিত মাটিত, বণাঞ্চল আৰু পাহাৰবোৰত পেলনীয়া গছ গছনি বা গছৰ ডাল আদি সহজলভ্য নহয়। অতীতত এনেবোৰ ঠাইৰ পৰাই হীৰা সকলে শুকান গছৰ ঠাল ঠেঙুলি আদি সংগ্ৰহ কৰিছিল। এনেবোৰ বস্তু এতিয়া দুৰ্লভ হৈ পৰিছে। গতিকে মৃৎ শিল্পৰ জড়িয়তে এই শিল্পী সকলে জীৱিকা চলোৱা কঠিণ হৈ পৰিল।

(৩) মৃৎ শিল্পৰ কৰ্ম পৰিত্যাগ কৰি কৃষি কৰ্ম কৰি পেট প্ৰৱৰ্ত্তাবলৈকো হীৰা সকলৰ অধিকাংশৰে কৃষি ভূমি নাই। ৭০% হীৰা লোকৰে কৃষি ভূমি শূণ্য। অকল বসবাস কৰাৰ বাবে থকা ঘৰটো বান্ধি লবলৈ মাথো ২/৪ কঠা মাটিয়ে হীৰা সকলৰ ভূ-সম্পত্তি বুলি কব পাৰি। গতিকে ভূমিহীনতাটো হীৰা সমাজৰ এটা মৌলিক সমস্যা।

(৪) অতীতৰ পৰাই হীৰা সকলৰ পৰিয়ালবোৰত শিক্ষিত ব্যক্তিৰ সংখ্যা নিচেই কম। সুউচ্চ শিক্ষা গ্ৰহণৰ কথা বেলেগেই। সাধাৰণ বিদ্যা-শিক্ষা লাভ কৰা লোকো এওঁলোকৰ মাজত আঙুলিৰ মূৰত গণিব পৰা সংখ্যক ব্যক্তিহে দেখা যায়। গতিকে চৰকাৰী চাকৰি আদিত নিচেই কম সংখ্যক লোকহে সংস্থাপিত। অতীতত থকা সামাজিক বাধা বাধকতাই এনেবোৰ সমস্যাৰ মূল কাৰণ। কাৰোবাৰ অৰ্থৰ অভাৱ নাথাকিলেও পিতা, প্ৰপিতাৰ দিনৰ পৰাই স্কুল কলেজত ধৰ্মীয় আৰু সামাজিক বাধা বাধকতাৰ বাবে পঢ়াপাতি নকৰা লৰা ছোৱালী এটা সময়ত অনেক আছিল। সম্প্ৰতি চৰকাৰী চাকৰি বাকৰিত সংস্থাপন লোৱাৰ বাবে বহুতৰে উচ্চ শিক্ষা আৰু কাৰিকৰী বিদ্যাৰ অভাৱ।

(৫) স্বাধীনতাৰ পিচত সংবিধানে হীৰা সকলক অনুসূচীত জাতিৰ অন্তৰ্ভূক্ত কৰি চাকৰি বা শিক্ষানুষ্ঠান আদিত সংৰক্ষণৰ ব্যৱস্থা দিছে যদিও হীৰা সকলে সেই সুবিধা ঠিকমতে গ্ৰহণ কৰিব পৰা নাই। ইয়াৰ এটা কাৰণ হল এই যে অসমত অনুসূচীত জাতিৰ তালিকাভূক্ত ১৬ টা সম্প্ৰদায় আছে আৰু সামগ্ৰিকভাবে আসন সংৰক্ষণৰ বাবে চৰকাৰে আসনৰ সংখ্যা নিৰ্দ্ধাৰণ কৰি থৈছে মাথো ৭%। ১৬ টা সম্প্ৰদায়ৰ মাজত ৭% আসন সংৰক্ষিত হোৱাত সমবিতৰণ হোৱা বুলি ধৰিলেও একোটা সম্প্ৰদায়ে প্ৰকৃততে ১% আসনৰো দাবীদাৰ হব নোৱাৰে। এনে সংৰক্ষণ ব্যৱস্থা হীৰা সকলৰ বাবে মুঠেও সহায়ক নহয়।



(৬) বৰ্ত্তমানে বজাৰত ধাতৱ বাচন বৰ্ত্তন উভৈনদী হৈ পৰাত মাটিৰ বাচন বৰ্ত্তনৰ চাহিদা একেবাৰে কমি যাবলৈ ধৰিছে। এলুমিনিয়াম, ষ্টিল, লো ইত্যাদি ধাতুৰে তৈয়াৰী পাত্ৰ বা সা-সঁজুলিবোৰ সহজে নাভাঙে বাবে অনেক লোকে মাটিৰ সামগ্ৰী ব্যৱহাৰ নকৰি এই ধাতৱ পাত্ৰবোৰ ব্যৱহাৰ কৰাত লাগিছে। তাৰোপৰি আজিকালি প্লাষ্টিকৰ সামগ্ৰী বজাৰত ভৰি পৰিছে। গৃহস্থালিত প্ৰতিটো মূহুৰ্ত্তত ব্যৱহাৰ হব লগা বিভিন্ন সা সঁজুলি বা পাত্ৰবোৰৰ বেছি ভাগেই প্লাষ্টিকেৰে তৈয়াৰী হৈছে আৰু বজাৰত ভৰি পৰিছে। প্লাষ্টিকৰ সামগ্ৰীবোৰ ধাতৱ পাত্ৰ বা মাটিৰ পাত্ৰতকৈ বহু কম দামত কিনিব পাৰি। গতিকে হীৰা মৃৎ শিল্পী সকলৰ মাটিৰ বাচন বৰ্ত্তনবোৰৰ বাবে উপযুক্ত বজাৰ নোহোৱা হল। মাটিৰ উৎপাদিত সামগ্ৰীবোৰ বিক্ৰী কৰিবলৈ ঠাই নোহোৱা হবলৈ ধৰিছে আৰু সামগ্ৰীবোৰ বহুদিনলৈ বিক্ৰী নোহোৱাকৈ পৰি থাকিবলৈ লৈছে। বজাৰ অবিহনে মৃৎ পাত্ৰ উৎপাদন কৰাত হীৰা সকলৰ কোনো লাভ নাই। হীৰা সকলে উৎপাদন কৰা সামগ্ৰীবোৰৰ বিক্ৰীৰ বাবে বজাৰ নাইকিয়া হৈ গল। সাপ্তাহিক বজাৰ আদিত হীৰা শিল্পী সকলে দিনৰ দিনটো ৰখি থাকি দুই এপদ সামগ্ৰীহে বিক্ৰী কৰিব পাৰে।

(৭) হীৰা সকলে উৎপাদন কৰা মাটিৰ সামগ্ৰীবোৰৰ পুৰণি আৰ্হি সলনি কৰি বৰ্ত্তমানে মানুহৰ মাজত সমাদৰ লাভ কৰিব পৰা সা-সঁজুলিবোৰ তৈয়াৰ কৰিবলৈ বাধ্য হৈছে। নব্য সমাজত যি যি ধৰণৰ সামগ্ৰীৰ প্ৰয়োজন হয়, তেনেধৰণৰ বা নতুন আৰ্হিৰ সা সামগ্ৰী তৈয়াৰ কৰিবলৈ লৈছে হীৰা মৃৎ শিল্পী সকলে। কিন্তু তেনে ক্ষেত্ৰতো হীৰা সকলে কিছু অসুবিধাৰ সন্মুখীন হৈ আছে। বাৰিষা বৰষুণৰ দিনবোৰত মাটিৰ পাত্ৰবোৰ জুইত পুৰি পকা কৰিবলৈ এওঁলোকৰ চালি ঘৰ নাই। মুক্ত চালি ঘৰ নাথাকিলে বৰষুণৰ দিনবোৰত হীৰা সকলে জুইৰ থুপা দিব নোৱাৰে। অৰ্থ অভাৱে শিল্পী সকলে আহল বহল চালি সাজি লব নোৱাৰে। এনেবোৰ সমস্যাত ভোগাৰ বাবে হীৰা মৃৎ শিল্পী সকলে শিল্প কৰ্মত বাধাগ্ৰস্থ হয়।

(৮) অনুসূচীত জাতিৰ সম্প্ৰদায় সমূহৰ উন্নয়নৰ বাবে ৰাজ্যিক চৰকাৰে কিছুমান বোৰ্ড গঠন কৰে। এই বোৰ্ডবোৰ হল -

ক) অসম অনুসূচীত জাতি উন্নয়ন বোৰ্ড - দিছপুৰ

খ) অসম খাদী আৰু গ্ৰামোদ্যোগ বোৰ্ড - গুৱাহাটী

গ) অসম মীন নিগম ইত্যাদি।

তাৰোপৰি জিলা ভিত্তিত গঠন কৰা বোৰ্ডবোৰ হল -

ক) জিলা অনুসূচীত জাতি উন্নয়ন বোৰ্ড

খ) খণ্ড উন্নয়ন বোৰ্ড (বি এল্ চি)
গ) জিলা উন্নয়ন বোৰ্ড (ডি এল্ চি)
ঘ) ভূমি পট্টন উপদেষ্টা বোৰ্ড
ঙ) বিদ্যালয় সমূহৰ উপদেষ্টা বোৰ্ড

উক্ত বোৰ্ড সমূহত হীৰা সম্প্ৰদায়ৰ মনোনীত সদস্য প্ৰায় নাই। গতিকে হীৰা সকল বিভিন্ন চৰকাৰী সা সুবিধাৰ পৰা বঞ্চিত হৈ থাকিব লগা হয়।

(৯) হীৰা সকলে প্ৰাচীন পদ্ধতি আৰু আৰ্হিৰেই আজি পৰ্য্যন্ত মৃৎ শিল্পত উৎপাদন কৰি আহিছে। উৎপাদন কাৰ্য্যত পুৰণি কৌশলকে প্ৰয়োগ কৰি আও পুৰণি আৰ্হিৰ বাচন বৰ্ত্তন অথবা সামগ্ৰী উৎপাদন কৰাৰ বাবে কুটীৰ শিল্পটোত লাভৰ পৰিবৰ্ত্তে লোকচানৰ মাত্ৰা অধিক হোৱা পৰিলক্ষিত হৈছে। ফলস্বৰূপে কিছুমান হীৰাই এই বৃত্তিটোকে পৰিত্যাগ কৰিবলৈ লৈছে। কিন্তু হীৰা শিল্পী সকলে যদি কিছুমান মৃত্তিকা উদ্যোগৰ বিশেষ বিশেষ চৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানত প্ৰশিক্ষণ ললে হেতেন তেনেহলে মৃৎ শিল্পৰ উৎপাদন মুখী লাভজনক কৰ্ম পদ্ধতিৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰিলেহেতেন। কিন্তু অসমৰ উদ্যোগ বিভাগৰ লগত এই সকল মৃৎ শিল্পীয়ে যোগাযোগ ৰক্ষা কৰাত ব্যৰ্থ। কিয়নো এই সকল মৃৎ শিল্পীৰ কুটীৰ শিল্পটোৰ ওপৰত থাকিব লগা প্ৰকৃত ব্যৱহাৰিক জ্ঞানৰ অভাৱ হৈ আছে।

(১০) আধুনিক যুগৰ মানুহৰ ৰুচি অনুসৰি সম্প্ৰতি যিবোৰ সামগ্ৰী বা পাত্ৰৰ ভাল চাহিদা আছে তেনেবোৰ সামগ্ৰী উৎপাদন কৰি বজাৰত উলিয়াই দিলেহে হীৰা মৃৎ শিল্পী সকল লাভবান হব পাৰিব। সম্প্ৰতি গ্লেজপটাৰীৰ সামগ্ৰীৰহে চাহিদা বাঢ়ি গৈছে। এই পটাৰীত আধুনিক আৰ্হিৰ উন্নত মানৰ বিভিন্ন পাত্ৰ তৈয়াৰ কৰি লব পাৰি। কিন্তু কথাটো হ'ল এই যে এনেবোৰ উদ্যোগ স্থাপন কৰিবলৈ যথেষ্ট মূলধনৰ আৱশ্যক। তেনে শকত মূলধনৰ অভাৱগ্ৰস্ততাইও হীৰা মৃৎ শিল্পী সকলক হতাশ কৰি তুলিছে।

ওপৰত উল্লেখ কৰা সমস্যা কেইটা অসমৰ হীৰা সমাজখনৰ সন্মুখত জ্বলন্ত সমস্যা হিচাপে চিহ্নিত হৈছে। বৰ্ত্তমানে ভাৰত চৰকাৰ আৰু অসমৰ ৰাজ্যিক চৰকাৰে অনুসূচীত জাতিৰ লোকৰ বাবে উন্নয়ণৰ হেতু বিভিন্ন আঁচনি প্ৰস্তুত কৰি তাৰ কাৰ্য্যকৰণাৰ্থে বিভিন্ন চৰকাৰী বিভাগ খুলি ভিন ভিন উদ্যোগ প্ৰতিষ্ঠানৰ ব্যৱস্থা কৰিছে। উক্ত আঁচনি সমূহে হীৰা মৃৎ শিল্পী সকলকো সামৰি লৈ আৰ্থিকভাবে অনগ্ৰসৰতা দুৰ কৰিব পাৰিলে এই থলুৱা মৃৎ শিল্পী গোষ্ঠীটো উপকৃত হব বুলি আশা কৰিব পাৰি। উল্লেখিত জ্বলন্ত সমস্যা কেইটা দুৰীকৰণৰ বাবে অসমৰ ৰাজ্যিক চৰকাৰখনৰ দৃষ্টিও আকৰ্ষণ কৰা হ'ল।

*******



# হীৰা মৃৎ শিল্পৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰী ভূমিকা

ভাৰতৰ স্বাধীনতা আন্দোলনে গা কৰি উঠাৰ সময়তে মহাত্মা গান্ধীৰ নেতৃত্বত স্বাধীনতাকামী স্বদেশী নেতা সকলে ভালকৈ উপলব্ধি কৰিছিল যে - বিদেশী চৰকাৰক ভাৰতৰ পৰা অকল ওফৰাই পেলালেই ভাৰতীয় সকলে প্ৰকৃত স্বাধীনতা নাপায়। বিদেশী চৰকাৰ খনক ইয়াৰ পৰা খেদি পঠোৱাৰ লগতে আমি সকলো ক্ষেত্ৰত বিদেশী বস্তু বৰ্জন কৰি আমাৰ ব্যৱহাৰ্য্য সা-সামগ্ৰী বোৰো নিজে তৈয়াৰ কৰি স্বাৱলম্বী হব লাগিব। সামাজিক আৰু অৰ্থনৈতিক স্বাধীনতা নাপালে অকল ৰাজনৈতিক স্বাধীনতাৰ দ্বাৰা আমাৰ উন্নতি হব নোৱাৰে।

সেয়েহে মহাত্মা গান্ধীয়ে ভাৰতৰ গ্ৰাম্য অঞ্চলৰ কুটীৰ শিল্প সমূহৰ ওপৰত বিশেষভাবে গুৰুত্ব আৰোপ কৰি ভাৰতীয় জনগনক কুটীৰ শিল্পৰ যোগেদি নিত্য ব্যৱহাৰ্য্য সামগ্ৰীবোৰ তৈয়াৰ কৰি লবলৈ আহ্বান জনাইছিল। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত দেশত জাতীয় কংগ্ৰেছ গঠন হল। স্বাধীন ভাৰতৰ চৰকাৰে গান্ধীজীৰ আদৰ্শক সন্মান জনাই ভাৰতৰ গ্ৰামাঞ্চলৰ কুটীৰ শিল্প সমূহৰ বিকাশ সাধনৰ বাবে কিছুমান ব্যৱস্থা হাতত লবলৈ ধৰিলে। ভাৰত চৰকাৰে খাদী কমিচন আৰু খাদী গ্ৰামোদ্যোগ স্থাপন কৰিলে। বিভিন্ন ধৰণৰ উদ্যোগ স্থাপন কৰা হল। এইবোৰৰ উদ্দেশ্য হল সকলো ধৰণৰ হস্তশিল্পীৰ প্ৰধান সমস্যা সমূহ আঁতৰ কৰা আৰু শিল্প কৰ্মত উদগনি দিয়া। গাৱলীয়া দুখীয়া শ্ৰেণীৰ লোক সকলোৱে যাতে আত্ম নিৰ্ভৰশীল হৈ চলিব পাৰে তাৰবাবে চৰকাৰী বিভাগবোৰে আত্ম সংস্থান মূলক দান অনুদান ইত্যাদিৰ ব্যৱস্থা কৰিলে। লগতে কুটীৰ শিল্পী সকলক বিভিন্ন চৰকাৰী আঁচনিৰ যোগেদি উপকৃত কৰিবলৈ ধৰিলে।

দেশত থকা আটাইবোৰ কুটীৰ শিল্পৰ ভিতৰত মৃৎ শিল্প এটা প্ৰাচীন কুটীৰ শিল্প। এই মৃৎ শিল্পৰ বাবেও চৰকাৰে বিশেষ বিশেষ কিছুমান আঁচনি প্ৰস্তুত কৰে। এনে আঁচনিবোৰে অসমৰ থলুৱা হীৰা মৃৎ শিল্পকো স্পৰ্শ কৰিছে। হীৰা মাটিৰ বাচন বৰ্ত্তনৰ ব্যৱসায়টোত নানা ধৰণে সাহায্য আদি দি হীৰা মৃৎ শিল্পটোকো উদগনি দি অহা দেখা যায়। সমগ্ৰ ভাৰতবৰ্ষত বৰ্ত্তমানে প্ৰায় ৩০ লাখ মৃৎ শিল্পী আছে। অসমত হীৰা মৃৎ শিল্পীৰ সংখ্যা প্ৰায় ১ লাখ হব। কেন্দ্ৰীয় চৰকাৰে এই শ্ৰেণীৰ লোক সকলক উপকৃত কৰিব পৰা কিছুমান আঁচনি হাতত লবলৈ ৰাজ্যিক চৰকাৰক নিৰ্দ্দেশ দিও আহিছে। হীৰা লোক সকলে অতীতৰ পৰাই মাটিৰ ব্যৱসায়টোকে একমাত্ৰ আয়ৰ উৎস হিচাবে গ্ৰহণ কৰি আহিছে। গতিকে এই

শিল্পটোত আয়ৰ পৰিমান বৃদ্ধি কৰিবলৈ হলে এই শিল্পটোৰ বিকাশ সাধন কৰিব লাগিব। তাকে কৰিবলৈ চৰকাৰৰ বিভিন্ন বিভাগে লোৱা ব্যৱস্থাৱলীৰ একোটা চমু আভাস ডাঙি ধৰিলো।

(১) ভাৰত চৰকাৰৰ অধীনত Khadi and Village Industries Commission (সংক্ষেপে KVIC) নামৰ এখন কেন্দ্ৰীয় আয়োগ গঠন কৰা হৈছে। এই আয়োগে ভাৰতত থকা আটাইবোৰ গ্ৰাম্য উদ্যোগৰ উন্নতি সাধন কৰাৰ বাবে বিশেষ কিছুমান আঁচনি গ্ৰহণ কৰি ৰূপায়ণ কৰে। KVIC Act 1956 অনুসৰি এই আয়োগে মৃৎ শিল্প উদ্যোগক এটা গুৰুত্বপূৰ্ণ উদ্যোগ হিচাবে অভিহিত কৰিছে। অকল সেয়াই নহয়, কিছুমান আঁচনি প্ৰস্তুত কৰি সেই আঁচনি কাৰ্য্যকাৰী কৰাৰ বাবে আয়োগে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত জোৰ দিয়ে। কেন্দ্ৰীয় চৰকাৰে উক্ত আঁচনি বাজেটত অন্তৰ্ভূক্ত কৰে আৰু কুটীৰ শিল্পটোৰ উন্নতিৰ হকে কাম কৰে।

KVIC ৰ আঁচনি অনুসৰি ভাৰত চৰকাৰে কেন্দ্ৰীয় ভাৱে কৰ্ণাটকৰ বেলগাম জিলাৰ খানাপুৰত Central Village Pottery Institute নামে এটা বৃহৎ মৃৎ শিল্পৰ উদ্যোগ স্থাপন কৰিছে। এই প্ৰতিষ্ঠানটোত আধুনিক পদ্ধতিত মানুহৰ চাহিদা অনুপাতে নানা আৰ্হিৰ মাটিৰ সামগ্ৰী আৰু সঁজুলি তৈয়াৰ কৰা হয়। বিভিন্ন আৰ্হিৰ বাচন বৰ্ত্তন অথবা সঁজুলি তৈয়াৰ কৰাৰ উপৰি ভাৰতৰ ৰাজ্য সমূহৰ মৃৎ শিল্পী সকলক আধুনিক আৰ্হিৰ বাচন বৰ্ত্তন গঢ়াৰ বাবে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থাও এই উদ্যোগত আছে। আধুনিক যুগৰ সমাজত সমাদৰ আৰু চাহিদা থকা আৰ্হিৰ জলসিঞ্চনৰ পাইপ, ঘৰৰ বেৰত লগোৱা চিত্ৰ বা মূৰ্ত্তি খচিত জালি, পায়খানাৰ পাইপ, বেচিন, নলানৰ্দ্দমাৰ পাইপ, ফিল্টাৰকে আদি কৰি চাহিদা থকা নানা ধৰণৰ মাটিৰ সামগ্ৰী এই উদ্যোগে উৎপাদন কৰে। অসমৰ মৃৎ শিল্পী সকলৈও এই উদ্যোগৰ প্ৰশিক্ষণ লোৱাৰ বাবে চিঠি পত্ৰ অহা দেখা যায়। এইদৰে কাৰিকৰী প্ৰশিক্ষণ দিয়াৰ উপৰি মৃৎ শিল্পটোত প্ৰয়োজন হোৱা কেঁচামালবোৰ সহজলভ্য কৰি তোলাৰ বাবেও এই আয়োগে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰবোৰক ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ দি আহিছে। মৃৎ শিল্পী সকলে যাতে কেঁচামালৰ অভাৱত মৃৎ শিল্প পৰিত্যাগ কৰিব লগা নহয় তাৰবাবে চৰকাৰ সমূহক সোঁৱৰাই দি থাকে। এই ক্ষেত্ৰত চৰকাৰী চিঠি পত্ৰ কেন্দ্ৰীয় চৰকাৰৰ বিভাগীয় মন্ত্ৰী আদিৰ পৰা ৰাজ্যিক চৰকাৰ সমূহলৈ আহি থাকে।

অসমৰ প্ৰধান মৃৎ শিল্পী গোষ্ঠী হীৰা সকলৰ মূল কেঁচামাল সমূহ লাভ কৰিবলৈও ব্যৱস্থা গ্ৰহণৰ হেতু কেন্দ্ৰীয় চৰকাৰৰ একালৰ উদ্যোগ মন্ত্ৰী মাননীয় নাৰায়ণ দত্ত তেৱাৰী মহোদয়েও সেই সময়ৰ অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়ালৈ



পত্ৰ প্ৰেৰণ কৰি হীৰা মৃৎ শিল্পী সকলৰ বাবে হীৰা মাটি আৰু কাঠ খৰি আদি যোগানৰ বাবে ব্যৱস্থা কৰিবলৈ নিৰ্দ্দেশ দিছিল। হীৰা মৃৎ শিল্পৰ প্ৰতি থকা তেওঁৰ আন্তৰিকতা সহজে বুজিব পাৰি। 'সদৌ অসম হীৰা সন্মিলনী'য়ে হীৰা মৃৎ শিল্পটোৰ উন্নয়নৰ স্বাৰ্থত আৰু শিল্পটোৰ সন্মুখত দেখা দিয়া সমস্যাবোৰ দূৰীকৰণৰ বাবে ১৯৮৩ ইং চনত সেই সময়ৰ কেন্দ্ৰীয় উদ্যোগ মন্ত্ৰী গৰাকীৰ ওচৰত আবেদন জনাইছিল। সেই আবেদনৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় মন্ত্ৰী মাননীয় নাৰায়ণ দত্ত তেৱাৰী দেৱে ২৫/৫/৮৩ ইং তাৰিখে অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়ালৈ এখন চিঠি পঠাই অসমৰ হীৰা মৃৎ শিল্পটোৰ বাবে প্ৰয়োজনীয় কেঁচামালবোৰ যাতে হীৰা সকলে সহজতে সংগ্ৰহ কৰিব পাৰে তাৰ ব্যৱস্থা হাতত লবলৈ নিৰ্দ্দেশ দিছিল। অসম চৰকাৰৰ লগত যোগাযোগ কৰাত উক্ত চিঠি খনৰ এটা কপি ৰাজ্যিক উদ্যোগ বিভাগে 'সদৌ অসম হীৰা সন্মিলনী'ৰ প্ৰাক্তন সাধাৰণ সম্পাদক ব্ৰজেন্দ্ৰ কুমাৰ দাসৰ হাতত অৰ্পণ কৰিছিল। সেয়ে উক্ত চিঠিৰ কপিটো আজি পৰ্য্যন্ত সন্মিলনীৰ কেন্দ্ৰীয় কাৰ্য্যালয়ত আছে। চিঠিখনৰ কথাখিনি ইয়াত হুবহু ৰূপত তুলি দি পাঠক সকলক এটা আভাস দিবলৈ চেষ্টা কৰিলো।

U.O. No. 7(5)/83-KVI (III)

/Copy/
Minister of Industry
India
New Delhi-110011
May 25, 1983

Dear Shri Saikia,

As you are aware "Cottage Pottery Industry" is one of the specified village industries under the provisions of KVIC Act 1956. It is estimated that over 13 lakhs of persons are engaged in activities connected with the pottery industry. The KVIC through its special programmes has been above to assist about 2 lakhs artisans who produced pottery about Rs. 45.24 crores during 1982-83. The target for employment is 3.8 lakhs persons and for production is Rs. 72.31 crores during 1984-85. A salient feature of this industry is its wage content 48 to 50% of the production value.

The Chairman of the KVIC has brought to my notice that whereas in the past village potters used to obtain clay and firewood free of cost, they are now finding increasing difficulty in obtaining these items in many places. Even through some state Governments

have permitted potters to obtain clay from Govt. land, then face difficulties of the local level in getting this facility. Similarly the cost of firewood or other fuel is constantly rising and this ends to make the final product costly and uncompetitive.

Keeping in mind the employment potential of this programme and its widely dispersed coverage, I request that you may issue suitable directions to the departments of the State Government concerned to assure that :-

i) Clay is made available freely to potters free of cost or at nominal rates. It is essential that these instructions are observed both in letter and spirit at the local level

and

ii) Potters can obtain from local depots of the State forest departments on concessional reasonable rates.

The Chairman KVIC has also pointed out that with the increasing use of aluminium and plastic utensils the demand for traditional clay pots and pans is increasing. Accordingly, the Commission is directing its efforts towards helping potters to diversify their production. The Commission's Central Village Pottery Institute at Khanapur, Belgaum District (Karnataka) has recently introduced earthen pipes which are used for irrigation and drainage of surplus water from waterlogged areas. Such earthen pipes have become very popular in that part of Karnataka State. Based on this experience the Commission feels that the production of earthen pipes should be taken up on a wider scale in other parts of the country. This will not only help village potters to diversify their production but also help farmers in increasing agricultural production.

You may like to adopt the suggestion of the Chairman, KVIC and encourage the production of earthen pipes and their use in various parts of your state.

With Kind and best regards.

Yours Sincerely
Sd/-
(NARAYAN DUTT TIWARI)

To

Shri Hiteswar Saikia
Chief Minister
Govt. of Assam
Gauhati



১৯৮৩ ইং চনত অসমত বিদেশী খেদা আন্দোলন ভৰপক দিয়া অৱস্থাত 'সদৌ অসম হীৰা সন্মিলনী'য়ে দিশপুৰলৈ গৈ মুখ্যমন্ত্ৰী আৰু উদ্যোগ মন্ত্ৰীৰ লগত যোগাযোগ ৰক্ষা কৰা আৰু জাতীয় সমস্যা কেইটা পেচ কৰাত ব্যৰ্থ হয়। গতিকে উক্ত চিঠিৰ আঁত ধৰি আগবাঢ়িব নোৱাৰিলে আৰু ইয়াৰ পিচতো অসম চৰকাৰ ভঙা পতা আদি বিভিন্ন অজুহাতত সন্মিলনীয়ে চৰকাৰৰ লগত যোগাযোগ ৰক্ষা কৰাত ব্যৰ্থ হৈ পৰে।

(২) অনুসূচীত জাতিৰ লোকৰ কৰ্ম সংস্থান আৰু অৰ্থনৈতিক দিশত কেন্দ্ৰীয় চৰকাৰে Integrated Rural Development Programme (IRDP) আৰু Training of Rural Youth for Self Employment (TRYSEM) নামৰ আন দুখন গুৰুত্বপূৰ্ণ আঁচনি হাতত লৈছিল। ইয়াৰে TRYSEM আঁচনি খন ১৫/৮/৭৯ ইং তাৰিখৰ পৰা বলৱৎ হৈছিল। এই আঁচনি আজি পৰ্য্যন্ত কাৰ্য্যকাৰী হৈ আছে। দৰিদ্ৰতাৰ সীমাৰেখাৰ তলৰ নিবনুৱা যুৱক যুৱতীক কাৰিকৰী বিদ্যাৰ প্ৰশিক্ষণ দি শিল্প উদ্যোগৰ বাবে সুদক্ষ কৰি তোলাটো এই আঁচনিৰ উদ্দেশ্য। এই আঁচনি অনুসৰি অনুসূচীত জাতি আৰু জনজাতিৰ প্ৰশিক্ষাৰ্থী মুঠ সংখ্যাৰ ৫০% হব লাগে।

অসমৰ নগাওঁ জিলাৰ ধৰমতুলত থকা মৃৎ শিল্পৰ প্ৰশিক্ষণ কেন্দ্ৰত এই TRYSEM আঁচনিৰ অধীনত প্ৰশিক্ষণ দিয়া হয় বুলি জনা গৈছে। ভাৰত চৰকাৰৰ বাৰ্ষিক প্ৰতিবেদনৰ (Annual Reports, Ministry of Rural Development, Govt. of India) প্ৰকাশিত তথ্য অনুসৰি অসমত অনুসূচীত জাতি আৰু জনজাতিৰ প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষণ দিয়া হৈছিল ১৯৯০-৯১ বৰ্ষত ১৩.৮৩%, ১৯৯১-৯২ বৰ্ষত ৩১.৮৭%, ১৯৯২-৯৩ বৰ্ষত ৪০.৭০% আৰু ১৯৯৩-৯৪ বৰ্ষত ৩২.৬০%

(৩) IRDP আঁচনিখন বলৱৎ হৈছিল ২/১০/৮০ ইং তাৰিখৰ পৰা। এই আঁচনি খনৰ জড়িয়তে ভাৰতৰ গ্ৰামাঞ্চলৰ অৰ্থনৈতিকভাবে পিচপৰা লোক সকলৰ মাজত উৎপাদন মুখী কামৰ বাবে সা-সঁজুলিৰ যোগান ধৰা হয়। দেশৰ আটাইবোৰ উন্নয়ন খণ্ডত প্ৰযোজ্য হোৱাকৈ এই আঁচনিৰ কাম কৰা হৈছে। এই আঁচনিত হিতাধিকাৰীক যোগান ধৰিব লগা সা-সঁজুলি ইত্যাদিৰ নামত ব্যয় কৰিব লগা মুঠ ধনৰ ৫০% কেন্দ্ৰীয় চৰকাৰে আৰু ৫০% ৰাজ্যিক চৰকাৰে বহন কৰিব লাগে। তাৰোপৰি এই আঁচনিত যিমানবোৰ লোকক প্ৰশিক্ষণ দিয়া হয় তাৰ অৰ্দ্ধেক অনুসূচীত জাতি আৰু জনজাতিৰ লোক হব লাগে।

Annual Report, Ministry of Rural Development, Govt. of

মাটিৰ বাথানলৈ যোৱা পথবোৰ কিছু উন্নত কৰা উদাহাৰণ নোহোৱা নহয়। Special Component Plan দুটা ভাগত বিভক্ত। এটা হল General Service Sector



মাটিৰ বাচন বৰ্ত্তনবোৰৰ আৰ্হিবোৰৰো সলনি হল আৰু দেশে ভিন ভিন ন ন সামগ্ৰী আদৰণীয় হিচাবে নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰিলে। মাটিৰ বিভিন্ন সামগ্ৰী

India ৰ প্ৰতিবেদনৰ তথ্য অনুসৰি এই IRDP আঁচনিত অসমত অনুসূচীত জাতি আৰু জনজাতিৰ প্ৰশিক্ষিত আৰু সাহাৰ্য্যপ্ৰাপ্ত লোকৰ সংখ্যা আছিল এনে ধৰণৰ - ১৯৯১-৯২ বৰ্ষত ১৩.৬৩%, ১৯৯২-৯৩ বৰ্ষত ১২.৫১% আৰু ১৯৯৩-৯৪ বৰ্ষত ১৩.৭৬%।

(৪) অসমত ইং ১৯৭৭ চনত গুৱাহাটীৰ জৱাহৰনগৰত Assam Institute of Research for Tribals and Scheduled Castes নামৰ এটা অনুষ্ঠান স্থাপিত হৈছে। এই অনুষ্ঠানটোৰ প্ৰধান উদ্দেশ্য হল - অনুসূচীত জাতিৰ লোক সকলৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশবোৰ গভীৰ ভাৱে গৱেষণা কৰি তাৰ সঠিক মূল্যায়ণ কৰা আৰু কিছুমান আঁচনি প্ৰস্তুত কৰি তাৰ জড়িয়তে এই লোক সকলৰ উন্নয়ণৰ পথ সুগম কৰা। যথাৰ্থতে এই অনুষ্ঠানটো এটা গৱেষণা কেন্দ্ৰ। বৰ্ত্তমানে এই অনুষ্ঠানটোৱে অনুসূচীত জাতিৰ অন্তৰ্ভূক্ত আটাইকেইটা সম্প্ৰদায়ৰ ওপৰত পূৰ্ণ গতিত গৱেষণা চলাই আছে। প্ৰতিটো সম্প্ৰদায়ৰ মৌলিক সমস্যাবোৰ অনুধাৱন কৰি কিছুমান উন্নয়নমূলক আঁচনিও প্ৰস্তুত কৰি কামত অগ্ৰসৰ হৈছে। অসমৰ হীৰা সম্প্ৰদায়ৰ গাওঁবোৰৰ সবিশেষ তথ্য আহৰণ কৰি হীৰা সমাজৰ আৰ্থ সামাজিক সমস্যাবোৰৰ উপৰি শিক্ষা আৰু সংস্কৃতিৰ ক্ষেত্ৰত বহুল ভাৱে গৱেষণা কৰি থকা পৰিলক্ষিত হৈছে।

(৫) ৬ ষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাত (১৯৮০-১৯৮৫) অসম চৰকাৰে Special Component Plan নামৰ এখন আঁচনি প্ৰস্তুত কৰিছিল। এই আঁচনি অনুসৰি অনুসূচীত জাতিৰ সকলো সম্প্ৰদায়ৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কল্পে ৰাজ্যিক চৰকাৰে ৰাজহ বিভাগ, উদ্যোগ বিভাগ, গড়কাপ্তানি বিভাগ, জিলা কৰ্ত্তৃপক্ষ আৰু স্থানীয় নিকায় সমূহলৈ চৰকাৰী নিৰ্দেশ প্ৰেৰণ কৰি অনুন্নত শ্ৰেণীৰ লোক সকলক যথাসাধ্যে উপকৃত কৰিবলৈ জোৰ দিছিল। এই আঁচনিৰ দ্বাৰাই হীৰা মৃৎ শিল্পী সকলে তেওঁলোকৰ সমস্যাৰ অন্ততঃ ২০% সমাধানৰ পথ বিচাৰি পাইছিল। উদাহৰণ স্বৰূপে অসমৰ কেইখনমান জিলাৰ হীৰা মাটি থকা ঠাই হীৰা মৃৎ শিল্পী সকলে ব্যৱহাৰ কৰাৰ বাবে সুবিধা পাইছিল। ৰাজহ বিভাগে স্থানীয় নিকায় সমূহৰ জড়িয়তে নগাওঁ, মৰিগাওঁ আৰু অবিভক্ত গোৱালপাৰা জিলাৰ হীৰা মাটিৰ বাথানবোৰ হীৰা সকলক মৃৎ শিল্পৰ বাবে ব্যৱহাৰ কৰিবলৈ দিছে। তেনেদৰে গড়কাপ্তানি বিভাগে কোনো কোনো হীৰা মাটিৰ বাথানলৈ যাতায়ত আৰু পৰিবহন কৰিব পৰাকৈ ব্যৱস্থা হাতত লোৱা দেখা যায়। মুল গড়কাপ্তানি পথৰ পৰা হীৰা মাটিৰ বাথানলৈ যোৱা পথবোৰ কিছু উন্নত কৰা উদাহাৰণ নোহোৱা নহয়। Special Component Plan দুটা ভাগত বিভক্ত। এটা হল General Service Sector



আৰু আনটো Economic Sector। এই Economic Sector টোৱে হীৰা মৃৎ শিল্পী সকলৰ অৰ্থনৈতিক কাম কাজবোৰ সামৰি লৈছে।

(৬) অসমত Entrepreneurship Development Programme চমুকৈ (EDP) নামৰ আঁচনিখনো এখন পুৰণি আঁচনি। এই আঁচনিৰ অধীনত হীৰা যুৱক যুৱতী দুই চাৰিজনক কোনো উদ্যোগৰ বাবে আৰ্থিক সাহাৰ্য্য দিয়া পৰিলক্ষিত হয়।

(৭) ইং ১৯৫৩ চনত 'অসম খাদী আৰু গ্ৰামোদ্যোগ বোৰ্ড' গঠন হৈছিল। হীৰা সকলৰ উন্নয়ণৰ ক্ষেত্ৰত এই বোৰ্ডে উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। সমগ্ৰ অসমৰ হীৰা গাওঁবোৰত এই খাদী বোৰ্ডখনে মৃৎ শিল্পত আধুনিক আৰ্হিৰ বাচন বৰ্ত্তন তৈয়াৰ কৰাৰ প্ৰশিক্ষণ দিয়াৰ লগতে আৰ্থিক অনুদান দি অনেক হীৰাক হীৰা মাটিৰ হঁস্ত শিল্পটো জীয়াই ৰখাত সহায় কৰি আছে। অসম খাদী আৰু গ্ৰামোদ্যোগ বোৰ্ডে নিজাবৰীয়াকৈও কৰ্ম আঁচনি প্ৰস্তুত কৰি অসমৰ কেইখনমান ঠাইত প্ৰশিক্ষণ আৰু উৎপাদন কেন্দ্ৰ স্থাপন কৰিছে। ইয়াৰ দ্বাৰাই মৃৎ শিল্পী সকল যথেষ্ট উপকৃত হোৱা বুলি কব লাগিব। ধৰমতুল, গুৱাহাটীৰ হেঙেৰাবাৰী আৰু জামুগুৰিহাটত Training cum Production Centre স্থাপন কৰি তাত প্ৰশিক্ষণ দিয়াৰ উপৰি মৃৎ পাত্ৰৰ উৎপাদনো কৰি মৃৎ শিল্পী সকলক আদৰ্শ দেখুৱাই আছে। ধৰমতুলৰ কেন্দ্ৰটো ইং ১৯৬৪ চনতে স্থাপন কৰা হৈছিল। হেঙেৰাবাৰীৰ কেন্দ্ৰটো স্থাপন কৰিবৰ প্ৰায় ২০ বছৰ আৰু জামুগুৰিহাটৰ কেন্দ্ৰটো স্থাপন কৰিবৰ প্ৰায় ১০/১১ বছৰমান হব। আটাইকেইটা কেন্দ্ৰই সক্ৰিয়ভাৱে কাম কৰি আছে। এই কেন্দ্ৰবোৰত প্ৰতিদিনে ২/৩ টা দলক প্ৰশিক্ষণ দিয়া হয় আৰু প্ৰতিটো দলত প্ৰায় ২০ জন মান প্ৰশিক্ষাৰ্থীয়ে প্ৰশিক্ষণ লয়। মৃৎ শিল্পত অতি ৰাপ থকা ব্যক্তিক ৬ মহীয়া প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা আছে। মৃৎ শিল্পত জড়িত ঘৰুৱা গোটবোৰক এনেদৰে প্ৰশিক্ষণ দিয়াৰ উপৰি প্ৰতিটো ব্যক্তিগত গোটক ১০.০০০.০০ টকা আৰু সমবায় ভিত্তিক গোটবোৰক প্ৰায় ৭০.০০০.০০ টকা আৰ্থিক ঋণ দিয়াৰ ব্যৱস্থাও আছে। এই বোৰ্ড খনৰ প্ৰতিখন জিলাতো একোটা শাখা বা জিলা কাৰ্য্যালয় আছে। সেইবোৰ জিলা কাৰ্য্যালয়ে জিলাখনৰ আটাইবোৰ হীৰা মৃৎ শিল্পীক উপকৃত কৰি আছে।

(৮) মৃৎ শিল্পৰ আনুষ্ঠানিক পাঠ্যক্ৰমৰ ভূমিকা হল এক নতুন সংযোজন। দেশত সম্প্ৰতি প্ৰচলন হোৱা মুক্ত অৰ্থনীতিৰ ফলত দেশ বিদেশত মাটিৰে নিৰ্মিত বাচন বৰ্ত্তন আৰু সামগ্ৰী আদিৰো চাহিদা বাঢ়িছে। ন ন যন্ত্ৰপাতি আৱিষ্কাৰ হোৱাত মাটিৰ বাচন বৰ্ত্তনবোৰৰ আৰ্হিবোৰো সলনি হল আৰু দেশে ভিন ভিন ন ন সামগ্ৰী আদৰণীয় হিচাবে নিৰ্মাণ কৰিবলৈ আৰম্ভ কৰিলে। মাটিৰ বিভিন্ন সামগ্ৰী

বিদেশলৈ ৰপ্তানি কৰিব পৰাকৈ উন্নত মানৰ সামগ্ৰী প্ৰস্তুত কৰিবলৈ বিশেষ কাৰীকৰী বিদ্যা শিক্ষাৰো প্ৰয়োজন হল। সেয়েহে ভাৰতবৰ্ষৰ বৰোদা বিশ্ববিদ্যালয়, নেচনেল ইনষ্টিটিউট অব ডিজাইন, জে জে স্কুল অব আৰ্ট, নতুন দিল্লীৰ ব্লু পটাৰী ট্ৰাষ্ট, পণ্ডিচেৰীৰ গোল্ডেন পটাৰী ট্ৰাষ্ট ইত্যাদিত মৃৎ শিল্পৰ কাৰিকৰী শিক্ষা দিয়াৰ বাবে কিছুমান পাঠ্যক্ৰম আৰম্ভ কৰিছে। এই পাঠ্যক্ৰম বোৰৰ জড়িয়তে আধুনিক কৌশল প্ৰয়োগ কৰি মাটিৰ বিভিন্ন সামগ্ৰী তৈয়াৰ কৰাৰ জ্ঞান দিয়া হয়। অসমৰ হীৰা মৃৎ শিল্পী সকলে এনে বিশেষ পাঠ্যক্ৰমৰ জড়িয়তে লাভবান হব পাৰে। ৰাজ্য সমূহত থকা ৰাজ্যিক আৰ্ট এণ্ড ক্ৰাফ্ট কলেজবোৰতো মৃৎ শিল্পৰ হ্ৰস্বম্যাদী পাঠ্যক্ৰম প্ৰদান কৰা হয়।

(৯) অসম চৰকাৰৰ অধীনত গুৱাহাটীৰ বামুনীমৈদানত উদ্যোগ বিভাগৰ উদ্যোগ সঞ্চালকালয়ৰ কাৰ্য্যালয় আৰু কৰ্মশালা অৱস্থিত। এই সঞ্চালকালয়ৰ জড়িয়তে হীৰা মৃৎ শিল্পী (কাৰীকৰীক দিশৰ) সকলক মৃৎ শিল্পৰ বিশেষ প্ৰশিক্ষণ আৰু নীতি নিৰ্দেশনা দিয়া হয়। উদ্যোগ বিভাগৰ এই সঞ্চালকালয়ৰ যুটীয়া সঞ্চালক (বাণিজ্যিক) মহোদয়ে মাজে সময়ে হীৰা মৃৎ শিল্পৰ লগত জড়িত হৈ থকা লোক সকলক শিল্প কৰ্মৰ ক্ষেত্ৰত নানা যোগাযোগ ৰাখি চলা দেখা যায়। উক্ত সঞ্চালকালয়ত মাটিৰ পাত্ৰ তৈয়াৰীৰ বিভিন্ন আৰ্হি আৰু কৌশল প্ৰয়োগ কৰা প্ৰশিক্ষণ দিয়াৰ উপৰি মাটিৰ কেঁচা পাত্ৰ ভাটিত পুৰি কেনেকৈ পকা কৰিব পাৰি তাৰো ব্যৱহাৰিক প্ৰশিক্ষণ দিয়া হয়। জুইৰ থুপা দি মাটিৰ পাত্ৰ পোৰাৰ বাবে খেৰ, খৰি, তুঁহ ইত্যাদি নোহোৱাকৈ কেনেকৈ কম খৰছতে কম সময়তে ভাটিৰে পাত্ৰবোৰ পুৰি পকা কৰিব পাৰি সেই কৌশলবোৰ হীৰা মৃৎশিল্পী সকলে উক্ত উদ্যোগ সঞ্চালকালয়ৰ পৰা শিকি লব পাৰে।

(১০) পূৰ্ব্বৰ পাঠত ইতিমধ্যে উল্লেখ কৰি আহিছো যে হীৰা মৃৎ শিল্পী সকলৰ প্ৰধান সমস্যা হল কেঁচামাল হীৰা মাটিৰ। হীৰা মাটিৰ বাথানবোৰ বিভিন্ন জিলাৰ বিভিন্ন ঠাইত বিশেষ বিশেষ স্থানত বিস্তৃত হৈ আছে। আজিকালি উক্ত স্থানবোৰৰ পৰা হীৰামাটি সংগ্ৰহ কৰাটো জটিল সমস্যা হৈ পৰিছে। এনেবোৰ সমস্যা জিলা কৰ্ত্তৃপক্ষ সমূহে মাজে সময়ে সমাধান কৰি আহিছে। বৃটিছ ৰাজত্বৰ পৰাই জিলা প্ৰশাসনিক গোট সমূহে বিভিন্ন Office Order দি হীৰা সকলক হীৰা ৰিজাৰ্ভবোৰৰ পৰা হীৰা মাটি সংগ্ৰহ কৰিবলৈ সুবিধা কৰি দি আহিছে। হীৰা মাটি সংগ্ৰহ কৰা উৎসৰ স্থানলৈ অহা যোৱা কৰা পথত কেতিয়াবা কৰবাত নাও নিব পৰা পথ নাথাকে, কৰবাত হয়তো ট্ৰাক সোমাব পৰা পথ নাথাকে। কৰবাত হয়তো বনবিভাগৰ বাধা নিষেধ অথবা চেক পোষ্ট আদি থাকিও হীৰা মাটি



কঢ়িওৱা ৰাষ্টা পথ নোহোৱা হয়। এনেবোৰ ক্ষেত্ৰত জিলা কৰ্ত্তৃপক্ষ সমূহে বিহিত ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে আমি অবিভক্ত কামৰূপ জিলাৰ ইং ১৯৪১ চনৰ এজন জিলা উপায়ুক্তৰ কথাকে কব পাৰো। সেই সময়ত হীৰা মৃৎ শিল্পী সকলে গুৱাহাটীৰ ওচৰৰ দীঘলী বিলৰ পৰা নাৱেৰে হীৰা মাটি কঢ়িয়াই আনিছিল। মলং জানৰ বুকুৰে নাও চলাই হীৰা গাটাৰ পৰা হীৰা মাটি আনিছিল অবিভক্ত কামৰূপ জিলাৰ সমগ্ৰ হীৰা গাওঁৰ হীৰা সকলে কিন্তু এবাৰ এটা ঘটনা সংঘটিত হল। হীৰা সকলে যাতে সেই ঠাইৰ পৰা মাটি আনিব নোৱাৰে তাৰ ব্যৱস্থা কৰিবলৈ এটা দুষ্ট চক্ৰই উল্লেখিত মলংজানত এটা বান্ধ দিলে। ফলস্বৰূপে হীৰা সকলে মলংজানেৰে নাওঁ প্ৰৱেশ কৰাব নোৱাৰা হ'ল। উক্ত স্থানতে চৰকাৰী শ্লুইজ গেট এটাও নিৰ্মাণ কৰা হৈছিল। গতিকে হীৰামাটি কঢ়িওৱা বা সংগ্ৰহ কৰাত জটিলতাৰ সৃষ্টি হ'ল। কিন্তু সেই সময়ত কামৰূপ জিলাৰ উপায়ুক্ত আছিল চি, হামফ্ৰে চাহাব। হীৰা সকলে হামফ্ৰে চাহাবক লগ ধৰি সমস্যাটো সমাধান কৰাৰ বাবে আবেদন কৰাত হামফ্ৰে চাহাবে গোটেই বিষয়টোত হস্তক্ষেপ কৰি এটা নিৰ্দ্দেশ জাৰি কৰি ওপৰোক্ত মলংজানৰ বান্ধটো মুকলি কৰি দিছিল। এনেদৰে জিলা প্ৰশাসনে হীৰা মৃৎ শিল্পী সকলক কুটীৰ শিল্পটো চলাই নিয়াৰ বাবে সহায় কৰিছিল।

(১১) হীৰা মাটিৰ অনেক প্ৰাপ্তিস্থান চৰকাৰী বনবিভাগৰ এলেকাধীন। হীৰা সকলে যেতিয়া হীৰা মাটি সংগ্ৰহ কৰিব লগা হয় তেতিয়া চালান যোগে ৰয়েল্টী জমা দিলে সংশ্লিষ্ট বনবিভাগৰ কৰ্ত্তৃপক্ষইয়ো হীৰা মাটি খান্দি নিয়াৰ বাবে হীৰা সকলক আৱশ্যকীয় অনুমতি প্ৰদান কৰে। Divisional Forest Office, Kamrup East Division Guwahati ৰ কাৰ্য্যালয়ে ৰয়েল্টী আৰু তাৰ লগত ৫০% এম্ এফ আৰু বিক্ৰীকৰ আদায় পালে হীৰা সকলক হীৰামাটি বনবিভাগৰ এলেকাৰ পৰা সংগ্ৰহ কৰিবলৈ দিয়া দেখা যায়।

(১২) ১৮৬০ ইং চনৰ সমিতি পঞ্জীয়ন আইন অনুসৰি 'অসম অনুসূচীত জাতি পৰিষদ' গঠন কৰা হৈছিল আৰু ১৯৮১ ইং চনৰ ১২ জুলাইত এই পৰিষদখনে চৰকাৰী স্বীকৃতি লাভ কৰিছিল। তাৰ পিচত এই পৰিষদে অনুসূচীত জাতিৰ আটাইবোৰ সম্প্ৰদায়ৰ উন্নয়ণৰ স্বাৰ্থত যি কাম কৰি আহিছে তাৰ ভিতৰত হীৰা সম্প্ৰদায়ৰ লোক সকলো উপকৃত হৈ আহিছে।

এনেদৰে অসম চৰকাৰৰ অধীনত থকা বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে হীৰা সকলৰ মৃৎ শিল্পটোৰ উন্নতিৰ ক্ষেত্ৰত বিভিন্ন ধৰণে সহায় সহযোগ কৰা দেখা যায়।

*******

# সামাজিক সংগঠন "সদৌ অসম হীৰা সন্মিলনী"ৰ জন্ম

জাতীয় চেতনাৰে পৰিপুষ্ট লোক সকলে নিজৰ জাতি বা সম্প্ৰদায়ৰ সৰ্ব্বাঙ্গীন উন্নতিৰ স্বাৰ্থত সামাজিক সংগঠনৰ জন্ম দিয়ে আৰু সেই সংগঠনৰ মাধ্যমেৰে নিজৰ সম্প্ৰদায়টোৰ সমুখত দেখা দিয়া সমস্যাৱলী দূৰ কৰাৰ বাবে সচেষ্ট হয়। হীৰা সমাজ খনৰ আৰ্থ-সামাজিক সমস্যাবোৰৰ বিষয়ে অসম চৰকাৰ অথবা কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পেচ কৰিবলৈ অসমৰ হীৰা সকলৰ এচাম অগ্ৰণী ভূমিকা গ্ৰহণ কৰা ব্যক্তিয়ে বহু বছৰ আগৰ পৰা এটা জাতীয় সংগঠনৰ সৃষ্টি কৰাৰ বাবে প্ৰচেষ্টা হাতত লৈছিল। সমগ্ৰ অসমত থকা হীৰা সকলক একগোট কৰি এই সংগঠনৰ সৃষ্টি কৰিবলৈ বহু বছৰ ধৰি সেই সকল ব্যক্তিয়ে আপ্ৰাণ চেষ্টা চলাই থাকি সৰ্ব্বশেষত ইং ১৯৫২ চনত "সদৌ অসম হীৰা সন্মিলনী" নামৰ এখন পূৰ্ণাংগ সন্মিলনীৰ জন্ম দিবলৈ সক্ষম হয়। অসমৰ আটাই কেইখন জিলাৰ খাচ হীৰা লোকৰ অন্তৰ্ভূক্তিৰে এইখন সন্মিলনী গঠন হয়। হীৰা সকলৰ এই জাতীয় সংগঠনটো পূৰ্ণাংগ অৱস্থা প্ৰাপ্ত হবলৈ বহু বছৰৰ প্ৰয়োজন হৈছিল। ইয়াৰ আঁৰত হীৰা সমাজৰ সামাজিক গাঠনিৰ কথাটো জড়িত হৈ আছে।

আদিতে হীৰা, কুমাৰ আৰু নমঃশুদ্ৰ এই তিনিওটা সম্প্ৰদায়ে তেওঁলোকৰ উমৈহতীয়া সমস্যাবোৰ দূৰীকৰণৰ বাবে ৰাজনৈতিক ভাৱে চৰকাৰৰ ওচৰত আবেদন নিবেদন কৰাৰ হেতু একগোট হৈ সভা সমিতি পাতি বিভিন্ন দিশত আগবাঢ়িছিল। বৃত্তিত হীৰা আৰু কুমাৰ সকলৰ কিছু মিল থাকিলেও বৈবাহিক সূত্ৰে তেওঁলোকৰ মাজত সম্পৰ্ক নাছিল। আনহাতে বৃত্তিৰ ক্ষেত্ৰত নমঃশুদ্ৰ সকলৰ হীৰাৰ লগত কোনো মিল নাই যদিও হীৰা আৰু নমঃশুদ্ৰ সকলৰ মাজত সামাজিক ভাৱে বৈবাহিক সম্বন্ধ ঘটে। তথাপি ওচৰা ওচৰিকৈ বসবাস কৰা তিনিওটা সম্প্ৰদায়ে মিলি আদিতে একোখন সমিতিতে সোমাই থাকি উমৈহতীয়া ভাৱে নিম্ন শ্ৰেণীৰ লোক হিচাবে অভাৱ অভিযোগবোৰ চৰকাৰক জনাইছিল। সেই হেতু অতীতত হীৰা-নমঃশুদ্ৰ, হীৰা কুমাৰ ইত্যাদি নানা নামেৰে স্থানীয় সমিতিবোৰ গঠন হৈছিল জিলাই জিলাই। স্থানীয় ভাৱে গ্ৰাম্য সমিতিবোৰ খাচ হীৰা, খাচ কুমাৰ বা খাচ নমঃশুদ্ৰ হিচাবে গঠন হোৱা নাছিল। এনে গ্ৰাম্য সমিতিবোৰ গঠন কৰোতে হীৰাৰ সমিতিত কৰবাত কুমাৰ সম্প্ৰদায়ৰ আৰু কৰবাত নমঃশুদ্ৰ সম্প্ৰদায়ৰ লোকো



অন্তৰ্ভূক্ত হৈ আছিল। এই সংক্ৰান্তত বিভিন্ন জিলাত হীৰা সকলৰ সামাজিক সমিতিবোৰত আন দুটা সম্প্ৰদায়ৰ লোককো অন্তৰ্ভূক্ত কৰি ৰখা হব নে নহয় এই কথা লৈ হীৰা গাওঁবোৰত বহু বছৰ ধৰি যুক্তি তৰ্ক চলি আছিল। এনেকি কেইবছৰমান ধৰি হীৰা সকলেও কুমাৰ উপাধি লিখিব লাগে বুলিও হীৰা ৰাইজৰ মাজতেই দাবী উত্থাপন হৈছিল। কিন্তু এয়া সাময়িক ভাৱেহে চেষ্টা চলিছিল। বিশেষকৈ বৰপেটা আৰু আন দুখনমান জিলাত হীৰা সকলেও কুমাৰ উপাধি লিখা নিলিখা সংক্ৰান্ততে বহু বছৰ ধৰি আলোচনা অব্যাহত আছিল। হীৰা, কুমাৰ আৰু নমঃশুদ্ৰ এই তিনিওটা সম্প্ৰদায় যে সম্পূৰ্ণ পৃথক পৃথক সম্প্ৰদায় সেইটো স্পষ্ট ৰূপত স্থিতি লাভ কৰিলে ইং ১৮৮১ চনৰ চৰকাৰী লোক পিয়লত। ইয়াৰ আগতে চৰকাৰেও লোক পিয়লত হীৰা আৰু নমঃশুদ্ৰৰ জনসংখ্যা একেলগে গণনা কৰি পঞ্জীয়ণ কৰিছিল। চৰকাৰে হীৰা সকলকো কুমাৰ বুলি গণ্য কৰিছিল।

সময়ো বাগৰি গৈ থাকিল। হীৰা, নমঃশুদ্ৰ আৰু কুমাৰ সকলৰ মৌলিক সমস্যাবোৰো জটিল হব ধৰাত প্ৰতিটো সম্প্ৰদায়ে নিজৰ নিজৰ সমস্যাবোৰ সমাধান কৰিবলৈ সুকীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হল। হীৰা সকলে অকল হীৰা লোক খিনিৰ বাবে পৃথক ভাৱে সামাজিক সংগঠনৰ সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিলে। খাচ হীৰা সকল ঐক্যবদ্ধ হবলৈ প্ৰচেষ্টা চলিল। জিলাই জিলাই হীৰা সকলৰ মুখীয়াল ব্যক্তি সকলৰ উপস্থিতিত বিভিন্ন সভা সমিতি বহিবলৈ ধৰিলে। উজনি অসম আৰু নামনি অসমৰ হীৰা সকলৰ পূৰ্ব্বৰ স্থানীয় জাতীয় সমিতিবোৰত সমগ্ৰ অসমৰ বাবে খাচ হীৰা সকলৰ এখন জাতীয় মঞ্চৰ সৃষ্টিৰ বাবে বহুল চৰ্চ্চা হবলৈ ধৰিলে। এই সন্দৰ্ভত আমি যদি আজিৰ পৰা প্ৰায় ৯০ বছৰ মান আগৰ কিছুমান সভাসমিতিৰ কাৰ্য বিৱৰণী ফহিয়াই চাও তেনেহলে হীৰা সকলৰ আৰ্থ সামাজিক ছবি খনৰ একোটা স্পষ্ট আভাস পাম।

উজনি আৰু নামনি অসমত হীৰা সকলৰ সামাজিক সংস্কাৰ আৰু তেওঁলোকৰ অৰ্থনৈতিক দিশবোৰৰ উন্নয়ণৰ বাবে কিছুমান স্থানীয় সংগঠনৰ জন্ম হৈছিল যদিও সমগ্ৰ অসমৰ হীৰাৰ সংগঠন সমূহ একেখন মঞ্চৰ অধীনলৈ বহু বছৰ ধৰি আহিব পৰা নাছিল। উজনি অসমৰ হীৰা সকলৰ প্ৰধান কেন্দ্ৰবিন্দু আছিল নগাওঁ আৰু মৰিগাওঁ জিলা। নামনি অসমৰ প্ৰধান কেন্দ্ৰ আছিল বৰপেটা। ইং ১৯২৯ চনত 'আসাম হীৰা সন্মিলনী' নামৰ সংগঠন এটা গঠিত হৈছিল যদিও ১৯৩১ চনত এই সংগঠনটো 'আসাম হীৰা কুমাৰ সন্মিলনী' হিচাবে পুণৰ নামাঙ্কিত কৰা হৈছিল— ইং ১৯৩৩ চনত ই পুনৰ অন্য নামেৰে সংগঠিত হৈছিল। সেইবাৰ ইয়াৰ নাম ৰখা হৈছিল। 'নামনি আসাম হীৰা সন্মিলনী'। ইং ১৯৩৫ চনত ইয়াৰ

পুনৰ নাম সলনি কৰা হয় আৰু নামাঙ্কিত কৰা হয় 'নিম্ন আসাম কুমাৰ জাতীয় হীৰা সন্মিলনী' হিচাবে। এইদৰে কুমাৰ সকলক একেটা সংগঠনৰ অন্তৰ্ভূক্ত কৰি সংগঠনৰ সৃষ্টি হব নে নহয় সেই লৈ বহুবছৰ ধৰি নানা বিভ্ৰান্তিৰ সৃষ্টি হৈছিল হীৰা সকলৰ মাজত। শেহতীয়াকৈ ইং ১৯৩৬ চনত গোৱালপাৰা জিলাৰ মৰনৈ গাওঁত সমগ্ৰ অসমৰ অনেক নেতৃস্থানীয় হীৰা লোকৰ উপস্থিতিত বহল ভিত্তিত এখন জাতীয় সভা বহিছিল আৰু এই সভাত প্ৰায় আটাইকেইখন জিলাৰ হীৰাৰ প্ৰতিনিধি উপস্থিত আছিল। এইখন সভাত খাটাং সিদ্ধান্ত এটাত হীৰা সকল উপনীত হয় আৰু খাচ হীৰা সকলক লৈ অসম ভিত্তিত এখন হীৰাৰ জাতীয় সন্মিলনী গঠন কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰে।

গোৱালপাৰা জিলাৰ মৰনৈত অনুষ্ঠিত উক্ত সভাৰ মুকলি অধিবেশনত প্ৰস্তাৱ গ্ৰহণ কৰি হীৰা ৰাইজে স্পষ্ট মত ডাঙি ধৰি উল্লেখ কৰে যে হীৰা জাতি অতীতৰ পৰাই এটা সুকীয়া সম্প্ৰদায়। ইতিমধ্যে চৰকাৰেও হীৰা সকলক এটা পৃথক জাতি হিচাবেই স্বীকৃতি প্ৰদান কৰি চৰকাৰী লোক পিয়লত ইয়াৰ জনসংখ্যা পঞ্জীয়ন কৰিবলৈ লৈছে। গতিকে হীৰা সকলে কুমাৰ শব্দটো ব্যৱহাৰ নকৰাকৈ কেৱল 'হীৰা' বুলিহে পৰিচয় দিয়া উচিত। এই প্ৰস্তাৱৰ পিছৰ পৰাই নামনি অসমত হীৰা লোক সকলে হীৰা উপাধি লিখাটো বাধ্যতামূলক হৈ পৰিছিল। হীৰা সকলৰ জাতীয় সংগঠনৰ নামটোও "সদৌ আসাম হীৰা সন্মিলনী" হিচাবেই নামাঙ্কিত কৰা উচিত বুলি মৰনৈৰ উক্ত সভাতে সিদ্ধান্ত লোৱা হয়। নামনি অসমৰ জিলা কেইখনত তেতিয়াৰ পৰাই স্থানীয় সংগঠনবোৰ খাচ হীৰা লোকেৰে গঠিত হবলৈ ধৰিলে। কেন্দ্ৰ বিন্দু বৰপেটা জিলাতো জাতীয় সন্মিলনীবোৰ হীৰাৰ মাজতে আৱদ্ধ হল। কুমাৰ সকলক এই আওঁতালৈ অনাটো বন্ধ হবলৈ ধৰিলে।

আনহাতে উজনি অসমৰ নগাওঁ, মৰিগাওঁ আৰু জাগীৰোডত হীৰা সকলে খাচ হীৰা সকলক লৈ আঞ্চলিক আৰু জিলা ভিত্তিত সমিতি আদি গঠন কৰি ললে আৰু হীৰা সকলৰ সামাজিক, অৰ্থনৈতিক সমস্যাবোৰ দূৰীকৰণৰ বাবে কামত অগ্ৰসৰ হল। এনেদৰে উজনি অসম আৰু নামনি অসমত অনেক সৰু সৰু জাতীয় সংগঠনবোৰৰ জন্ম হৈছিল যদিও উজনি নামনিৰ আটাইবোৰ জাতীয় সংগঠনে বহু বছৰ ধৰি পৃথকে পৃথকে জাতিৰ সেৱা কৰি আছিল।

ইং ১৯৫০ চনত কাৰ্য্যকৰী হোৱা ভাৰতীয় সংবিধানে ভাৰতৰ প্ৰায় ৪০০ টা অনুন্নত সম্প্ৰদায়ক অনুসূচীত জাতিৰ তালিকাত অন্তৰ্ভুক্ত কৰিছে আৰু অসমত এনে সম্প্ৰদায় ১৬ টা স্বীকৃত হৈছে। এই ১৬ টা সম্প্ৰদায়ৰ ভিতৰত হীৰা সম্প্ৰদায়ক যেতিয়া এটা সুকীয়া পৃথক সম্প্ৰদায় হিচাবেই স্বীকৃতি দিয়া হল, সমগ্ৰ অসমৰ



উজনি নামনিৰ আটাইবোৰ হীৰা জাতীয় সংগঠনে একমাত্ৰ হীৰাৰ স্বাৰ্থতে সকলো কাম কৰাৰ বাবে বিশেষ উৎসাহ পালে। গতিকে আটাইবোৰ সৰু সৰু হীৰাৰ সংগঠন একগোট হৈ অসমভিত্তিত হীৰা জাতীয় সন্মিলন সৃষ্টিৰ বাবে উঠিপৰি লাগিল। গোৱালপাৰা জিলাৰ মৰনৈত ইতিমধ্যে সিদ্ধান্ত লৈ থোৱা 'সদৌ আসাম হীৰা সন্মিলনী' ৰ প্ৰস্তাৱ কাৰ্য্যকৰী কৰাৰ বাবে সকলোৱে প্ৰয়োজন অনুভৱ কৰিলে। নামনি আৰু উজনিৰ সকলোবোৰ সৰু সৰু সংগঠনৰ গোটক একলগ কৰি অসম ভিত্তিত এখন কেন্দ্ৰীয় সমিতি বা সন্মিলনী গঠন কৰাৰ বাবে নামনি অসমৰ নলবাৰী জিলাৰ চৰিয়া গাওঁত ইং ১৯৪৭ চনত এখন বিশেষ অধিবেশন বহিছিল। এই অধিবেশনতো 'সদৌ অসম হীৰা সন্মিলনী' নামেৰে নামাঙ্কিত কৰি এখন জাতীয় সন্মিলনী গঠন কৰাৰ বাবে বহল ভাৱে আলোচনা হয় আৰু তাৰ কাৰ্য্যকৰীতাৰ বাবে এখন কেন্দ্ৰীয় সমিতি গঠন কৰি লয়।

কিন্তু প্ৰকৃতাৰ্থত ১৯৫২ ইং চনৰ ২০ মেই তাৰিখে মাৰিগাওঁৰ বৰ্ণ সত্ৰত সদৌ অসম ভিত্তিত এখন অধিবেশন অনুষ্ঠিত হয়। এই অধিবেশনত অসমৰ আটাইকেইখন জিলাৰ প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰি 'সদৌ অসম হীৰা সন্মিলনী' খনৰ পূৰ্ণাংগ ৰূপ দিয়ে আৰু তেতিয়াৰ পৰাই হীৰাসকলৰ এই সামাজিক অনুষ্ঠানটোৱে হীৰা সকলৰ সৰ্বাঙ্গীন উন্নতিৰ হকে আজি পৰ্য্যন্ত কাম কৰি আহিছে। এই সন্মিলনীয়ে হীৰা সকলৰ মূল সমস্যাবোৰৰ সমাধানৰ কল্পে ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ লগত বিভিন্ন ধৰণে যোগাযোগ স্থাপন কৰি আহিছে আৰু বহু ক্ষেত্ৰত সুফলো পাইছে। চৰকাৰী পঞ্জীয়ন আইন অনুসৰি 'সদৌ অসম হীৰা সন্মিলনী' খন ১৯৭৬ ইং চনত পঞ্জীয়ন কৰা হয়। ইয়াৰ পঞ্জীয়ন নং ২৭৯ (১৯৭৬-১৯৭৭)। কিন্তু লক্ষণীয় বিষয় হ'ল এই যে - ইয়াৰ প্ৰধান কাৰ্য্যালয় গুৱাহাটীত থাকিব লাগে যদিও স্থায়ী কাৰ্য্যালয়ৰ বাবে ভূমি নথকাত সাধাৰণ সম্পাদকৰ বাসস্থানৰ পৰাই সন্মিলনীৰ কাম কাজবোৰ পৰিচালনা কৰি অহা দেখা গৈছে।

*******

# সামৰণি

প্ৰধান জীৱিকাৰ পথ মৃৎ শিল্পৰ অবিহনে হীৰা সমাজখন মেৰুদণ্ডহীন। সম্প্ৰতি এই শিল্পটোক ক'লা ডাৱৰে আৱৰি পেলাইছে। জাতীয় ঐতিহ্য ৰক্ষা কৰাৰ ক্ষেত্ৰত হীৰা সকল বিভিন্ন সমস্যাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈ পৰিছে। মৃৎ শিল্পটোৰ অস্তিত্ব বৰ্ত্তমান সংকটাপন্ন। গতিকে এতিয়াই যদি প্ৰতিজন হীৰাই সচেতন হৈ নিজৰ সমাজ আৰু শিল্পৰ প্ৰতি একো চকু কাণ নিদিয়ে তেনেহ'লে হীৰা সকলৰ প্ৰধান ব্যৱসায়টো বিলুপ্ত হ'বৰ বাবে আৰু বেছি বছৰ নালাগে। হীৰা সকলে নিজৰ বৃত্তিটো জীয়াই ৰাখিবলৈ পৰম্পৰাগত ভাবে চলি অহা মৃৎ পাত্ৰ উৎপাদনৰ পুৰণি পদ্ধতিবোৰ সলনি কৰিব লাগিব, কেঁচা মালৰ বাবে চৰকাৰৰ ওচৰত স্থায়ী সমাধান সূত্ৰৰ হেতু হেঁচা প্ৰয়োগ কৰিব লাগিব, উৎপাদন কাৰ্য্যত পুৰণা আৰ্হিৰ সলনি কৰি নতুন আৰ্হিৰ বাচন বৰ্ত্তন সা-সঁজুলি আদি উৎপাদন কৰিব লাগিব, আধুনিক সমাজবোৰত সমাদৰ লাভ কৰিব পৰা উন্নত মানৰ নতুন নতুন সামগ্ৰী উৎপাদন কৰিব লাগিব, গ্লেজ পটাৰী স্থাপন কৰাত গুৰুত্ব আৰোপ কৰিব লাগিব। শিল্পটোৰ বাবে বিশেষ চৰকাৰী আঁচনি প্ৰস্তুত কৰাবলৈ বিভাগীয় কৰ্ত্তৃপক্ষ সমূহক পতিয়ণ নিয়াব পাৰিব লাগিব। ইয়াৰ বাবে উৎসাহী উদ্যোগী যুৱ চামৰ কৰণীয় বহুত আছে। হীৰাৰ যুৱ সমাজখন আগবাঢ়ি আহিলে এনেবোৰ কামৰ অগ্ৰগতি হ'ব আৰু হীৰা সমাজখনৰ অস্তিত্বৰ পথ মুক্ত হৈ থাকিব বুলি আশা কৰিব পাৰি।

*******